Assam Legislative Assembly Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

BUDGET SESSION

NO. 12

The 31st March, 1995

Price Rs. 35·75

1995.

PRINTED AT THE PAPLOO PRINTERS
JORHAT.

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 31st March, 1995

The House met at 8.30 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral replied were given)

Mr. Speaker : The position of questions for 31-03-95 are as follows :—

ORAL : Sl. No. 201 to Sl. No. 220.
DEFERRED : Sl. No. 211
WRITTEN : Sl. No. 470 to Sl. No. 519.
DEFERRED : Sl. No. 491.

Now, question No. 201, Minister Transport to reply. Hon'ble Member, Shri Atul Bora.

বিষয় ঃ অসম বাজ্যিক পবিবহন নিগমব মাহিলী আয় ব্যয় ।

শ্রীঅতুল বৰাই সুধিছে ঃ

*২০১। মাননীয় পবিবহন বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে—

ক) অসম বাজ্যিক পবিবহন নিগমব মাহে আয় আৰু ব্যয় কিমান ?

খ) বেচবকাবী পবিবহন ব্যৱসায়ীক সুবিধা দিয়াব বাবে পবিকল্পিত ভাবে বাজ্যিক পবিবহন নিগমব বাছব সংখ্যা কমাই নিয়া হৈছে নেকি ?

গ) ১৯৯১ চনব পৰা পবিবহন নিগমে কিমান নতুন বাছ ক্রয় কবিছে ?

ঘ) ১৯৯১ চনব পৰা বাছ আৰু পবিবহন নিগমব আন আন গাড়ী সমূহ মেবামতিব বাবদ কিমান টকা খবছ হৈছে জনাবনে ?

ঙ) পবিবহন মন্ত্রীয়ে বিহাৰত বাহৰ বডি নির্মানৰ কাৰখানা স্থাপন কৰা কথাটো সচাঁনে ?

শ্রীশিৱশম্ভু ওজা (পবিবহন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) পবিবহন নিগমৰ গড়ে মাহিলি আয় ১·৪৫ কোটি টকা আৰু ব্যয় ২·৮০ কোটি।

খ) কমাই নিয়া নাই।

গ) মুঠ ২৪৫ খন (১৯৯৫ৰ ফেব্রুৱাৰীলৈকে) (ইয়াৰ ভিতৰত ৬৭ খন under construction of body)

ঘ) মুঠ ৯৭২·৪১ লাখ টকা (১৯৯৫ চনৰ ফেব্রুৱাৰীলৈ)

ঙ) সত্য নহয়।

* শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে আয় ১ কোটি ৪৫ লাখ বুলি কৈছে আৰু ব্যয় ২ কোটি ৮০ লাখ বুলি কৈছে। এইটো এটা আপত্তিজনক উত্তৰ তেখেতে দিছে। এই কাৰণে মই কব খুজিছো যে, তেখেত সকলে এখন বাছৰ পৰা দেইলী ১৫০০ শ টকা ইনকাম হয় বুলি কয় আৰু যদিহে হয় তেনেহলে ৪২৫ খন যদি বাছ চলাইছে তেনেহলে ১ কোটি ৯১ লাখ টকা ইনকাম হব। কিছুমানত তেখেতে ইনকাম কম কবি দেখুৱাইছে। গুৱাহাটী দিভিজনত এম, দি আৰু দিভিজনেল চুপাবিনটেনদেণ্ট জন মাজতে আগবতলালৈ যাওতে প্রতি দিনে ৫০ হাজাব কবি টকা বাচিছিল। তেওঁলোক ৭ দিন গুৱাহাটীত নাছিল। তেওঁলোক ১২ মার্চৰ পৰা ২০ মার্চলৈকে গুৱাহাটীত নথকা কেইদিনও দৈনিক ৩০০ হাজাব কবি টকা বাচিছিল। এইদবে দিনে ৩০ হাজাব কবি টকা বাচিলে মাহেকত ৯ লাখ টকা বেচি হয়। এইটো গুৱাহাটী পণ্টন বজাব দিভিজনব কথা। গোটেই অসমতে কেইবাটাও দিভিজন আছে যেনে : তিনচুকীয়া, যোৱহাট, চিলচৰ, গুৱাহাটী, বডাইগাও, তেজপুব আৰু নর্থ লক্ষিমপুব। তেনেহলে কিমান টকা বেচি আয় হলহেতেন ? গুৱাহাটী পণ্টন বজাব দিভিজনতে মাহে ৯ লাখ কবি বছৰত ১০৮ লাখ টকা বাচিব। মন্ত্রী মহোদয়ে এম, দি আৰু দিভিজনেল চুপাবিনটেনদেণ্টক তেখেতব কলেকটিং এজেণ্ট হিচাবে বাখিছে নেকি ?

* শ্রীশিৱশম্ভু ওজা (মন্ত্রী, পবিবহন) : অধ্যক্ষ মহোদয়, তেওঁলোক এ এচ, টি চিব হে কলেকটিং এজেণ্ট মোব নহয়।

মাননীয় অধ্যক্ষ : এইটো এটা বেলেগ প্রশ্ন।

★ Speech not corrected

শ্রীঅতুল বৰা : অধ্যক্ষ মহোদয়, আজি এ, এচ, টি, চি বন্ধ হবলগা অৱস্থা হৈছে। তেখেতে গাড়ীৰ বদি বিগৰত বনাবলৈ দিছেনেকি ? ভলটাচ আৰু ভেলচীয়া মন্ত্রী মহোদয়ৰ নিজৰ নহয় নেকি ?

*শ্রীশিৱশম্ভু ওজা (মন্ত্রী, পৰিবহন) : অধ্যক্ষ মহোদয়, বাজ্যিক পৰিবহন নিগম এটা অটনমাচ বাদ। তাত বৰ্দ আছে আৰু বদি কত বনাব এইটো বৰ্দে দিচাইদ কৰে।

*শ্রীঅতুল বৰা : অধ্যক্ষ মহোদয়, এই দুটা কোম্পানীক বদি বনাবলৈ দিয়া হৈছে কিন্তু গুৱাহাটীতে অসমীয়া যুৱকৰ বদি বিল্ডাৰচ আছে তাত বনাবলৈ দিয়া নাই। এই কোম্পানী দুটাৰ লগত মন্ত্রী মহোদয়ৰ কি সম্পর্ক আছে ?

*শ্রীশিৱশম্ভু ওজা (মন্ত্রী, পৰিবহন) : অধ্যক্ষ মহোদয়, গাড়ীৰ বদি বনাবলৈ এ. এচ, টি, চিৰ এম, দিয়ে দিছে মই দিয়া নাই।

শ্রীৰ মন্দ্র বাৰায়ন কলিগ : অধ্যক্ষ মহোদয়, অসম বাজ্যিক পৰিবহন নিগমৰ আয়তকৈ ব্যয় বেছি হোৱাৰ কাৰণ কি ? এই ব্যয় কমাৰৰ কাৰণে মন্ত্রী মহোদয়ে কি ব্যৱস্থা লৈছে ?

*শ্রীশিৱশম্ভু ওজা (মন্ত্রী, পৰিবহন) : অধ্যক্ষ মহোদয়, ব্যয় বেচি হৈছে Credit goes to previous Government এমপ্লইমেণ্ট বেছি হোৱাৰ কাৰণে ঘাটি হৈছে।

*শ্রীহিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, আপোনাৰ বিভাগৰ পৰা এখন চাৰ্কুলাৰ দিছে নেকি যে ৫০০ মিটাৰত বাচৰ টিকট বিক্রি কৰিব নোৱাৰে—প্রাইভেট বাচ বিলাকক টৰিষ্ট বাচ হিচাবে পাৰমিট দিয়া হয়। এই প্রাইভেট বাচ বিলাকৰ টিকেটৰ কাউণ্টাৰ ৫০০ মিটাৰ দূৰত ৰাখিব লাগে নহলে আমাৰ বাজহ হ্রাস হব। এতিয়া যিটো চাৰ্কুলাৰ দিয়া হৈছে সেইটোৰ কোনো একচন হোৱা নাই। টৰিষ্ট এট্রেকচন থকা ঠাইতহে এই বাচবিলাকৰ পাৰমিট দিব লাগে।

শ্রীশিৱশম্ভু ওজা (মন্ত্রী, পৰিবহন) : অধ্যক্ষ মহোদয়, এই সম্পর্কে আমাৰ বাজ্যিক পৰিবহন নিগম আছে তেওঁলোকে চাব।

★Speech not corrected

*শ্রীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, অসম আৰু পশ্চিমবঙ্গৰ মাজত গাড়ী চলাচল কৰাৰ কিবা চুক্তি আছেনেকি ? বঙাইগাওঁ, ধুবুৰীৰ পৰা যিবিলাক গাড়ী যায় সেই গাড়ী বিলাক বাটতে বেয়া হৈ পৰি থাকে আনহাতে ধুবুৰীৰ পৰা কলিকতালৈ প্ৰাইভেট বাচ চলাই তেওঁলোক লাভৱান হৈছে। গতিকে আমাৰ চৰকাৰে পৰিবহন নিগমৰ বাচ বিলাক উন্নীত কৰি চলোৱাৰ ব্যৱস্থা কৰিবনে ?

*শ্রীশিৱশম্ভু ওজা (মন্ত্রী, পৰিবহন) : অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন হোৱা হলে ভাল আছিল।

* শ্রীমতী বেণুপমা বাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মই পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰ্তমান অসমৰ সকলো গ্রাম্য অঞ্চল সামৰি পৰিবহন নিগমৰ বাছ সেৱা চলাই আছেনেকি ?

* শ্রীশিৱশম্ভু ওজা, (পৰিবহন মন্ত্রী) : অধ্যক্ষ মহোদয়, বাজ্যিক পৰিবহন নিগমৰ বাছ সেৱা গাৱঁলৈ চলি আছে— ধেমাজী, ডুমডুমা সকলোলৈকে চলি আছে।

* শ্রীঅতুল ৰবা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে নিগমৰ আয় দেখুৱাইছে মাহে ১ কোটি ৪৫ লাখ আৰু ব্যয় দেখুৱাইছে ২ কোটি ৮০ লাখ টকা। ইয়াত ড্রাইভাৰ হেণ্ডিমেনৰ খৰচ দেখুৱা নাই। এখন বাছে মাহ ২৫-৩০ হেজাৰ টকা ইনকম কৰে। ইয়াত কমকৈ দেখুৱা হৈছে। ২ নং কথা হৈছে— অ'জি আমাৰ বাজ্যৰ পৰা আগৰতলালৈ বাছ সেৱা মুকলি কৰিছে। আনহাতে বাজ্যখনৰ ভিতৰত ইখন জিলাৰ পৰা সিখন জিলালৈ থকা বাছ নিগমে বন্ধ কৰিছে, বা বন্ধ হৈ আছে। আনহাতে মন্ত্রী মহোদয়ে কংগ্রেছ আই দলৰ বিভিন্ন সমাবেশলৈ মানুহ অনা-নিয়াৰ কাৰণে পৰিবহন নিগমৰ বাছ ব্যৱহাৰ কৰিবলৈ নির্দ্দেশ দিয়ে কিন্তু ইয়াৰ কাৰণে দলে নিগমক পইচা নিদিয়ে। নিগমৰ লোকচানৰ ইও এটা কাৰণ। মন্ত্রী মহোদয়ে নিগমৰ বাছৰ বডি বিহাৰত নির্ম্মাণ কৰিবলৈ দিছে ইয়াত থলুৱা নির্ম্মাণ কাৰখানা থকা স্বত্তেও।

* শ্রীশিৱশম্ভু ওজা, (মন্ত্রী পৰিবহন) : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক জনাও যে বিহাৰত বডি নির্ম্মাণৰ কাৰণে মই অর্ডাৰ দিয়া নাই। পৰিবহন নিগম এটা অট'নমাচ বডি, কি কৰিব লাগে সেই বিষয়ে তেওলোকে নিজে সিদ্ধান্ত লয়।

★Speech not corrected

বিষয় ঃ পৰিবহন নিগমৰ কাৰ্য্যালয়।

শ্রীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

*২০২। মাননীয় পৰিবহন বিভাগৰ মন্ত্রীমহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) কাছাৰ জিলাৰ দুয়াৰবণ্ডত পৰিবহন নিগমৰ কাৰ্য্যালয় আছে নেকি ?

খ) যদি আছে, তেনেহলে কাৰ্য্যালয়টো কোন চনত স্থাপিত হৈছিল ?

গ) শিলচৰৰ পৰা লোহাৰবণ্ডলৈ দুয়াৰবণ্ড হৈ পৰিবহন নিগমৰ বাছ চলে নেকি ?

শ্রীশিৱশম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়, আছে।

খ) ইং ১৯৬২ চনত স্থাপিত হৈছিল।

গ) সচল বাহৰ অভাৱত বৰ্ত্তমান বন্ধ হৈ আছে।

শ্রীপৰিমল শুক্লবৈদ্য ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে দুয়াৰবন্দত পৰিবহন নিগমৰ কাৰ্য্যালয় আছে আৰু ১৯৬২ চনতে ইয়াক স্থাপন কৰা হৈছে— মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই অফিচটোত কাম-কাজ চলোৱাৰ ষ্টাফ কিমান আছে এই অফিচটোত ?

* শ্রীশিৱশম্ভু ওজা, (পৰিবহন মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, তাত বাছৰ সংখ্যা বৃদ্ধি নোহোৱাৰ কাৰণে, ষ্টাফ কম আছে। বাছ এতিয়া শিলচৰ-ৰামকৃষ্ণ নগৰ আৰু শিলচৰ ঊদাৰবন্দ পথত চলে।

শ্রীপৰিমল শুক্লবৈদ্য ঃ অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাবনে যে ১৯৬২ চনৰ পৰা এতিয়ালৈকে নিগমে কিমান নতুন বাছ কিনিছে ?

* শ্রীশিৱশম্ভু ওজা, (পৰিবহন মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ১৯৬২ চনৰ পৰা এতিয়ালৈকে কিমান নতুন বাছ কিনা হৈছে সেই তথ্য বৰ্তমান মোৰ হাতত নাই।

শ্রীপৰিমল শুক্লবৈদ্য ঃ অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ হাতত কিমান দিনৰ হিচাব আছে মোৰ 'গ' প্রশ্নৰ উত্তৰত মন্ত্রীয়ে কৈছে যে সচল বাহৰ অভাৱত বাহ বন্ধ হৈ আছে। শিলচৰত বৰ্তমান কিমান সচল বাহ আছে আৰু গোটেই অসমত বৰ্তমান কিমানখন সচল বাহ আছে জনাবনে ?

★Speech not corrected

* শিবশম্ভু ওজা, (পবিবহন মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো উত্তৰ বর্তমান মোৰ হাতত নাই। ইয়াৰ কাৰণে এটা সুকীয়া প্রশ্ন লাগে।

শ্রীপবিমল শুক্লবৈদ্য : অধ্যক্ষ মহাদয়, 'গ' প্রশ্নৰ উত্তৰত মন্ত্রীয়ে যিটো কৈছে এইটো তাৰ লগৰ সংলগ্ন প্রশ্ন— মন্ত্রীয়ে সদনক মিচলিড কবিছে।

মাননীয় অধ্যক্ষ ; তেখেতে সদনক মিচলিড কৰা নাই। মন্ত্রীয়ে তাত এখন বাছ দিয়াৰ ব্যৱস্থা কৰক।

* শ্রীশিবশম্ভু ওজা, (পবিবহন মন্ত্রী) : অধ্যক্ষ মহোদয়, আমাৰ নিগমৰ বর্তমান ৬৪ খন নতুন গাড়ী সাজি থকা হৈছে আৰু ইয়াৰে ১০ খন নতুন বাছ ৰবাক ভেলিত দিয়া হব।

বিষয় : জি এন এমৰ সংখ্যা

শ্রীনিজামুদ্দিন খানে সুধিছে :

* ২০৩। মাননীয় স্বাস্থ্য ও পবিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ?

(ক) চৰকাৰী হচ্‌পিটাল সমূহত জি এন্ এমৰ (Staff Nurses) সংখ্যা কিমান।

(খ) হচ্‌পিটাল সমূহত উক্ত নার্চ সকলৰ দ্বাৰা চাহিদা পুৰণ হয় নে ?

(গ) যদি নহয়, চাহিদা অনুযায়ী নার্চ নিযুক্তিৰ ব্যবস্থা কবিবনে ?

ডাঃ ভূমিৰ বর্ম্মণ স্বাস্থ্য ও পবিয়াল কল্যান বিভাগৰ মন্ত্রীয়ে উত্তৰ দিব।

(ক) মুঠ জি এন্ এম্ (Staff Nurses) ৰ সংখ্যা ১৪৮৫ গৰাকী।

(খ) বর্ত্তমানে চাহিদা সম্পূর্ণ ভাবে পুৰণ হোৱা নাই।

(গ) কৰাৰ প্রচেষ্টা চলোৱা হৈছে।

* শ্রীনিজামুদ্দিন খান : মাননীয়, অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে 'ক' প্রশ্নৰ উত্তৰত কৈছে যে মুঠ ১৪৮৫ গৰাকী জি, এন, এম আছে। মই জানিব বিচাৰিছো যে এনে প্রশিক্ষণ কেন্দ্র অসমত কেইটা আছে আৰু প্রতি বছৰে কিমান গৰাকী নাৰ্চক ইয়াত প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে ?

*Speech not corrected

* ডাঃ ভূমধিৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কেইটা চেণ্টাৰ আছে সেই তথ্য বৰ্ত্তমান মোৰ হাতত নাই। প্ৰশিক্ষণ দি থকা হৈছে। বৰ্ত্তমান আমাৰ প্ৰশিক্ষণ কেন্দ্ৰ কম আছে, সেইখিনি বঢ়োৱাৰ বাবে ব্যৱস্থা কৰি থকা হৈছে।

* শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিলে কিমানটা প্ৰশিক্ষণ কেন্দ্ৰ আছে আৰু কিমান গৰাকীক প্ৰতি বছৰে প্ৰশিক্ষণ দিয়া হয় এইটো স্পেচিফিক প্ৰশ্নৰ স্পেচিফিক উত্তৰ লাগে।

* ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বৰ্ত্তমান মোৰ হাতত তথ্য নাই। আমাৰ ভালেকেইটা ট্ৰেইনিং চেণ্টাৰ আছে।

* শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, অনমত কেইটা চেণ্টাৰ চলি আছে মই সেইটো জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয় ঃ আপুনি সেইটো তেখেতক জনাই দিব।

* শ্ৰীনিজামুদ্দিন খান ঃ অধ্যক্ষ মহোদয়, নাৰ্চ সকলক প্ৰশিক্ষনৰ কালত এটা বানচ দিয়াৰ যিটো ব্যৱস্থা আছিল, সেইটো এতিয়া বন্ধ হৈ আছে। কিয় বন্ধ হৈ আছে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই টকাটো ভাৰত চৰকাৰৰ পৰা আহে। এই টকাটো অহাত পলম হলে কেতিয়াবা বন্ধ থাকে, তেওঁলোকে সেই বিলাক পাব। তথাপি অসম মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজ, ধুবুৰী চিভিল হস্পিতাল, যোৰহাট চিভিল হস্পিতাল, লক্ষীমপুৰ চিভিল হস্পিতাল, গোলাঘাট চিভিল হস্পিতাল, তেজপুৰ চিভিল হাস্পিতালত বৰ্ত্তমান এইটো চলি আছে।

* শ্ৰীনিজামুদ্দিন খান ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি কেইটা নাম কৈছে তাত চলি আছে, বাকী বিলাকতো দিয়াৰ ব্যৱস্থা কৰিব লাগে। ২ নম্বৰ কথা ডাক্তৰ সকলৰ কোৱাৰ্টাৰ থাকে কিন্তু নাৰ্চ সকলৰ বাবে কোৱাৰ্টাৰ নাথাকে আৰু তেওঁলোকৰ ইনকমো যথেষ্ট কম। তেওঁলোকে চাকৰীলৈ অহাযোৱা কৰোতে বহুত খৰচ কৰিব লগীয়া হয়। তেওঁলোকক চাকৰিলৈ অনা-নিয়া কৰিবলৈ পৰিবহনৰ কিবা ব্যৱস্থা কৰিব নেকি ?

* ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিলাক পৰ্য্যায় ক্ৰমে কৰাৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। বিশ্ব বেংকৰ পৰাও এই বিলাক কৰাৰ বাবে কোৱা

*Speech not corrected

হৈছে। নার্চ সকলৰ বাবে ঘৰ-দুৱাৰ জলপানী, শিক্ষক শিক্ষয়িত্রী আদি দিয়াৰ বাবে আমি চেষ্টা কৰি আছো। তেওঁলোকক কোৱাৰ্টাৰ দিয়া প্রয়োজন। বৰ্ত্তমান অসম মেডিকেল কলেজত এনে কোৱাৰ্টাৰৰ ব্যৱস্থা আছে। গুৱাহাটী মেডিকেল কলেজত দিব পৰা নাই। কোৱাৰ্টাৰ সাজি থকা হৈছে তাত পানী যোগান আৰু বিজুলী যোগানৰ সংযোগ হলেই দিব পৰা হ'ব।

* Shri Sararendranath Sen : May I know whether there is shortage of staff nurse in Silchar Medical College ? If so, what action Govt. propose to take ?

* ডাঃ ভুমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, চৰ্টেজ আছে। সেই চৰ্টেজ পূৰাবৰ কাৰণে টেইনিং ৰটোৱাৰ ব্যৱস্থা কৰা হৈছে। টেইনিং সম্পূৰ্ণ হলেই সেই চৰ্টেজ মাৰিব পৰা যাব।

* শ্রীনকুল দাস : অধ্যক্ষ মহোদয়, জি. এন, এম আৰু ষ্টাফ নার্চ ৰ প্রশিক্ষণৰ ক্ষেত্রত জিলা ভিত্তিত দিয়াৰ ব্যৱস্থা কৰিছে নে কি ভিত্তিত কৰিছে ?

* ডাঃ ভুমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, সকলো বিলাক জিলাক কভাৰ কৰি দিয়া হৈছে। তাৰোপৰি পপুলেচন পেটাৰ্নৰ কথাও আছে। মুঠতে গভমেণ্টৰ আইন মতে কৰা হৈছে।

* শ্রীআল্লউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, আজিকালি বিভিন্ন প্রাইভেট হস্পিটেলত নার্ছিং হোমত নার্ছক প্রশিক্ষণ দিয়া হয় আৰু তেওঁলোকে তাত ষ্টাইফণ্ড পাই আছে। মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেওঁলোকে কেনেকৈ পাই আছে।

* ডাঃ ভুমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, প্রাইভেট অনুষ্ঠান বিলাকত প্রশিক্ষণ দি আছে হয়, আমৰ বিকমেণ্ডেচন লৈ তেওঁলোকে প্রশিক্ষণ দিয়ে। ষ্টাইফেণ্ডৰ কথা টো প্রাইভেট অনুষ্ঠান বিলাকত তেওঁলোকৰ আয়ৰ পৰা দি থাকে আৰু কিছুমানত মাইনবিটি বোৰ্ডৰ পৰাও দিয়ে।

* শ্রীআল্লউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, বাজ্যখনৰ প্রাইভেট অনুষ্ঠান বিলাকত কিমান সংখ্যক নার্চক প্রশিক্ষন দি আছে ?

* ডাঃ ভুমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, প্রাইভেট অনুষ্ঠানত কিমানক প্রশিক্ষন দি থকা হৈছে তাৰ হিচাপ আমাৰ হাতত নাথাকে। মই জনাত বহুখিনিক প্রশিক্ষন দি আছে।

★ Speech not corrected

* শ্রীরবেন্দ্র নারায়ণ কলিতা : অধ্যক্ষ মহোদয়, গুৱাহাটী মেডিকেল কলেজত প্রয়োজনীয় নার্ছ নথকাৰ বাবে তাৰ ৰোগী সকলৰ বৰ দুৰবস্থা হৈছে। তাত প্রয়োজনীয় নার্ছ দিয়াৰ ব্যৱস্থা কৰিব নেকি ? গুৱাহাটী মেডিকেল কলেজত নার্ছৰ ধর্ম্মঘট চলি আছে, তাৰ ওপৰত কি ব্যৱস্থা লৈছে ?

* ডাঃ ভুমিধৰ বর্ম্মন : (মন্ত্রী) : অধ্যক্ষ মহোদয়, গুৱাহাটী মেডিকেল কলেজতেই নহয়, আন বহুতো হস্পিতেলত চর্টেজ আছে। এই চর্টেজ পুৰাবৰ বাবে আমি টেইনিঙৰ ব্যৱস্থা কৰি আছো। টেইনিং পাচ কৰি আহিলেই তামি নিযুক্তি দি চর্টেজ পুৰা কৰিম।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, জি, এন, এম, প্রশিক্ষনৰ কাৰণে যি প্রশিক্ষা কেন্দ্র খোলাৰ ব্যৱস্থা কৰিছে, সেইবিলাক কোন কোন জিলাত খোলা হ'ব। আৰু প্রশিক্ষনৰ বাবে কি ভিত্তিত চিলেকচন কৰা হ'ব।

* ডাঃ ভুমিধৰ বর্ম্মন (মন্ত্রী) অধ্যক্ষ মহোদয়, সকলোবিলাক জিলাতে পর্য্যায়ক্রমে খোলাৰ ব্যৱস্থা কৰা হ'ব। চিলেকচনৰ ক্ষেত্রত পি, ইউ, পাচ হব লগে তাৰো পৰি পপুলেচন পেটানৰ কথা আছে, চৰ এৰিয়াৰ কথা আছে, পিচ পৰা অঞ্চলৰ কথা আছে অর্থাৎ সকলো বিলাক সামৰি, সকলোকে প্রতিনিধিত্ব কৰিব পৰাকৈ চিলেকচন কৰা হ'ব।

* শ্রীচিত্তেন্দ্র নাথ মজুমদার : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্য বিভাগের মন্ত্রী মহোদয় জানাবেন কি যে হাইলাকান্দি জেলায় যে নার্চ ট্রেনিং সেন্টার আছে সেখানে ৩০ জনকে ট্রেনিং দেওয়ার ব্যবস্থা থাকা স্বত্বেও ৮০ জনকে ট্রেনিং দেবার ব্যবস্থা কেন করা হয়েছে ? তাছাড়া সেখানে যে নার্চ হোষ্টেল আছে সেখানো তাদের থাকার কেন কোন ব্যবস্থা নেই ?

* শ্রীভুমিধর বর্ম্মণ (মন্ত্রী) : এর খবর বর্তমানে আমার কাছে নেই। পরে আমি এ ব্যাপারে খোঁজ নিয়ে দেখবো।

Sub : Makhibaha PHC

Dr. Krishna Kt. Lahkar, asked :

* 204. Will the Minister of Health be pleased to State.

(a) Whether there is a half done P. H. C. at Makhibaha ?

(b) If so, in what condition it is remaining.

(c) Is it also a fact that walls of the P. H. C. Collapsed before construction of the work.

Dr. Bhumidhar Barman ; (Minister of Health & Family Welfare) replied

★ Speech not corrected

a) Yes.

d) The P. H. C. building and Doctors/Staff quarters are in different stage of construction.

c) No

*Dr. Krishna Kanta Lahkar : When it was Sanctioned ?

*ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো শ্রীপবীন্দ্র ডেকা মন্ত্রী থাকোতেই আৰম্ভ কৰা হৈছিল । ইং ২৫।৭।৮৯ চনত চেংচন কৰা হৈছিল । তাৰ পিচত কাম বন্ধ হৈ আছিল । আমি এতিয়া আকৌ কাম আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিছো আৰু পি, ডব্লিউ, ডি বিভাগকো অনুৰোধ কৰিছো খৰতকীয়াভাবে কাম শেষ কৰিবলৈ । তাত মই নিজেও গৈ চাই আহিছো ।

*ডা. কৃষ্ণকান্ত লহকৰ : অধ্যক্ষ মহোদয়, এইটো সচানেকি যে ঘৰ বান্ধি থকা অৱস্থাত ওৱাল ভাগি মানুহ মৰিব খুজিছিল ।

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো আগৰ কথা । আমাৰ দিনৰ কথা নহয় । এইটো খৰৰ পাইছিলো যে মাজে মাজে ওৱাল 'ট্রেক' হৈছিল ।

*ডাঃ কৃষ্ণকান্ত লহকৰ : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত ঠিকাদাৰৰ ওপৰত কিবা একচন লৈছেনেকি ?

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো আমৰ কথা নহয় । এইটো পি, ডব্লিউ, ডিয়ে কৰে । আমি তেওঁলোকক জনাইছো ।

*ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই পি, এইচ, চি খনৰ আধাৰশিলা কোন তাৰিখত কৰা হৈছিল আৰু তাৰ ওৱাল ক্রেক কেতিয়া হৈছিল ?

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই কামটো আমাৰ দিনত হোৱা নাই মই তাৰিখ কব নোৱাৰিম ।

*ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, তেতিয়াহলে স্বাস্থ্য মন্ত্রী মহোদয়ে কিহৰ ভিত্তিত কলে যে, ডাঃ কলিতা মন্ত্রী হৈ থাকোতে হৈছিল ? আপুনি এই কথাটো উঠাই লওঁক ।

ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই কামটো আমাৰ দিনত হোৱা নাই মই এইটো জানো ।

★Speech not corrected

*ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, কিন্তু কলিতাৰ দিনত হৈছে বুলি কেনেকৈ জানিলে ? যদি তেখেতৰ হাতত তথ্য নাই । আপুনি কলিতাৰ দিনত হোৱা বুলি কোৱা কথাটো উঠাই লওঁক ।

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই বাৰু তেখেতৰ দিনত হোৱা কথাটো উঠাই লৈছো ।

*ডাঃ কৃষ্ণ কান্ত লহকৰ : অধ্যক্ষ মহোদয়, তেতিয়াহলে কাৰ দিনত হৈছিল ? সেই অঞ্চলৰ বহুতবিলাক মানুহে মোক এইটো ছয় বছৰ মান আগতে হৈছিল বুলি । যাৰ দিনতে নহওঁক । কিন্তু তেতিয়াৰ পৰা কামটো বন্ধ হৈ আছে । বহুত লিখা-লিখি হোৱাৰ পিছতো ব্যৱস্থা হাতত নললে । এতিয়া এই বিষয়ে ব্যৱস্থা হাতত লবনে ?

*ডা. ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো উদ্বেগ প্ৰকাশ কৰিছে । সেই বিষয়ে মই কওঁ । আজি কিছুদিন আগতে তাত এখন মিটিং হৈছিল । বৰ্তমানৰ তাৰ এম, এল, এ ডাঃ কলিতা আৰু আগৰ এম,এল,এ শ্ৰী পবিন ডেকা ডাঙৰীয়াও উপস্থিত আছিল । আমি বৰ্তমান তাৰ কাম আৰম্ভ কৰিবলৈ দিছো ।

*শ্ৰীমহিবুল হ'ক : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিবলৈ বিচাৰো গৌৰীপুৰ সমষ্টিত পি এইচ ইৰ ঘৰ নিৰ্মাণ কৰা সম্পূৰ্ণ হৈছে । তাত এই পি এইচ ই খনৰ খুব দৰকাৰ । এতিয়া কথা হৈছে এই পি এইচ ই খন কোনকালে ওপেনিং কৰাৰ ব্যৱস্থা লবনে ?

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদিও এইটো এই প্ৰশ্নৰ লগত নাহে । তথাপি মই কৈছো মাননীয় সদস্য গৰাকীয়ে কোৱা মতে যদি তাত বিল্ডিং সম্পূৰ্ণ হৈছে তেতিয়াহলে তাত পোষ্ট চেংচন কৰাৰ বাবে প্লেনিং ডিপাৰ্টমেণ্ট আৰু ফাইনান্স ডিপাৰ্টমেণ্টলৈ লিখিব । আৰু যদি তাত অতি দৰকাৰ তেতিয়াহলে তাত বেলেগৰ পৰা ডাক্তৰ আৰু অন্য কৰ্মচাৰী আনি ওপেনিং কৰাৰ ব্যৱস্থা কৰা হব ।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, অকল গৌৰীপুৰতে নহয় গোটেই অসমতে বহুত পি এইচ ই বিল্ডিং সম্পূৰ্ণ হৈ আছে । গতিকে যিবিলাকত বিল্ডিং সম্পূৰ্ণ হৈছে সেই গোটেই বিলাকতে উদ্বোধন কৰাৰ ব্যৱস্থা কৰিব লাগে ।

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিবিলাক বিল্ডিং সম্পূৰ্ণ হৈছে সেইবিলাক ওপেনিং কৰাৰ ব্যৱস্থা কৰা হব ।

★Speech not corrected

*ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, অসমত বহুত বিসাক প্রাথমিক চিকিৎসালয় এতিয়াও কনষ্ট্রাকছন সম্পূর্ণ হোৱা নাই। আজি ৪/৫ বছৰ কাম বন্ধ হৈ আছে বা খুব ধীৰ গতিত কাম চলিছে এইবিলাক সম্পূর্ণ কৰাৰ ব্যৱস্থা লবনে ?

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, যিবিলাকৰ কাম আধকৰা হৈ আছে সেইবিলাকৰ কাম সম্পূর্ণ কৰাত আমি গুৰুত্বৰ দিছো। কিন্তু আমাৰ টকা সীমিত। আগৰ চৰকাৰৰ দিনত ইমানবিলাক ঘৰৰ কাম অলপ অলপ আৰম্ভ কৰিছিল। এতিয়া আমি সেইবিলাক সম্পূর্ণ কৰি যাবলগীয়া হৈছে। আমি নতুনকৈ দিবই পৰা নাই। সেই কাৰণে আমি গালিও থাবলগীয়া হৈছে। প্রাথমিক চিকিৎসালয়ৰ বাবে ওৱাৰ্ল্ড বেংকৰ পৰা টকা অহাৰ কথা আছে। আমি ৱৰাৰ্ল্ড বেংকক অনুৰোধ কৰিছো যাতে সেই টকা এই কামত খৰচ কৰাৰ বাবে দিয়ে। তেখেতসকলে মৌখিকভাৱে কৈছে কিন্তু লিখিত ভাৱে দিলে কৰিব পৰা যাব।

*শ্রীমতী ৰূপম কুমাৰী : মাননীয় অধ্যক্ষ মহোদয়, মৰিয়নিৰ ৩০ খন বিচনাযুক্ত হস্পিটালখন আজি ৩/৪ বছৰ আগতে ঘৰ সম্পূর্ণ হৈ আছে। যোৱা আগষ্ট মাহত মুকলি কৰাৰ কথা আছিল। তাৰ কাৰণে গোটেই প্রস্তুতিও চলোৱা হৈছিল। কিন্তু ১৪ তাৰিখে মই উপায়ুক্তক লগ ধৰিছো। তেতিয়া ৰাতি ১১ বাজিছিল। ঘৰ সম্পূর্ণ হৈছে। কিন্তু তাত ইলেক্ট্রিফিকেছন হোৱা নাই। মই এছ ডি অ'ৰ লগতো কথা হৈছো। ইলা ষ্ট্রুফিকেছন কৰাৰ কাৰণে মাত্র ১ লাখ ২০ হাজাৰ টকা দিলে এতিয়া সেই কাম হৈ যায়। মই যে বাবা বা এই কথাটো উল্লেখ কৰিছিলো। হস্পিটালখনত ডক্টৰো দিয়া হৈছে। নাৰ্চ, আৰু চতুর্থ শ্রেণীৰ কর্মচাৰীও নিযুক্তি দিয়া হৈছে। সেই কাৰণে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো তেখেতে যাতে এই হস্পিটালখন অতি শীঘ্রে মুকলি কৰাৰ ব্যৱস্থা কৰিব লাগে। মন্ত্রী মহোদয়ক মই ধন্যবাদ জনাইছো তেখেতে চেলেং ঘাটত ইতিমধ্যে এজন ডাক্তৰ নিযুক্তি দিছে। ডাক্তৰ নিযুক্তি দিছে যদিও ডাক্তৰ থাকিবলৈ ঘৰ নাই। গতিকে তাত সোনকালে ডাক্তৰ থকাৰ বাবে ঘৰ সাজি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইবিনি কৰি দিয়াৰ বাবে অনুৰোধ জনাই মই মোৰ ৰবলগীয়া সামৰিলো।

*শ্রীমতী বেণু পমা বাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো টিয়কৰ যিখন ৩০ খন বিচনাযুক্ত হস্পিতাল সেইখনৰ আজি

★Speech not corrected

বহু বছৰ হ'ল ঘৰটো সম্পূৰ্ণ হৈ আছে। প্ৰায় ১০ লাখ টকা দিলে বাকী সকলো কাম সম্পূৰ্ণ হয়। যোৰহাট প্লেনিং মিটিংত তাৰ কাৰণে ১০ লাখ টকা দিছেও। গড় কাপ্তানী মন্ত্ৰী প্লেনিংৰ চেয়াৰমেনো। কিন্তু এতিয়ালৈ সেই গ্ৰাম্য চিকিৎসালয়খনৰ কামখিনি হোৱা নাই। গতিকে সোনকালে তাত পানী যোগান আৰু লাইটৰ ব্যৱস্থা কৰি হস্পিটালখন মৰিয়নি হস্পিটলখনৰ লগতে একেলগে উদ্ঘাধন কৰাৰ ব্যৱস্থা কৰিব লাগে। এইটো মুকলি কৰাৰ ব্যৱস্থা কৰিবনে?

*ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যোৰহাট জিলা বুলিয়ে কৈছো। মৰিয়নি আৰু টিয়কৰ চিকিৎসালয়ৰ কৰণে আমি গড় কাপ্তানি বিভাগক টকা দিছো। তাৰ পৰাই তেওঁলোকে বিপিয়াবো কৰিব লাগে আৰু ইলেক্ট্ৰিফিকেছনৰ ব্যৱস্থা কৰিব লাগে। পি ডব্লিউ ডি বিভাগৰ এটা সেই বিষয়ৰ উইং আছে। সেই উইংয়ে এই কাম কৰিব লাগে। মৰিয়নিৰ গোটেইখিনি কামেই হৈছে মই জানো।

*শ্ৰীমতী বেণুপমা বাজখোৱা : অধ্যক্ষ মহোদয়, টিয়কট হোৱা নাইনেকি? ইতিমধ্যে প্লেনিং দিছে। ১০ লাখ টকা। কিন্তু এতিয়ালৈ তাৰ কাৰণে টকা পোৱা নাই গতিকে এই টকা খিনিৰে টিয়কৰ গ্ৰাম্য চিকিৎসালয়খনৰ কাম সম্পূৰ্ণ কৰি মুকলি কৰৰ ব্যৱস্থা কৰিব লাগে।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, যোৰহাট জিলাৰ অন্তি মাত্ৰ দুখন হস্পিতাল মৰিয়নি আৰু টিয়কৰ কাম সম্পূৰ্ণ কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। সেই কাৰণে এই দুখন সোনকালে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এইটো এটা খুব দৰকাৰী কথা।

*ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি জানো ইতিমধ্যে কিছুমান অঞ্চলৰ চিকিৎসালয় বিলাকৰ ঘৰ বিলাক সম্পূৰ্ণ হৈছে কিন্তু তাত ইলেক্ট্ৰিফিকেছন নোহোৱা কাৰণে আমি বহুতদিন বৈ থাকিব লগীয়া হয় আৰু কৰ্ম্মচাৰীসকলে কষ্ট ভুগিবলগীয়া হয়। সেইকাৰণে আমি যিবিলাকৰ ঘৰ সম্পূৰ্ণ হৈছে সেইবিলাক প্ৰয়োজনীয় বস্তু পাতি আৰু লাইট দিয়াৰ ব্যৱস্থা লম। যোৰহাট তা এই বিষয়ে ব্যৱস্থা লবলৈ মই গড় কাপ্তানী মন্ত্ৰীক, প্লেনিংৰ চেয়াৰমেনক অনুৰোধ কৰিম যাতে সোনকালে টকা দি এই ব্যৱস্থাখিনি লয়।

*শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, হাজোৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয়খন

★ Speech not corrected

কাম আধামান হৈ বৰ্তমান বন্ধ হৈ আছে গতিকে এই চিকিৎসালয়খন সম্পূৰ্ণ কবাৰ ব্যৱস্থা কৰিবনে ? লগতে মই মন্ত্ৰীৰ পৰা আশ্বাস দিবনেকি কেতিয়া এই কাম সম্পূৰ্ণ কৰিব ?

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই দেখিছো। এইটো আধা হৈ আছে। ইতিমধ্যে কাম সম্পূৰ্ণ কৰাৰ বাবে ছইণ্ট দি এইচ এছক কৈছো। যাতে পি দব্লিউ দিব লগত আলোচনা কবে। মই নিজেও এইটো পাবচ কৰিম।

(Starred Question No. 205, was lapsed)

Subject : Loan to Tribal people.

Shri Parameswar Brahma, asked :

* 206. Will the Minister of Welfare of Plains Tribes & Backward Classes be pleased to State :

(a) Whether the amount of loan given to Tribal individual beneficiaries of Assam Tribal Development Authority is reduced to Rs. 5,000 only ?

Shri Gomeswar Pegu, (Minister, Welfare of Plains Tribes and Backward Classes), replied ;

(a) Yes.

* Shri Parameswar Brahma : Mr. Speaker Sir, Hon'ble Minister, WPT & BC as stated in his reply just now that there is a provision of giving loans to help tribal beneficiaries, but Sir, as I know, the amount of loan is determined in the Advisory Body Meeting of the ATDA. But Sir, I am sorry to say that the said amount of Rs 10,000/ has been arbitrarily reduced to Rs. 5,000/. This amount of Rs. 5,000/- which cannot help the tribal beneficiaries to undertake meaningful business. There is a Rule in the Tribal Development Authority and it is decided in the Advisory Board Meeting. But Sir, this meeting of Advisory Board Meeting was not held and it was not discussed with the Members of the Advisory Body. Now I would like to know from the Minister how and when without passing the budget for the year

★Speech not corrected

1994-95 arbitrarily the amount is reduced from 10 thousand and 12 thousand to 5 thousand ? Whether there was any Advisory Body Meeting of the ATDA and whether this reduction of the amount of loan to Rs. Rs. 5,000/ was decided in the Advisory Board Meeting ?

31.3.95 MCS

* Shri Goneswar Pegu, (Minister, WPT & BC) : Mr. Speaker Sir, The fund to implement Family Oriented Income Generating Scheme under twenty point programme are classified under S. C. A. as per provision of article 275 (I) of the Constitution of India. In this respect, the guidelines of Government of India. Ministry of Welfere of ST are authoritative. There is no scope for taking any decision by State Government or any of its agency/authority. Contrary to the guidelines of Government of India. Hence, the reduction of Rs. 10 000/- to Rs. 5,000/- per family is in conformity with the Central Government Instruction/Guidelines.

Mr. Speaker Sir, for information of the Hon'ble Member I would like to add that Central Government has allotted Rs. 450.00 lakhs to cover 9 thousand families under the twenty point programme. We are to obey the guidelines and hence paid Rs. 5,000/- to each beneficiary.

* Shri Parameswar Brahma : Mr. Speaker Sir, if this amount of Rs. 450.00 lakhs provided by the Central Government to cover 9 thousand tribal beneficiary then it will be a mockery. It does not help anybody and no tribal people will be benefitted, by this scheme. It will remain just as a sloyan. Time and again we have discussed in the Advisory Board Meeting that the amount be raised to Rs. 30,000/- Now, I would like to know from the Hon'ble Minister whether he will take the matter with the Central Government for raising this loan amount to Rs. 30,000 instead of reducing to Rs. 5,000/-

★Speech not corrected

* শ্রীগোমেশ্বৰ পেগু (ৰাজ্যিক ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা সম্প্রদায়ৰ উন্নয়ণ মন্ত্রী) : ১০ হাজাৰ টকাকৈ ঠিক কৰিছিল। ইংৰাজীত—। দেখা গল গাইদ লাইন মতে হেজাৰ টকা দিব লাগে। কাৰণ ৪ কোটি টকা ৯ হাজাৰ মানুহক দিব লগা হয়। এই সম্পর্কত মই আগতেই কৈছো যে বিশেষ অসুবিধাৰ কাৰণে এলভাইজৰী বোড বহুবাৰ পৰা নাই। কিন্তু এটকাও লেপচ নহয়। টকা বিতৰণ কৰে এম, এল এ সকলে। মই এটকাও বিতৰণ কৰা নাই। কোন স্কুলত দিব লাগে, কোন ৰাস্তা লব লাগে, কাক কিমান টকা দিব লাগে তেওঁলোকে ঠিক কৰে। আমি গাইড লাইন মানিব লাগিব। নহলে টকাটো কাটি দিব। এইটো ঠিক যে পাচ হাজাৰ টকাৰে নোজোৰে। ভাৰত চৰকাৰক জনাইছো ২৫-৩০ হাজাৰ টকাকৈ দিব লাগে।

* শ্রীপৰমেশ্বৰ ব্রহ্ম : মন্ত্রী মহোদয়ে কৈছে যে ৩০ হাজাৰলৈ বঢাই লোৱা হব। ৪৫ কোটি টকা অতি কম। আমাৰ এ,টি,দি, এৰ কার্য্যালয় ভৱনটো আজিলৈকে হোৱা নাই। ভাড়াত বহু টকা দিব লগা হয়। এ, টি, দি, এৰ নিজাৰবীয়াকৈ সিদ্ধান্ত থকা সত্তেও বিভাগীয় মন্ত্রীয়ে কিয় ব্যৱস্থা লোৱা নাই ? এই সিদ্ধান্ত আজি হাউচত দিবনে ?

*শ্রীগোমেশ্বৰ পেগু (জনজাতি উন্নয়ন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে এইটো বেলেগে প্রশ্ন কৰিব লাগিছিল তথাপিটো মই মাননীয় সদস্য-জনৰ জ্ঞাতাৰ্থে জনাওঁ যে অলপতে আমি ৰেভিনিউ বিভাগৰ লগত মাটি পোৰাৰ কাৰণে যোগাযোগ কৰিছো। মাটিটো এলটমেণ্ট পালেই আমি কামত আগ-বাঢ়িব পাৰিম।

*শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, যত ট্রাইবেল সমষ্টি নাই তাত কেনেকৈ কৰিছে ? যত ট্রাইবেল এম, এল, এ নাই তাত এম, এল, এ সকলক কনফিডেন্সত লব নেকি ? নহলে চেক্রেটৰী, পেচিডেটকেই দায়িত্ব দিবনেকি ?

*শ্রীগোমেশ্বৰ পেগু (জনজাতি উন্নয়ন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী পক্ষৰ সদস্যজনে যিটো প্রশ্ন অৱতাৰণ কৰিছে সেই সম্পর্কত কওঁ যে প্রত্যেক ডিষ্ট্রিকতে আই, টি, ডি, পি কমিটি থাকে সেই কমিটিৰ সিধান্ত মর্মে স্কুল ঘৰৰ নির্মাণ আদি কামবোৰ কৰে।

*Speech not corrected

Mr. Speaker : Now starred question No. 207, questioner Shri Rameswar Dhanowar.

বিষয় : টকা দান কৰাৰ প্ৰস্তাৱ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

*১০৭। মাননীয় স্বাস্থ্য আৰু পৰিয়ালা কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসম চিকিৎসা মহাবিদ্যালয়ত নিউৰো চাৰজাৰী বিভাগ (ঘৰ, দুৱাৰ আৰু প্ৰয়োজনীয় যন্ত্ৰ-পাতি সহ) খুলিবলৈ কোনোবা চাই বাগিছাই এক বুজন পৰিমানৰ টকা দান কৰাৰ বিষয়ে প্ৰস্তাৱ আগবঢ়াইছিল নেকি ?

খ) যদি তেনেকুৱা কোনো প্ৰস্তাৱ আহিছিল কেতিয়া কোন চনত ?

গ) উক্ত প্ৰস্তাৱিত দানৰ বিষয়টো এতিয়া কি অৱস্থাত আছে, জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) ১১ জানুৱাৰী, ১৯৯১ চনত এই প্ৰস্তাৱ আহিছিল।

গ) বৰ্ত্তমান নিউৰো চাৰজাৰী বিভাগটো প্ৰতিষ্ঠাৰ কাম চলি আছে।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে কেতিয়া সেই চুক্তিত স্বাক্ষৰ কৰিছিল ?

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ১৯৯২ চনৰ চেপ্তেম্বৰ মাহৰ পিছিলা তাৰিখেই কোম্পানীটোৰ লগত চুক্তি স্বাক্ষৰ হৈছিল।

*শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাবনেকি যে অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰৰ নামত আৰু নতুন যন্ত্ৰপাতি কিনাৰ নামত ওৱলড হেলথ অৰগেনাইজেচনৰ পৰা টকা দিছিল নেকি ? যদি দিছিল কোন কোন শিতানত দিছিল কেতিয়া দিছিল আৰু সেই টকা সদ ব্যৱহাৰ হৈছিলনে নাই ইয়াৰ উত্তৰ দিবনেকি ?

*ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই তথ্য বৰ্ত্তমান মোৰ হাতত নাই, এইটো মই চাম।

*Speech not corrected

*শ্রীপ্রমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, এই তথ্যটো নথকাৰ কোনো কাৰণ নাই। অসম চিকিৎসা মহাবিদ্যালয়ৰ ঘষ দুৱাৰ মেৰামতিৰ কাম প্ৰাইভেট কোম্পানীয়ে কৰিছে নেকি? এইটো ওৱৰ্ল্ড হেলথ অৰ্গেনাইজেচনে কৰিছেনে নাই তাৰ উত্তৰ দিব নোৱাৰাৰ কোনো কাৰণ নাই যদি মন্ত্ৰীৰ তথ্যপাতি নাই তেতিয়াহলে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ, কৰিছো যে ওৱৰ্লড হেলথ অৰ্গেনাইজেচনে কিমান টকা দিছিল কিমান চাৱচিডি দিছিল কেতিয়া দিছিল আৰু সেইটো ভালধৰণে ইউটিলাইজেচন কৰা হলনে নাই?

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মই পিচত অনুসন্ধান কৰি জনাম।

*শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনত চুক্তি হোৱাৰ পিচত বিভাগে কি লিংকত কাম কৰিছে জনাবনে?

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই কামটো গড়-কাপ্তানী বিভাগেই কৰিব।

*ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে তেওঁলোকে যি চুক্তি কৰি গৈছে সেইটো কিবা কনডিচন আছেনেকি?

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : কনডিচন একো নাই।

Mr. Speaker : Now starred question No, 208.

বিষয় : কৰ্মচাৰী নিযুক্তি।

শ্ৰীমুনি মহন্তই সুধিছে :

*২০৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) পঞ্চায়ত নিৰ্ব্বাচনৰ পিচত নৱগঠিত পঞ্চায়ত সমূহৰ কাম কাজ পৰিচালনা কৰিবলৈ পঞ্চায়ত সমূহে ৪র্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তি দিয়া সম্পৰ্কে চৰকাৰ অৱগতনে?

খ) আজিৰ তাৰিখলৈকে উক্ত কৰ্মচাৰী সকল বৰ্ত্তমান কি অৱস্থাত আছে জনাবনে?

গ) উক্ত পদ সমূহ মঞ্জুৰী দি নিয়মিয়া কৰাৰ ব্যৱস্থা কৰা হব নে?

ডাঃ ভূমিধৰ বৰ্মন (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

★ Speech not corrected

ক) নৱগঠিত পঞ্চায়ত সমুহত নিয়মিয়া কৰ্মচাৰী নিযুক্তি দিয়াৰ ক্ষমতা পঞ্চায়ত সমুহৰ নাই। এই সম্পৰ্কত কৰ্মচাৰী নিযুক্তি নিদিয়াৰ বাৰে চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে।

খ) অৱগত নহয়।

গ) তেনে প্ৰস্তাৱ চৰকাৰৰ হাতত বৰ্ত্তমান নাই।

*শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ১২ বছৰৰ পিচত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিচত এই চলিত বিধান সভাতে মন্ত্ৰী মহোদয়ে কৈছিল যে বহু ক্ষমতা পঞ্চায়তক হস্তান্তৰ কৰা হৈছে। পঞ্চায়ত সমূহৰ কাৰ্য্যালয় নথাকিলেও ভাড়া ঘৰতে পঞ্চায়তৰ কাম-কাজ চলাই আছে। ক্ষমতা দিয়াৰ পিচত নিশ্চিত ভাৱে পতিয়ন গৈছো যে সেই কাৰ্য্যালয় বিলাক পঞ্চায়তৰ নিৰ্বাচিত সদস্য সকলৰ দ্বাৰাই ভালদৰে চলাই আছে। পঞ্চায়ত সমূহৰ কাম-কাজ পৰিচালনা কৰিবলৈ পঞ্চায়ত সমূহে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিয়োগ কৰিছে। এই কথাটো প্ৰত্যেকজন সদস্যই জানে। গতিকে সেই কৰ্মচাৰী সকলক চাকৰিত নিয়মিয়া কৰণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ? কিয়নো সেই কৰ্মচাৰী সকল পিয়ন, চকিদাৰত নিয়োজিত হৈ আছে।

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ কথাখিনিৰ অৱশ্যে যুক্তিযুক্ততা আছে। এই গোটেই কথাখিনি টকা নোহোৱাৰ কাৰণে কৰিব পৰা নাই। পইচা হলে দিম।

*ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ কৰ্মচাৰী সকলক যদি চৰকাৰে চৰকাৰীকৰণ নকৰে তেনেহলে তেওঁলোকক বৰ্ত্তমান দৰমহা দিছেনে নাই ?

* ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ যিবিলাক কৰ্মচাৰী আছে কিছু সংখ্যকে দৰমহা পোৱা নাই। এইটো চাৱলিমেণ্টৰী ডিমাণ্ডত টকা ধৰা হৈছে। (..... গণ্ডগোল .....)

(Starred Question Nos. 209 to 220 could not be taken up as the Question Hour is over. However, the replies of the said question deemed to have been laid on the table of the House.)

★Speech not corrected

Subject : Panchayat System.

Shri Kamal Brahma, asked :

*209. Will the Hon'ble Minister, Panchayat be pleased to state :

What steps has been taken up to exclude Panchayat system from Bodoland Autonomous Council ?

ANSWER.

Dr. Bhumidhar Barman, (Minister of Panchayat) replied : In response to Government of Assam's request for exclusion of Bodoland Autonomous Council area from the purview of the Assam Panchayat Act Government of India has suggested that the Areas of conflict between the two institutions created by Assam Panchayat Act, 1994 and Bodoland Autonomous Council Act, 1993 are to be resolved at the State level without resorting to the amendment of Article 243 of the Constitution.

The matter is under active consideration.

বিষয় : চিকিৎসালয়ৰ চিকিৎসা

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

* ২১০/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নাহৰকটীয়া নগৰ আৰু বাজগড়ত (ডিব্ৰুগড় জিলা) অবস্থিত আৰু নিৰ্মিত চিকিৎসালয় দুখনে কেতিয়াকৈ জনসাধাৰণৰ চিকিৎসা আৰম্ভ কৰিব ?

(খ) কেইবাবছৰ আগতেই নিৰ্মিত এই চিকিৎসালয় দুখন আজি পৰিমিত ব্যবহাৰ নকৰাত লাখ লাখ টকাৰে নিৰ্মিত চিকিৎসালয় দুখনৰ ঘৰ দুৱাৰ সমূহ ধ্বংস হবলৈ ধৰিছে এই তথ্য চৰকাৰে জানেনে ?

(গ) যদি জানে তেন্তে তাৰ প্ৰতিকাৰৰ কি ব্যৱস্থা হাতত লৈছে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাহৰকটীয়া আৰু বাজগড় ৩০ খন বিচমাযুক্ত চিকিৎসালয় দুখনৰ নিৰ্মান কাৰ্য্য সম্পুৰ্ণ হোৱাৰ পিছত আৰু গড়কাপ্তানী বিভাগে স্বাস্থ্য বিভাগক চিকিৎসালয় গৃহ হস্তান্তৰিত কৰাৰ পিছত জনসাধাৰণৰ চিকিৎসাৰ বাবে মুকলি কৰিব পৰা যাব।

(খ) চৰকাৰৰ অন্তৰ্গত নহয়।

(গ) গড়কাপ্তানী বিভাগৰ লগত যোগাযোগ কৰা হ'ব।

(Starred Question No. 211, was deferred).

Sub : A. S. T. C. Night Service.

Shri Rampyare Rabidas asked :

* 212 Will the Minister of Transport be pleased to stste :

(a) Whether the A.S.T.C. Night Service between Guwahati to Ramkirshna Nagar, Via Karimganj has been introduced as per the assurances and Commitments of the Hon'ble Minister of Transport in the Assembly on 18-3-94 and 16-9-94.

If yes, if not, why ?

(b) Will the Government take action against the appropriate authority of the ASTC for willingly delaying the matter which is a long standing genuine public demand ?

(c) Whether Govt. has sanctioned necessary fund for permanent construction of the ASTC. Office at Ramkrishna Nagar ?

(d) If yes, when, what is the amount, if not why ?

Shri Siva Sambhu Ojha (Minister of Transport) replied :

(a) Not yet introduced. The Road and bridge conditions of the route are unfit for Night Super bus

(b) Does not arise.

(c) No.

(d) No suitable land has yet been allotted for construction of A.S.T.C. office at Ramkrishna nagar.

Sub : Civil Hospital handed over to a Trust.

Shri Samarendra Nath Sen, asked :

* 113 Will the Minister of Health be pleased to state :

(a) Whether the Government has handed over the Silchar Civil Hospital to a Trust ?

(b) What are the terms and condition of such handing over ?

(c) Whether all the lands and properties of Silchar Civil Hospital has been handed over to the Trust ?

(d) If so, what are the reasons ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

(a) No.

(b) It is under preparation and consideration of the Government.

(c) No.

(d) Does not arise.

বিষয় : I.C.D.S. প্রকল্প

শ্রীভূপেন রায়ে সুধিছে :

*২১৪। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) সৃজনগ্রাম উন্নয়ন খণ্ডৰ এলেকাকলৈ ICDS প্রকল্প খোলা হৈছে নেকি ? যদি হৈছে কেতিয়া হৈছে ? ইয়াৰ সৰ্বমুঠ কেন্দ্র কিমানটা ?

খ) কেন্দ্রসমূহত সহায়েক্কীয়া আৰু কৰ্মী নিযুক্তি দিয়া হৈছেনে ? যদি হৈছে কিমানজনক দিয়া হৈছে ?

গ) ICDS আচনিটোত কিমানজন বিষয়া কৰ্মচাৰী আছে, জনাবনে ?

ঘ) কেন্দ্রসমূহত কি কি সামগ্রী যোগান ধৰা হয় জনাবনে ? সামগ্রী সমূহ কিমান দিনৰ মুৰে মুৰে কেন্দ্র সমূহত যোগান ধৰা নিয়ম জনাবনে ?

ঙ) প্রতি কেন্দ্রত আবণ্টিত সামগ্রীৰ পৰিমান কিমান কিমান অনুগ্রহ কৰি জনাবনে ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয় । ১৯৯১-৯২ চনত । মুঠ কেন্দ্র ১৪১ টা ।

খ) হয় । ১৩৯ গৰাকী অঙ্গণৱাদী কৰ্মী আৰু ১৩৯ গৰাকী সহায়িকা ।

গ) ২৯৪ জন ।

ঘ) কেন্দ্র সমূহত দিয়া সামগ্রীৰ তালিকা লগত গাঠি দিয়া হ'ল । সামগ্রী সমূহ প্রয়োজন অনুযায়ী বছৰত এবাৰ দিয়া হয় । (See the Annexure—I)

৬) বিষয়াই দিয়া তালিকা পৰীক্ষা কৰি আৰু কেন্দ্ৰ অনুযায়ী সামগ্ৰী আবণ্টিত কৰা হয় ।

Sub : Action for misappropriation.

Shri Karendra Basumatary asked :

*215. Will the Minister welfare plains Tribes & Backward Classes, be pleased to state :

(A) What action has been taken against the misappropriation of fund of Assam Plains Tribes Development Corporation (APTDC) practiced by its M.D., Mr. P.K. Das as the several times and again allegation made by the employees Association of APTDC so far ?

Shri Gomeswar Pegu (Minister WPT & BC) replied :

(A) An enquiry has been ordered by the Government to look into the various financial mismanagement of APTDC.

বিষয় : শ্বেয়াৰ কেপিটেলৰ (Share Capital) ৰ ধন ।

শ্ৰীকণী ভুষন চৌধুৰী য়ে সুধিছে :

*২১৬। মাননীয় ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক Assam State Development Corporation for O.B.C. Ltd. ক বৰ্ত্তমানলৈকে চৰকাৰে কিমান টকা Share Capital ৰ বাবদ মোকলাই দিছে ?

খ) এতিয়ালৈকে মোকলাই দিয়া সম্পূৰ্ণ Share Capital ৰ ধন Corpotarion ত জমা ৰাখিছেনে ?

গ) যদি নাই Share Capital ৰ ধন Bank ৰ পৰা উলিয়াই কৰ্ম্মচাৰী সকলৰ দৰমহাৰ বাবদ খৰছ কৰাটো সচাঁনে ?

শ্ৰীগোমেশ্বৰ পেগু (অসম ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেনীৰ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) মুঠ ১,৫৮,১৬,০০০.০০ টকা (১ কোটি আঠাৰন্ন লাখ ষোল হাজাৰ টকা) ।

খ) চৰকাৰৰ পৰা ক্ৰমাগতভাৱে প্ৰাপ্ত মূলধনৰ টকা প্ৰাপ্তিৰ লগে লগে বেংকত স্থায়ী জমা হিচাবে ৰখা হয় যদিও নিগমৰ স্থাপনাৰ বাবদ হোৱা বৰ্দ্ধিত খৰছৰ বাবে ক্ৰমান্বয়ে স্থায়ী জমা ভাঙি সাময়িক ভাৱে ঘাটি পূৰণ কৰিব লগা হৈছে ।

গ) সঁচা ।

বিষয় : I.C.D.S. কেন্দ্র।

শ্রীমিলন বড়োই সুধিছে :

*১১৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বৰপেটা জিলাত বৰ্ত্তমানলৈকে কিমানটা I.C.D.S. Project আছে আৰু উক্ত Project সমূহৰ নাম কি কি ?

খ) অন্যান্য পিছপৰা জিলা সমূহৰ দৰে বৰপেটাৰ নিচিনা পিছপৰা জিলাটো নতুনকৈ I.C.D.S. Project নোখোলাৰ কাৰণটো কি জনাবনে ?

গ) ১৯৯৫-৯৬ দ্বিতীয় বৰ্ষত বৰপেটা জিলাত কমেও ৪টা (চাৰিটা) নতুন I.C.D.S. Project খুলি জিলাখনক সমাজ কল্যাণ বিভাগে ইমান বছৰে বঞ্চিত কৰি অহা অৱস্থাটোৰ অৱসান ঘটাবনে ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) এটা ইয়াৰ নাম ছালাহ সংহত শিশু উন্নয়ন প্রকল্প।

খ) উক্ত আঁচনিখন কেন্দ্রীয় চৰকাৰৰ মঞ্জুৰী ক্রমেহে খোলা হয়।

গ) প্রস্তাৱ কেন্দ্রীয় চৰকাৰলৈ পঠোৱা হৈছে। মঞ্জুৰী পালে ইয়াৰ অৱস্থাৰ অৱসান নিশ্চয় ঘটোৱা হব।

Subject : Required number of doctors.

Shri Suren Swargiari asked :

***218. will the Minister of Health & Family welfare be pleased to State :-**

a) Wh ther there are required number of doctors in the following dispensaries under Joint Director, D. H. S., Nalbari ;

1) Mushalpur 30 Bedded Hospital.
2) Barbari PHC.
3) Thomna State Dispensary.
4) Athiabari State Dispensary.
5) Pamuapathar State Dispensary.
6.) Karemura State Dispensary.

(Please State the name of Doctors appointed against each dispensaries).

b) If there are not required number of Doctors of each dispensary then what steps Government have been taken for the appointment of Doctors for those dispensaries ?

Dr. Bhumidhar Barman (Minister, Health and Famiby Welfar) replied :

a) Except Mushalpur 30 Bedded Rural Hospital and Thomna PHC, other Health Institutions are having required number of doctors in position against sanctioned posts of Medical officers.

Detail position is given below :

1) Mushalpur
30 Bedded Rural Hospital—
1) Dr. B. N. Talukdar, Dy. Supdt.
2) Dr. B. N. Kalita, Sr. M & HO, One post of Sr. M & HO, is lying vacant.
3) Dr. P. Talukdar, M & HO-I
4) Dr. (Mrs) D. Choudhury M & HO-I.

2) Borbari PHC
1) Dr. H. C. Kakati, M & HO-I

3) Thomna PHC—
1) Dr. R. N. Sarma, M & HO-I. One post of M & HO-I is lying vacant.

4) Athiabari State—
1) Dr. L. Sarmah, M & HO-I. Dispensary.

5) Pamuapatiar SHC—
1) Dr. R. N. Bhagawati, M & HO-I.

6) Karemura State—
1) Dr. Indrajit Bharali. M & HO-I. Dispensary.

b) Doctors are being posted very shortly.

বিষয় :— মহিলা সমিতিৰ আঁচনি।

শ্ৰী জিউৰাম বড়োই সুধিছে :

* ২১৯ মাননীয় হস্তশাঁত ও বয়ন শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰে গৰীব বোৱনী আৰু মহিলা সমিতি আৰু সমবায় সমিতিলৈ নতুনকৈ কিছুমান আঁচনি যুগুত কৰাটো সচা নেকি ?

খ) যদি সচা হয় তেতিয়াহলে আচনি সমূহৰ নাম কি কি আৰু কি ধৰণে আচনি সমূহ ৰূপায়িত কৰা হৈছে আৰু হব?

গ) এই আঁ নি সমূহৰ দ্বাৰা তনুসুচীত জাতি আৰু অনুসুচীত জনজাতিৰ কি ধৰণে সামৰি লোৱা হৈছে আৰু ইতিমধ্যে এই আঁচনি সমূহ কত কত ৰূপায়িত কৰা হৈছে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীমতী অমিয়া গগৈ (ৰাজ্যিক হস্ত তাত আৰু বয়ন শিল্প বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে ঃ

ক) সচা

খ) এই আচনি সমূহৰ নাম হ'ল ঃ

1. Integrated Handloom Village Development Project.
2. Project Package Scheme.
3. Setting up of Handloom Development Centre.
4. Workshed Cum Housing Scheme.
5. Health Package Scheme.
6 Hank Yarn Price Subsidy Scheme.
7. Assistance to Handloom Weavers under Programme of Ministry of Rural Development.

a) Coverage of loomless Handloom Weavers the Integrated Rural Development programme (I. R. D. P).

b Coverage of S/C, S/T houseless handloom weavers under Indira Awas Yozana (IAY)

c) Training of handloom weavers under the scheme of for Rural Trainees youth for self employment (TRYSE)

d) Setting up common facilities of handloom weavers under Jawahar Rozgar Yozana (JRY) Assistance.

খ) (১) Integrate Handloom Village Scheme :-
এই আচনিৰ অধীনত ১০০ শিপিনীলৈ কেছা সামগ্ৰীৰ যোগান, শিপিনি গৃহ নিৰ্ম্মান, শিপিনী প্ৰশিক্ষণ, উৎপাদিত সামগ্ৰীৰ বজাৰৰ সুব্যৱস্থা আৰু বস্ত্ৰৰ গুনগত মানদণ্ড উন্নত কৰাৰ ব্যৱস্থা কৰা হয়।

খ) (২) **Project Package scheme :** এই আচনিৰ অধীনত একো একোটা অঞ্চলৰ শিপিনীলৈ কাৰিকৰী আৰু বিভিন্ন শিতানত কল্যান মূলক উন্নতি সাধন

কৰা। অনুসূচীত জনজাতিকে ধৰি অনগ্ৰসৰ অন্যান্য জনগোষ্ঠীৰ শিপিনী বিশেষকৈ মহিলা শিপিনীৰ উন্নয়ন তথা কল্যান সাধন কৰা।

খ) (৩) Setting up of Handloom Development Centre : এই আচনিৰ অধীনত শিপিনীলৈ সূতা, ৰং আদি কেচা সামগ্ৰী যোগান ধৰা, বজাৰৰ সুবিধা কৰা, শিপিনীৰ প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা একোটা কেন্দ্ৰৰ বাবে ১৫·০০ লাখ টকাৰ অনুদান আৰু ১৭·০০ লাখ টকাৰ নাৰাৰ্ড বিফাইনেঞ্চ আচনিৰ ঋণ মুঠ ২৭·০০ লাখ টকা ধাৰ্য্য কৰা আছে।

খ) (৪) Workshed Cum Housing Scheme : এই আচনিৰ অধীনত শিপিনীক শাল ৰখা কাৰখানা গৃহ আৰু শিপিনীৰ থকা ঘৰৰ ব্যৱস্থা কৰা হয়।

খ) (৫) Health Package Scheme : এই আচনিৰ অধীনত শিপিনীৰ স্বাস্থ্য ৰক্ষাৰ বাবে টি বি, মেলেৰীয়া আদিৰ বাবে চিকিৎসা সাহায্য, চছমা আৰু গৰ্ভৱতী শিপিনীক আৰ্থিক সাহায্য দিয়া হয়।

খ) (৬) Hank Yarn price Subsidy Scheme : প্ৰতি কিলো কপাহী সূতাত ১৫·০০ টকাকৈ বেহাইত শিপিনীলৈ সূতাৰ যোগান ধৰা হয়। ১৯৯৪-৯৫ চনত ১৫·০০ লাখ কেজি সূতা এই আচনিত দিয়া হব।

খ) (৭) Assistance to Handloom Weavers : শিপিনীক শাল দিয়া, গৃহ নিৰ্মান কৰা আৰু প্ৰশিক্ষণ আদি গ্ৰাম্য উন্নয়ণ কৰা হয়।

উক্ত আঁচনি সমূহ ৰূপায়ণ কৰি থকা হৈছে।

গ) অনুসূচীত জাতি আৰু অনুসূচীত জন-জাতিক উক্ত আচনি সমূহত সামৰি লোৱা হৈছে। Integrated Handloom Village Dev. ত বাহগোৱা আৰু পাটগাওঁ আদিত এশ কৈ অনুসূচীত জন-জাতিক সামৰি লোৱা হৈছে। Project Package Scheme ত লক্ষীমপুৰ, ধেমাজী আৰু শিৱসাগৰত ৪০০ আৰু ২০০ কৈ জন-জাতি শিপিনীক সামৰি লোৱা হৈছে।

ইয়াৰ উপৰিও তলত উল্লেখ কৰা Integrated Handloom Village আৰু Project Package আচনিত সাধাৰণ শ্ৰেণী শিপিনীৰ লগত অনুসূচীত জাতিৰ শিপিনীকো সামৰি লোৱা হৈছে।

ক) Integrated Handloom Village ত কুলহাটী, নামডুংগীয়া ডুলাকাষৰীয়া চিলডুবি, মলয়বাৰী আৰু বেবেজীয়া।

খ) Project Package আচনি নাহৰকটীয়া জয়পুৰ, পশ্চিম নলবাৰী, মোহনপুৰ, বেবেজীয়া আৰু ভবানীপুৰ আদি।

খ-ত উল্লেখ কৰা আচনি সমূহ জিলা ভিত্তিত ৰূপায়ণ কৰা হৈছে ।

বিষয় ঃ I. C. D. S. ব্লক।

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ২২০/ মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ছয়গাওঁ উন্নয়ন খণ্ডক I. C. D. S. ব্লক হিচাপে লোৱা সচানে ?

খ) যদি সচাঁ তেন্তে কেতিয়াৰ পৰা ইয়াৰ কার্য্যকৰী কৰা হব ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক সচাঁ ।

খ) সোনকালে কার্য্যকৰী ব্যৱস্থা লোৱা হব ।

UNSTARRED QUESTION AND ANSWERS

বিষয় ঃ হাতীগড় প্রাথমিক স্বাস্থ্যকেন্দ্র

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

৪৭০/ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ হাতীগড় চাওখাট মৌজাৰ অন্তর্গত হাতীগড় প্রাথমিক স্বাস্থ্য কেন্দ্রৰ প্রাককলনটো ৬/২/৮৮ চনতে অনুমোদন কৰা কথাটো সত্যনে ?

খ) যদি সত্য তেন্তে আৰু কিমান বছৰৰ পাছত ইয়াক কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিব পাৰিব চৰকাৰে জনাবনে ?

গ) টীয়ক সমষ্টিৰ হোলোঙাপাৰ গোহাইগাওঁ প্রাথমিক স্বাস্থ্যকেন্দ্রটোৰ পাককলন ১৯৮৮ চনতে অনুমোদন পোৱাৰ পাচতো ইয়াৰ কাম কিয় আৰম্ভ হোৱা নাই জনাবনে ?

ঘ) অসমৰ বিত্তীয় সংকটৰ বাবে এই প্রাথমিক স্বাস্থ্য কেন্দ্র সমূহ কৰিব নোৱাৰাৰ আৰু স্বাস্থ্য বিভাগৰ মন্ত্রী আৰু বিষয়াৰ অৱহেলাৰ বাবে নোহোৱাৰ কথাটো সত্যনে ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়ালকল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) সত্য নহয় ।

খ) প্রশ্ন নুঠে ।

গ) প্রয়োজনীয় পুজিৰ অভাৱত টিয়ক সমষ্টিৰ হোলোঙাপাৰ গোহাঁই গাও প্রাথমিক স্বাস্থ্য কেন্দ্রৰ নির্মানৰ কাম গড়কাপ্তানী বিভাগে আৰম্ভ কৰা নাই ।

ঘ' অসমৰ বিত্তীয় সংকটৰ বাবে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহ নিৰ্মান কৰিব নোৱাৰাটো সত্য। ই কোনো মন্ত্ৰী বা বিধয়াৰ অৱহেলাৰ বাবে নোহোৱা কথাটো সত্য নহয়।

বিষয় গাগলাছড়া ফেৰী বন্ধ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ জিজ্ঞাসা কৰছেন ঃ

৪৭১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ?

ক) হাইলাকান্দি জেলাৰ লালা-সামাৰীকোনত ৰাস্তায় গাগলাছড়া ফেৰী মাস থেকে বন্ধ থাকাৰ কাৰণ কি ?

খ) ঐ ফেৰী ঘাট কত জন, মাষ্টাৰ ৰোল তাহাদের নাম কি ?

গ) ঐ কৰ্মিজনের বৰ্ত্তমান কাজ কি ?

ঘ) ঐ ফেৰী ঘাট কবে চালু কৰা হবে ?

শ্ৰীশিৱশম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিয়েছেন ঃ

ক) উক্ত ফেৰীঘাট কখনও বন্ধ হয় নাই। বৰ্ত্তমানেও ঐ ঘাটের Mar Boat খানা মেৰামতির প্ৰয়োজন হাওয়ার জন্য একখানা Shallow Boat এবং একখানা Country Boat এর সাহার্য্যে ফেৰী চলাচল অব্যাহত ৰাখা হয়েছে।

খ) ২২ জন। কৰ্মি সকলের নাম'ক' পতাকায় সংলগ্ন কৰা হয়েছে।

গ) এই কৰ্মীবৃন্দকে ৰাস্তা, ষ্টীম আদি দেখা শোনা এবং নাও আদি চালানের জন্য ৰাখা হয়েছে।

ঘ) প্ৰশ্ন উঠেনা। Mar Boat খানা মেৰামতির পরে পার ঘাটে ব্যৱহার কৰা হবে।

বিষয় ঃ মিনি টেক্সীৰ অনুজ্ঞা পত্ৰ।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

৪৭২/ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আনোৱাৰা টাইমূৰৰ কাৰ্য্যকালত নিবন্ধুৱা কৰ্ম সংস্থাপন কাৰ্য্যসূচীৰ অধীনত ৰাজ্যত কিমান সংখ্যাৰ 'মিনি টেক্সি'ৰ অনুজ্ঞাপত্ৰ দিয়া হৈছিল ?

(খ) ঝাজ্যৰ বাট্ সমূহৰ বাবে সেই সময়ৰ 'মিনি টেক্সি'বোৰ উপযুক্ত আছিলনে ?

(গ) বিশেষজ্ঞ পর্য্যায়ৰ বিষয়ববীয়াৰ মতামত গ্রহণ কৰা হৈছিলনে ?

(ঘ) যদি হৈছিল, সেই মতামত কি ধৰনৰ আছিল ?

(ঙ) আজিলৈ অনুজ্ঞাপত্র প্রাপ্ত সেই সময়ৰ 'মিনি টেক্সিবোৰৰ কিমানখন চলাচল-যোগ্য হৈ আছে ? (সংখ্যা উনুকিয়াৰ)

(চ) সংশ্লিষ্ট বেংক (বেংক) সমূহে কিমানজনৰ ওপৰত ঋণ পৰিশোধ নকৰাৰ দায়ত ন্যায়লয়ত মোকর্দ্দমা কৰিছে ?

(ছ) ঋণগ্রস্ত নিবনুৱাসকলক ঋণমুক্ত কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছেনে ?

শ্রীশিৱশম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কোনো মিনি টেক্সীৰ অনুজ্ঞাপত্র দিয়া হোৱা নাই ।

(খ) প্রশ্ন নুঠে ।

(গ) প্রশ্ন নুঠে ।

(ঘ) প্রশ্ন নুঠে ।

(ঙ) প্রশ্ন নুঠে ।

(চ) পৰিবহন বিভাগৰ লগত জৰিত নহয় ।

বিষয় : ইন্দ্র নিবাস গৃহ নির্ম্মান ।

শ্রীবদ্রী নারায় সিং, জিজ্ঞাসা কৰছেন ঃ

৪৭৩। মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেনকি ঃ

ক) কাছার জেলার অন্তর্গত সোনাই সমষ্টি Social Welfare বিভাগের দ্বারা ১৯৯১ থেকে অদ্য পর্য্যন্ত কতটি ইন্দ্রনিবাস গৃহ নির্মান করা হইয়াছে ?

খ) যদি হয়ে থাকে তাহলে তাহাদের নাম ও পূর্ণ ঠিকানা জানাবেন আর যদি না হয় তাহলে কেন ?

গ) কাছাড় জেলা, নরসিংপুর ICDS এর মারকতে শিশুখাদ্য গ্রামঞ্চলে যাহা দেওয়া হয় তাহা অনেক দিন থেকে বন্ধ তথ্যের মন্ত্রী মোহদয় অবগতনি ? যদি অবগত বন্ধের কারণ জানাবার ব্যরস্থা করবেন কি ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) এই বিভাগৰ লগত প্রযোজ্য নহয় ।

খ) প্রশ্ন নুঠে ।

গ) কাছাৰ জিলাৰ নৰসিংপুৰ সংহত সেৱা উন্নয়ণ প্ৰকল্পৰ জৰিয়তে যোগান ধৰা পুষ্টিকৰ আহাৰ বিতৰণ পুঁজিৰ অভাৱত ১৯৯৪ চনৰ এপ্ৰিল মাহৰ পৰা বন্ধ হৈ আছে।

বিষয় : অসম পঞ্চায়ত ৰাজ আইন

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী য়ে সুধিছে :

৪৭৪। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম পঞ্চায়ত ৰাজ আইন, ১৯৯৪ ৰ অধীনত গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি/উপসভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উথাপন বিধি সম্পৰ্কীয় অনুচ্ছেদ সমূহত থকা বিসঙ্গতি সম্পৰ্কে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, ইয়াৰ আৱশ্যকীয় সংশোধনৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে ?

গ) জৱহাৰ ৰোজগাৰ যোজনাকে ধৰি গ্ৰাম্য উন্নয়ন এজেন্সীৰ ধনৰ দ্বাৰা ৰূপায়িত আঁচনি সমূহ খণ্ড পৰ্য্যায়ত প্ৰকৃত ৰূপায়নৰ বাবে বিধায়ক সকলক অধ্যক্ষ হিচাবে লৈ কোনো পৰ্য্যালোচনা সমিতি গঠনৰ চৰকাৰৰ আদেশ আছে নেকি ? যদি আছে, আদেশৰ প্ৰতিলিপি সদনৰ টেবুলত থব ?

ঘ) যোৰহাট উন্নয়ন খণ্ড আৰু ঢেকৰগড়া উন্নয়ন খণ্ডত গঠিত এনে পৰ্য্যালোচনা সমিতি দুখনত কাৰ অধ্যক্ষতাত গঠিত হৈছে আৰু সমিতি কেইখনৰ সদস্যসকল কোন, তালিকা সদনৰ মজিয়াত দিব ?

ডাঃ ভূমিধৰ বৰ্ম্মন (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অৱগত নহয়।

খ) প্ৰশ্ন নুঠে।

গ) আছে। আদেশৰ প্ৰতিলিপি সংলগ্ন কৰি দিয়া হ'ল।

ঘ) বিধায়কৰ অধ্যক্ষতাত গঠিত হৈছে। সদস্যসকলৰ নামৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (See tLe Annexure—II)

বিষয় : পঞ্জিয়ন ভুক্ত কুষ্ঠৰোগী।

শ্ৰীবদন বৰুৱাই সুধিছে :

৪৭৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত কিমান পঞ্জিয়নভুক্ত কুষ্ঠৰোগী আছে ?

খ) জিলাভিত্তিত কিমান কুষ্ঠৰোগীৰ বাবে চিকিৎসাৰ ব্যৱস্থা আছে ?

গ) অসমত কুষ্ঠবোগ নিয়ন্ত্রব বাবে কি কি আঁচনি লৈছে ?

ঘ) ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ বর্ষত কিমান কুষ্ঠবোগযুক্ত লোকক সংস্থাপন কৰা হৈছে ?

ঙ) সংস্থাপন সমূহ কেনেধৰণৰ জনাবনে ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য ও পৰিয়ালকল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৬ চনৰ জানুৱাৰীলৈ মুঠ ১৫০৫০ জন কুষ্ঠবোগী পঞ্জিয়ন ভুক্ত হৈছে ।

খ) নিৰ্দ্ধাৰিত সংখ্যা নাই । পঞ্জিয়নভুক্ত সকলো বোগীকে চিকিৎসাৰ ব্যৱস্থা কৰি থকা হৈছে । জিলাভিত্তিত সবিশেষ "চ" তালিকাত দেখুৱা হৈছে । (See the Annexure – III)

গ) অসমত কুষ্ঠবোগ নিয়ন্ত্রনৰ বাবে নিম্নলিখিত আঁচনি সমূহৰ ব্যৱস্থা আছে ঃ

১) জাতিয় কুষ্ঠবোগ নির্মূল আঁচনি (NLEP)

২) বহুমুখী ঔষধৰ চিকিৎসা আঁচনি (MDT)

ঘ) অসমত কুষ্ঠবোগযুক্ত লোকক সংস্থাপন দিয়াৰ বাবে অসম চৰকাৰৰ কোনো আঁচনি লোৱা হোৱা নাই ।

ঙ) প্রশ্ন নুঠে ।

বিষয় ঃ বার্দ্ধক্য ভাট্টা ।

শ্রীমধুসুদন তেওঁৰী, জিজ্ঞাসা কৰছেন ঃ

৪৭৬। মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেনকি ঃ

ক) কৰিমগঞ্জ জিলায় '৯৩/৯৪ ও ' ৯৪/৯৫ ইং বৎসরে নতুন ভাবে মোট কত জনকে বার্দ্ধক্য ভাট্টা দেওয়া হইয়াছে ? এবং তাহাদের নাম ও ঠিকানা কি ?

খ) বিকলাঙ্গ ও বিধবাদেরে কি প্রকারে সাহায্য দেওয়া হয় জানাবেন কি ?

গ) যক্ষা ও কর্কট রোগগ্রস্তদের জন্য সাহায্যর কোন প্রকারে স্কীম আছে কি ? যদি আছে তবে তাহা কি ?

শ্রীকুলবাহাদুর ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) কৰিমগঞ্জ জিলাত ১৯৯৩-৯৪ চনত ২৬৬ জন ব্যক্তিক নতুনকৈ বৃদ্ধ ভাট্টা দিয়া হয় । ভাট্ট পোৱা ব্যক্তিৰ নামত তালিকা আৰু ঠিকনা সদনৰ মজিয়াত পেছ কৰা হ'ল । ১৯৯৪-৯৫ চনত নতুনকৈ বৃদ্ধ ভাট্টা দিয়াৰ বাবে কোনো প্রস্তাব পোৱা নাই । (See the Annexure—IV)

খ) বিকলাঙ্গ ব্যক্তিৰ কাৰণে পূৰব সংস্থাপন আৰু আত্মনির্ভৰশীল হোৱাৰ কাৰৰণ আর্থিক সাহার্য্যৰ আঁচনি আছে, ইয়াৰ উপৰিও বিককাঙ্গ ছাত্র-ছাত্রীৰ কাৰণে জলপানী দিয়াৰ আঁচনি আছে ।

বিধবা সকলৰ কাৰণে বৃদ্ধ ভাট্টা আঁচনি প্ৰবৰ্ত্তন কৰা হৈছে।

গ) নাই।

বিষয় : পঞ্চায়তৰ সচিবৰ দৰমহা।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

৪৭৭। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ বিভিন্ন গাওঁ পঞ্চায়তত কিছু ব্যক্তিক পঞ্চায়ত সচিব ৰূপে মকৰল কৰিছিল নেকি ? যদি কৰিছিল কিছু ব্যক্তিয়ে এতিয়ালৈ মাননি বা দৰমহা পোৱা নাই নেকি ? পোৱাৰ ব্যৱস্থা লবনে ?

খ) উক্ত সচিবসকলৰ দায়িত্ব আৰু কৰ্ত্তব্য কি জনাবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মন (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) কিছু ব্যক্তিক গাওঁ পঞ্চায়তৰ সচিব ৰূপে কামত খটোৱা হৈছে। সকলো ব্যক্তিয়ে মাননি পোৱাৰ আৱশ্যকীয় ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

খ) গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ৰ কাৰ্য্যাৱলী সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰা।

Sub : Appointment of Doctors and Nurses.

Shri Derhagra Musha, asked :

478. Will the Minister of Health & Family Welfare be pleased to State :

a) Whether Government proposed to maintain norms in case of appointing Doctors & Nurses at Tamulpur Thirty Bedeed Hospital ?

b) If yes, when it will be maintained ?

Dr. Bhumidaar Barman (Minister, Health & Family Welfare) replied :

a) Yes

b) Shortly.

Subject : Service of Panchayat Secretary.

Shri Mission Ranjan Das, asked :

479. Will the Minister of Panchayat be pleased to state :

a) How many Gaon Panchayat Secretaries have been appointed in 1993 in different Districts of Assam and what is their individual qualification please give list of Secretaries appointed in Districtwise including their qualification (whether Arts, Commerce or Science Graduates).

b) Whether all of these Secretaries are appointed as per declared policy of Govt. if not state reasons thereof ?

c) When services of regularly appointed Secretaries will be Provincialised ?

Dr. Bhumidhar Barman (Minister of Panchayat) replied :

a) Mahkuma Parishad Secretaries were advised to arrange for Gaon Panchayat Secretaries from Commerce Graduates on daily wages on purely temporary basis in those Panchayats where it is necessary. 1675 number of Gaon Panchayat Secretaries have been engaged so far. Name and qualification of Gaon Panchayat Secretaries received so far who have been engaged this way is enclosed. (See the Annexure —V

b) Does not arise.

c) No decision has yet been made

বিষয় : স্কুল ভবন নির্মানের দাবী

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসা করছেন :

৪৮০/মাননীয় পঞ্চায়ত বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি : আসামের পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগের সঞ্চালক কর্তৃক নং ডি, আর ডি-৫/(১) ৩৭/৯২/১৪৭ ডেটেড ১০/১/৯৪ তারিখে করিমগঞ্জের গ্রামোন্নয়ন বিভাগের প্রকল্প সঞ্চালকের নিকট প্রেড়িত পত্রের মর্মানুযায়ী প্রতিটি নির্ব্বাচন সমষ্টি ভিত্তিক চারটি স্কুল ভবন নির্মানের ব্যাপারে বিভাগীয় কর্তৃপক্ষ কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন ? (বিশদ তথ্য সদনের মেজে দাখিল করিবেন)

শ্রীগৌতম রায়, (রাজ্যিক পঞ্চায়ত ও গ্রামোন্নয়ন, মন্ত্রী) য়ে উত্তর দিয়েছেন :

আসামের পঞ্চায়ত ও গ্রামোন্নয়ন সঞ্চালকের নং ডি, আর ডি-৫ (১) ৩৭/৯২/১৪৭ ডেটেড ১০/১/৯৪ পত্রানুযায়ী করিমগঞ্জ ডি, আর, ডি, এ অপারেশন ব্লাক বোর্ড স্কিম এর আওতায় প্রতিটি নির্ব্বাচন সমষ্টিতে চারটি স্কুল ভবন নির্ম্মানের জন্য Central share ৪৮% এবং State share ১২% মোট ১২ লক্ষ টাকা দেওয়া হয়েছে।

প্রতিটি ভবন নির্ম্মানের জন্য মোট ১ লক্ষ টাকা ধার্য্য করা হয়েছে। করিমগঞ্জে ৫ টি নির্ব্বাচন চক্রে ২০ টি স্কুল ভবন নির্ম্মান হবে। রাজ্য শিক্ষা বিভাগ কর্ত্তৃক প্রদত্ত অবশিষ্ট ৪০% এখনও পাওয়া যায়নি এবং শিক্ষা বিভাগের তরফ থেকে স্কুলেব তালিকা পাওয়া যায় নি।

বিষয় ঃ কার্বিসকলক জনজাতিয় তালিকাভুক্ত কৰন।

শ্রী বমেন্দ্র নাৰায়ন কলিতাই সুধিছে ঃ

৪৮১/মাননীয় ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) নামনি অসমৰ কার্বি সকলক জনজাতীয় তালিকাৰ অন্তভুক্ত কৰাৰ বাবে চৰকাৰে কি সিদ্ধান্ত গ্রহন কৰিছে জনাবনে ?

(খ) জনজাতীয় তালিকাত তালিকাভুক্ত কৰাৰ বাবে চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ অনুমোদনৰ বাবে প্রেৰন কৰিছে নে ?

গ) যদি এতিয়াও কোনো সিদ্ধান্ত লোৱা নাই, তেনেহলে ১৯৯৫ চনৰ ভিতৰত সিদ্ধান্ত লৈ কেন্দ্রীয় চৰকাৰলৈ অনুমোদনৰ কাৰনে প্রেৰন কৰিবনে ?

শ্রীগমেশ্বৰ পেগু (ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দছে ঃ

(ক সিদ্ধান্ত লোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) সংবিধানৰ বিধিমতে বিবেচনা কৰি চোৱা হব।

বিষয় ঃ কোচ ৰাজবংশীয় সম্প্রদায়ক এচ টি কৰাৰ সিদ্ধান্ত।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে ঃ

৪৮২/মাননীয় জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী সমুহৰ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমৰ কোচ ৰাজবংশী সম্প্রদায়ৰ লোকক জনজাতি (এচ টি) কৰাৰ চৰকাৰে কোনো সিদ্ধান্ত লৈছে নেকি ?

(খ) যদি লৈছে, তেনেহলে কেন্দ্রীয় চৰকাৰলৈ কোনো অনুকুল পৰিচয় (ৰিক'মেনডেচন) কৰি পঠাইছে নেকি ?

(গ) যদি কৰিছে, তেনেহলে কোন তাৰিখে আৰু কি অনুকুল পৰিচয় (ৰিক'-মেনডেচন) কৰিছে তাৰ প্ৰতিলিপি সদনত অনুগ্ৰহ কৰি দাখিল কৰিবনে ?

শ্ৰীগমেশ্বৰ পেগু (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) হয় ।

(গ) প্ৰতিবেদনৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰা হ'ল ।

(See the Annexure - VI)

বিষয় ঃ ডাক্তৰখানা নিৰ্মান ।

মোঃ মহিবুল হকে সুধিছে ঃ

৪৮৩/মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নিৰ্মানৰ কাম সম্পূৰ্ণ হোৱা সত্বেও গৌৰীপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত আশাৰিকান্দি ডাক্তৰখানাখন কি কাৰণত মুকলি কৰা হোৱা নাই, জনাবনে ?

খ) অতি সোনকালে উক্ত ডাক্তৰখানাখন মুকলি কৰি ৰাইজৰ চিকিৎসা সেৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

গ) বেৰভাঙ্গি, মটেৰঝৰ, ডুমৰ দহ, কুৰ্শাকাটী ৰাজ্যিক চিকিৎসালয়ত প্ৰয়োজন সাপেক্ষে ডাক্তৰ, নাৰ্চ, কম্পাউণ্ডাৰ আৰু ঔষধ-পাতি আছেনে ?

ঘ) যদি নাই, সোনকালে ইয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) আশাৰিকান্দিত কোনো চিকিৎসালয় নিৰ্ম্মাণৰত অৱস্থাত নাই বা সম্পূৰ্ণ হৈ থকা নাই ।

খ) প্ৰশ্ন নুঠে ।

গ) বেৰভাঙ্গ বাদে মটেৰঝাৰ, ডুমৰদহ আৰু কুৰ্শাকাটীত ৰাজ্যিক চিকিৎসালয়ত প্ৰয়োজনীয় ডাক্তৰ, নাৰ্চ আৰু কম্পাউণ্ডাৰ আছে। প্ৰয়োজনীয় ঔষধপাতি পুঁজি সাপেক্ষে এই চিকিৎসালয় কেইখনত যোগান ধৰি থকা হৈছে।

ঘ) বেৰভাঙ্গি ৰাজ্যিক চিকিৎসালয়ত ডাক্তৰ আৰু নাৰ্চৰ নিযুক্তিৰ ব্যৱস্থা লৈ থকা হৈছে ।

বিষয় ঃ কেন্সাৰ ৰোগীৰ সংখ্যা ।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীয়ে সুধিছে ঃ

৪৮৪। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰকাৰী তথ্যমতে বৰ্ত্তমান অসমত কেন্সাৰ ৰোগীৰ সংখ্যা কিমান ? ইয়াৰ কিমান সংখ্যকে অসমত চিকিৎসা লয় আৰু কিমান সংখ্যকে অসমৰ বাহিৰত চিকিৎসা লয় ?

খ) বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটখন বৰ্ত্তমান কেন্সাৰ ৰোগী চিকিৎসাৰ বাবে উক্ত অনুষ্ঠানত বহুওৱা হৈছে আৰু এই যন্ত্ৰবিলাক কেতিয়া বহুৱাইছে ?

গ) উক্ত অনুষ্ঠানৰ সঞ্চালকজন কেন্সাৰ ৰোগৰ বিশেষজ্ঞ নে ?

ঙ) উক্ত অনুষ্ঠানটো পূৰ্ণাংগ কৰি অসমত কেন্সাৰ ৰোগী চিকিৎসা কৰাৰ বাবে চৰকাৰে কি আঁচনি হাতত লৈছে ?

ডঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰী তথ্যমতে বৰ্ত্তমান অসমত কেন্সাৰ ৰোগীৰ সংখ্যা ৭১,০০৫ জন । (ইয়াৰ ভিতৰত নতুন ৰোগীৰ সংখ্যা ২১,২৮৫ জন আৰু পুৰণা ৰোগীৰ সংখ্যা ৪৯,৭৫০ জন) প্ৰায় ৫০০০ ৰোগী বাহিৰলৈ চিকিৎসাৰ বাবে যায় ।

খ) হয় উপযুক্ত । এই অনুস্থানত বৰ্ত্তমান থকা যন্ত্ৰ সমূহৰ নাম আৰু বহুৱাৰ সময় তলত দেখুৱা ধৰণৰ ঃ

যন্ত্ৰৰ নাম		বহুৱা সময়
১। ফনিক্স কোৱাল্ট মেচিন	=	১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহত বহুঁৱা হয় আৰু ইয়াৰ উদ্বোধন অহা এপ্ৰিল মাহত কৰা হব ।
২। থেৰাট্রন ৭৮০	—	১৯৮৫ চনত
(নিউ চোৰচ)		১৯৯৩ চনত
৩। চিলেকট্রন (ব্রেকিথেৰাপি)	—	১৯৮৮ চনত
৪। ট্রিটমেণ্ট (প্লেনিং চিচ্‌টেম	—	১৯৮৯ চনত
৫। চিমুলেটৰ	—	১৯৯৩ চনৰ (আগষ্ট)
৬। ২০০,এম,এ টোমোগ্রাফি	—	১৯৮৪ চনত
৭। ৬০ এম, এ পোৰটেবল এক্সৰে	—	১৯৯২ চনত

(খ) যন্তৰ নাম বহুৱা সময়

৮। ৫০০ এম,এ এক্সৰে মেচিন — ১৯৭৩ চনত
আৰু আই, আই টিভি — ১৯৯০ চনত
৯। আল্ট্রা চাউণ্ড মেচিন — ১৯৮৯ চনত
১০। মেমোগ্রাফী মেচিন — ১৯৯২ চনত
১১। চি, টি, স্কেন — ১৯৯২ চনত

গ) তেখেত F R C.S. পদ 'Cancer Surgery' ত অভিজ্ঞতা আছে।

ঘ) ১৯৮৯ চনত ভাৰত চৰকাৰে পাতি দিয়া Working Group এ, এই অনুষ্ঠানখনে Revitalisation তাৰ যি আঁচনি তৈয়াৰ কৰি দিছিল সেই আঁচনি কার্য্যকৰি কৰিবলৈ ১৯৯৩ চনৰ এপ্রিল মাহৰ পৰা গুৰুত্ব সহকাৰে ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে বহুখিনি আগবঢ়া হ'ব।

বিষয় ঃ অনুসূচীত জাতিৰ উন্নয়নৰ টকা।

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৪৮৫। মাননীয় অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অনুসূচীত জাতি উন্নয়নৰ বাবে ধার্য্য কৰা আঁচনি সমূহৰ কাম সঠিক মতে ৰূপায়ণ হৈছেনে নাই, সেই সম্পর্কে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

খ) অনুসূচীত জাতিৰ শিতানৰ টকাৰোৰ বিভিন্ন বিভাগৰ জৰিয়তে উন্নয়নমূলক কামৰ আঁচনিত খৰছ কৰিব লাগে কিন্তু দেখা গৈছে বছৰৰ পিছত অনুসূচীত জাতিৰ বাবে ধার্য্য কৰা আঁচনিবোৰৰ কাম ধনৰ টকাৰ নাটনীত বিভাগ সমূহে আঁচনি কার্য্যকৰী কৰিব নোৱাৰে এই কথাটো সচানে ?

শ্রীগনেশ্বৰ পেগু (অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়, কৰিছে। আঁচনি সমূহ বিভাগীয় ভাৱে সময়ে সময়ে পর্য্যালোচনা কৰি বিহিত ব্যৱস্থা লবলৈ বিভাগসমূহক সকীয়াই দিয়া হয়। মুখ্য কার্য্যালয় আৰু ক্ষেত্র ভিত্তিত পর্য্যালোচনাৰ বাবে মনিটৰিং শাখা অধিক সক্রীয় কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও এচ, চি কমপোনেণ্টৰ আৱণ্টিত ধন যাতে পৰিকল্পনাৰ আৱণ্টন সংশোধন (Revised allocation) কৰোতে কমাই দিয়া নহয় আৰু এৰিব নোৱাৰা কাৰণত কমাব লগীয়া হলেও সাধাৰণ পৰিকল্পনা শিতানত কর্ত্তনৰ অনুপাততকৈ অধিক কমোৱা নহয় তাৰ বাবে বিভাগ সমূহক নির্দ্দেশ দিয়া হৈছে।

খ) আংশিক ভাবে সচা।

বিষয় প্লেগ ৰোগ

শ্রীযতীন মালীয়ে সুধিছে ঃ

৪৮৬/মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জানাবনে ঃ

ক) প্লেগ ৰোগ সম্পর্কত অসমৰ চিকিৎসা শাস্ত্রই কি কয় বাক ঃ

খ) প্লেগ ৰোগ বিশেষজ্ঞ হবলৈ সাধাৰণতে কি কি কি গুণ বা অর্হতাৰ প্রয়োজন জনাবনে ?

গ) অসমত বর্ত্তমান প্লেগৰোগ বিশেষজ্ঞ বা প্লেগৰোগ চিকিৎসা কৰিব পাৰাকৈ বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতি পাওলোক কিমানজন আছে জনাব ? (নাম ঠিকনা দিব)

(ঘ) অসমৰ চিকিৎসা মহাবিদ্যালয় কেইখনত প্লেগৰোগ সম্পর্কে কোনো পাঠ্যক্রম বর্ত্তমান নথকাটো সচাঁনে ?

ঙ) যদি সচা, কেতিয়াৰপৰা এই পাঠ্যক্রম উঠাইদিয়া হৈছে জনাবনে ?

(চ) প্লেগৰোগ সম্পর্কীয় পাঠ্যক্রম কিয় উঠাইদিয়া হৈছিল সবিশেষ জনাবনে ?

(ছ) প্লেগৰোগ হোৱা সময়ত (১৪ অক্টোবৰ) যি সকল লোকক প্লেগৰোগ চিকিৎসাৰ অর্থে বেল লাইন, বিমান বন্দৰত, চিকিৎসালয়ত নিয়োগ কৰা হৈছিল তেখেতসকল এইক্ষেত্রত বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃত নে ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ?

ক) প্লেগ এবিধ সংক্রামক ৰোগ। Pasterulapestic নামৰ এবিধ বিজানুৰ পৰা এই ৰোগ মানুহৰ শৰীৰত বিয়পে Xenophylla cheopsis নামৰ এবিধ কীটৰ কামোৰত এই বিজানু মানুহৰ শৰীৰত প্রবেশ কৰে। কিন্তু এই ৰোগ সাধাৰণতে এন্দুৰৰহে হয় আৰু এইবিধ ৰোগক sylvitic plague বোলা হয়। ই সাধাৰণতে এন্দুৰৰ মাজত সীমাবদ্ধ থাকে কিন্তু এন্দুৰৰোৰ মৰি শেষ হলে যদি উক্ত কীট বিলাকে মানুহক কামোৰে তেতিয়া বেমাৰটো মানুহৰ গালৈ বিয়পে।

খ) প্লেগৰোগ বিশেষজ্ঞ হবলৈ কোনো বিশেষ অর্হতাৰ প্রয়োজন নাই। তথাপি ডাক্তৰ গৰাকী Medicine আৰু Social Preventive Medicine ৰ ডিগ্রীধাৰি হলে ভাল।

(গ) অসমত কোনো প্লেগৰোগ বিশেষজ্ঞ নাই। কিন্তু কায় (Medcine) বিভাগত স্নাতকোত্তৰ ডিগ্রীধাৰী যিকোনো চিকিৎসকে প্লেগৰোগৰ চিকিৎসাকৰিব পাৰে।

(ঘ) নহয়।

(ঙ) প্রশ্ন নুঠে।

(চ) প্রশ্ন নুঠে।

(ছ) হয়, স্বীকৃত।

বিষয়ঃ A. T. D. A ৰ ধন।

শ্রী বৰ্গৰাম দেউৰীয়ে সুধিছেঃ

৪৮৭। মাননীয় অসম ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) A. T. .D. A ৰ পৰা নাওবৈছা সমষ্টিৰ বাবে কিমানখন স্কুলৰ বাবে টকা দিয়া হৈছে ?

(খ) জে, আৰ, দেউৰী স্কুলৰ বাবে মন্ত্রী মহোদয়ে লিখি দিয়াৰ পাছতো টকা নিদিয়া কথাটো সচাঁনে ?

(গ) যদি সচাঁ হয় কাৰনটো জনাবনে ?

শ্রী গমেশ্বৰ পেগু (ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) নাওবৈছা সমষ্টিৰ কোনো স্কুলৰ বাবে A. T. D. A ৰ টকা দিয়া হোৱা নাই।

খ) হয়।

গ) চলিত বছৰৰ পুঁজি শেষ হোৱাত, আগন্তুক বছৰৰ পুজিৰ পৰা দিবৰ বাবে জে, আৰ, দেউৰী স্কুলৰ নামটো বিবেচনাধীন হৈ আছে।

Subject : Post Matric Scholarship.

Srimati Pramila Rani Brahma, asked :

488. Will the Minister of welfare of Plains Tribes and Backward Classes be pleased to State :

(a) Is it fact that the post matric Scholarship has not been released to the Tribal Students since 1992 ?

(b) If it is, than what is the reason ?

(c) Within what period the scholarship may be expected ?

Shri Gomeswar Pegu, (Minister of State for welfare of Plains Tribes and Backward Classes) replied :

(a) Post matric Scholarshiy has been released to the Tribal Students since 1992, but the scholarship amount could not be disbursed to the extent of the demand.

(b) Due to non availability of Central share by the Govt. of India and inadequate State resources all elligible ST students could not be covered.

(c) It is expected to cover all elligible ST students from 1995-96 if Govt. of India release Central share as per State Govt's demand.

বিষয় : জনজাতি বা অনুসুচীত কৰনৰ পৰিকল্পনা ।

শ্রীনজমুল হকে সুধিছে :

৪৮৯/মাননীয় ভৈয়াম জনজাতি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) অসমৰ চৰ অঞ্চলত বসবাস কৰা সংখ্যালঘু মানুহক অনুসুচীত জাতি হিচাবে স্বীকৃতি দিয়াৰ বাবে চৰকাৰৰ কিবা পৰিকল্পনা আছেনে ?
যদি নাই ব্যবস্থা কৰা হবনে ?

খ) কি কি স্বত্তৰ ভিত্তিত কোনো এটা জনগোষ্ঠীক জনজাতি বা অনুসুচীত জাতি হিচাবে গণ্য কৰা হয় ?

গ) তাই আক আহোম সকলক জনজাতি হিচাবে স্বীকৃতি দিবলৈ চৰকাৰৰ কিবা পৰিকল্পনা আছেনে ?

ঘ) অসমৰ গাৰো জনগোষ্ঠীক পূৰ্ণ পৰ্য্যায়ৰ জনজাতি হিচাবে স্বীকৃতি দিয়া হবনে ?

শ্রীযুত গমেশ্বৰ পেগু (ভৈয়াম জনজাতি ও পিছপৰা শ্রেণী কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) অসমৰ চৰ অঞ্চলত বসবাস কৰা সংখ্যালঘু মানুহক অনুসুচীত জাতি হিচাবে স্বীকৃতি দিয়াৰ বাবে কোনো পৰিকল্পনা নাই ।

খ) নিম্নলিখিত চর্ত সাপেক্ষে এটা জনগোষ্ঠীক জনজাতি বা অনুসুচীত জনজাতি হিচাবে গণ্য কৰাৰ অনুমোদন কৰিব পাৰি ।

অনুসুচীত জাতি :—

Extreme Social, Educational and Economic backwardness arising out of the traditional practice of untouchability.

অনুসুচীত জনজাতি :—

Indication of primitive traits, Distinctive Culture Geographical isolation, shyness of conteet with the Community at large and backwardness.

গ' আছে।

ঘ) ভাৰতীয় সংবিধানৰ বিধিমতে স্থায়ী বসতি অনুসৰি অসমত জনজাতিৰ দুখন তালিকা আছে। এখন তালিকা স্বায়ত্ব শাসিত প্ৰাৰ্ব্বত্য জিলাৰ কাৰণে আৰু আনখন অসমৰ বাকী অংশৰ কাৰণে। স্বায়ত্ব শাসিত প্ৰাৰ্ব্বত্য জিলাত স্থায়ীভাৱে বসতি কৰা গাৰে সকলক জনজাতি হিচাবে স্বীকৃতি দিয়া আছে। কিন্তু ভৈয়ামত স্থায়ী ভাৱে বসতি কৰা গাৰো সকলক সংবিধানৰ বিধি মতে অনুসূচীত জনজাতি হিচাবে স্বীকৃতি দিয়া নাই।

বিষয় ঃ উপ-স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্মাণ

শ্ৰীমতী কপম কুৰ্মীয়ে সুধিছে ঃ

৪৯০/মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিয়নি সমষ্টিৰ গাভকোৱৰ গাওঁত উপ-স্বাস্থ্যকেন্দ্ৰটিৰ গৃহ নিৰ্মাণৰ কাম তিনি বছৰৰ আগতেই সম্পূৰ্ণ হল যদিও ইয়াত আজিপৰিমিত ডাক্তৰ, নাৰ্চ নাইবা দৰৱ পাতি দিয়া হোৱা নাই ইয়াৰ কাৰণ জনাবনে, যদি দিয়াৰ ব্যৱস্থা কৰে কোন মাহৰ পৰা।

খ) মৰিয়নি সমষ্টিত বন্ধ থকা উপ-স্বাস্থ্য কেন্দ্ৰকেইটি খোলাৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কেতিয়া?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) মৰিয়নি সমষ্টিৰ গাভক কোৱৰ গাৱত উপ স্বাস্থ্য কেন্দ্ৰটিৰ বাবে বৰ্ত্তমানলৈ কোনো পদ মঞ্জুৰ হোৱা নাই।

খ) সীমা উপ-স্বাস্থ্য কেন্দ্ৰৰ (Border Subcentre) বাহিৰে মৰিয়নি সমষ্টিৰ সকলোবোৰ উপ স্বাস্থ্য কেন্দ্ৰ কাৰ্য্যকৰি অৱস্থাত আছে।

(Unstarred Question No. 491. was deferred)

বিষয় ঃ সমাজ উন্নয়ন কাম।

শ্ৰীমহেন্দ্ৰ ববাই সুধিছে ঃ

৪৯২/মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনৰ পৰা অসম চৰকাৰৰ সমাজ উন্নয়ন বিভাগত প্ৰতি জিলাত কি কাম কৰা হল আৰু কিমান লোকক ১৯৯৪-৯৫ চন পৰ্য্যন্ত কিমান নিযুক্তি

হল পর্য্যায় ক্রমে সেই সকলৰ নাম, ঠিকনা, বয়স, শিক্ষাগত অৰ্হতা আৰু সম্প্রদায় উল্লেখ কৰি সদনৰ মজিয়াত এখন তালিকা দাখিল কৰিবনে ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

সমাজ কল্যাণ বিভাগত ১৯৯১ চনৰ পৰা উন্নয়ন বিভাগত প্রতি জিলাতেই তলত উল্লেখিত আচনি সমূহৰ কাম কৰা হৈছে।

১। মহিলা আৰু শিশু কল্যাণ আচনি।

২। সামাজিক নিৰাপত্তা আচনি।

৩। শাৰিৰীক আৰু মানসিকতাৰে অক্ষম আৰু বিকলাঙ্গ লোকৰ কল্যাণ।

৪। পুষ্টিকৰ আহাৰ আচনি।

৫। সংহত শিশু বিকাশ সেৱা আচনি।

৬। সমাজ কল্যাণ স্বেচ্ছাসেৱী সংগঠনৰ প্রতি সহায়ক অনুদান। আৰু

৭। বৃদ্ধ আৰু দুৰ্ব্বললোকৰ প্রতি পালন ও সেৱা আৰু ১৯৯৪-৯৫ চন-পর্য্যন্ত পর্য্যায়ক্রমে নিযুক্তি দিয়া লোক সকলৰ এখন তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল।

Subject : Rest House.

Shri Joy Chandra Nagbanshi asked :

493/Will the Minister of State Welfare of Plains Tribes and Backward Classes be pleased to state :

(a)Whether Government is aware that C.M. has committed for providing a Rest House for the TEA & Ex-Tea people of Assam at Guwahati ?

(b) Whether any land has been alloted for this purpose so far ?

(c) Whether any financial provision has been made under the current year's budget for construction of such a Rest House ?

Shri Gomeswar Pegu, (Minister, Welfare of plains Tribes & Backward Classes) replied :

(a) Yes.

(b) Communication has been made with Deputy Commissioner, Kamrup for allotment of land for the purpose.

(c) There is no budget provision under the current year's budget for construction of the Rest House, But budget provision has been made for the year 1995-96 for Rs. 5.00 (Rupees five lakhs) only.

বিষয় : ভগামুখ গ্রাম্য চিকিৎসালয়

শ্রীমতী বেণুপমা বাজখোবাই সুধিছে :

৪৯৪/মাননীয় স্বাস্থ্য বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

(ক) যোবহাট জিলাব অন্তর্গত টীয়ক সমষ্টির শিমলুগুবি মৌজাব ভগামুখ ৩০ খন বিছনাযুক্ত গ্রাম্য চিকিৎসালয়ব অধীনত কোন চনব কিমান তাবিখে মাতৃ ও শিশু কল্যাণ কেন্দ্রব কাম আবম্ভ কবিছিল মন্ত্রী মহোদয়ে জনাবনে ?

(খ) বর্ত্তমান এই কেন্দ্রব কাম সম্পূর্ণ কবা হলনে ?

(গ) যদি হোবা নাই কেতিয়াকৈ বাইজব সম্পূর্ণ কবি বাইজব সুবিধার বাবে মুকলি কবিব পাবিব মন্ত্রী মহোদয়ে জনাবনে ?

ডা: ভূমিধ্বব বর্মণ (স্বাস্থ্য আৰু পবিয়ালকল্যাণ বিভাগব মন্ত্রী) য়ে উত্তব দিছে :

(ক) যোবহাট জিলাব অন্তর্গত টীয়ক সমষ্টিব শিমলুগুবি মৌজাব ভগামুখ ৩০ খন বিচনাযুক্ত গ্রাম্য চিকিৎসালয়ব অধীনত কোনো মাতৃ আৰু শিশু কল্যাণ কেন্দ্রব কাম আবম্ভ কবা হোবা নাই। আনহাতে ইয়াত এখন পবিয়াল কল্যানব অধীনত এটা Sub-sentre স্থাপনব বাবে ১৯৮৮ চনব মার্চ মাহত বিভাগীয় অনুমোদন দিয়া হয়।

(খ) উত্তব (ক) ব পবিপ্রেক্ষিতত প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

বিষয় : কেন্সাব বেমাবীব সংখ্যা

শ্রীনিজামুদ্দিন খানে সুধিছে :

৪৯৫। মাননীয় স্বাস্থ্য ও পবিয়াল কল্যান বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ?

ক) প্রতি বছবে হস্পিটাল সমূহত চিকিৎসা কবা কেন্সাব বেমাবীব সংখ্যা কিমান ? (যোবা ১৯৯১ চনব বছব ভিত্তিত সংখ্যা জনাব)

খ) কিমানজন কেন্সাব বেমাবী চিকিৎসাব কাবণে বাজ্যব বাহিবলৈ যায় ? (১৯৯১ চনব পবা)

গ) কেন্দ্রীয় বেমারীর প্রতি লক্ষ্য রাখি ডাঃ বিঃ বরুয়া কেন্দ্রীয় ইনষ্টিটিউট আধুনীকিকরণর ব্যবস্থা করিবনে ?

ঘ) কেন্দ্রীয় বেমারুর প্রাথমিক চিকিৎসার কারণে প্রতি জিলা সদরত থকা হস্পিতাল সমুহত ব্যবস্থা করিবনে ?

ডাঃ ভুমিধর বর্মন (স্বাস্থ্য মন্ত্রী) য়ে উত্তর দিছে ঃ

ক) বর্ত্তমানলৈকে পোরা তথ্য অনুসরি, প্রতি বছরে ডাঃ বিঃ বরুয়া কেন্দ্রীয় হস্পিটালকে ধরি চিকিৎসা মহাবিদ্যালয় কেইখনত চিকিৎসা করা কেন্দ্রীয় রোগীর সংখ্যা—১৯৯১ চনর পরা

১৯৯০—৯১ = ১৩৬৪২ জন।
১৯৯১—৯২ = ১০৮৮৬ ,,
১৯৯২—৯৩ = ১৪৩৪২ ,,
১৯৯৩—৯৪ = ১৫৯০০ ,,
১৯৯৪—৯৫ = ১৬২৬৫ ,,

(ফেব্রুৱাৰী মাহলৈ)

খ) প্রায় ৪০০০ জন রোগীক বাহিরলৈ চিকিৎসার কারণে পঠোৱা হৈছে। (১৯৯১ চনর পরা)

গ) হয়, করা হৈ আছে। ১৯৮৯ চনত ভারত চৰকারে পাতি দিয়া working group এ এই অনুষ্ঠানটো Revitalisation অর যি আচনি তৈয়াৰ করি দিছিল, সেই আঁচনি কার্য্যকরী করিবলৈ ১৯৯৩ চনর এপ্রিল মাহর পরা গুরুত্ব সহকারে ব্যবস্থা করা হৈছে আরু ইতিমধ্যে বহুখিনি আগবঢ়া হল।

ঘ) যিহেতু কেন্দ্রীয় রোগর চিকিৎসার বাবে অতি আধুনিক যন্ত্রপাতির প্রয়োজন হেয়েহে প্রত্যেক জিলা সদরতে এই রোগর চিকিৎসা দিবা আগবঢ়োৱাতো বর্ত্তমানে সম্ভব নহয়।

Sub : Special Supplimen t

Shri Karendra Basumatary, asked :

496. Will the Minister of W. P. T & B. C. Assam, be Pleased to State. :-

(a) Is it true that a special suppliment was published by the Assam Plains Tribes Development Corporation without a proposal and recommendation in the Board of Directors

of Assam Plains Tribes Development Corporation in a local daily newspaper ?

(b) What were the cost of expenditures of the suppliment and when the bill was paid and name of the contractor ?

Shri Gomeswar Pegu, (Minister W. P. T & B. C.) replied :

(a) It is not true that a special suppliment was published by Assam Plains Tribes Development Corporation Ltd. in daily news paper without a proposal and recommendation of Board of Directors of the Corporation. The Board of Directors in its meeting on 01-06-1994 approved the proposal to publish a special suppliment in 'NATUN DAINIK'.

(b) The expenditure of publication of the special suppliment was Rs 9·60 lakhs and the bill thereof was paid on 31-08-94 to M/S N. D. Advertising Ltd.

Sub :- Construction of P. H. C.

Sri Sasha Kamal Handique, asked :

497. Will the Minister of Health & Family Welfare be pleased to State :

(a) When the construction of P. H. C. at Tipam Fakial Village of Dibrugarh District will be completed of which the foundation stone was laid a few years back ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

(a) There is no proposal for construction of a P. H. C. at Tipam Fakial Village in Dibrugarh District yet.

বিষয় : ছাত্র-ছাত্রী বৃত্তি সম্পর্কে।

শ্রীঅতুল বৰাই সুধিছে :

৪৯৮। মাননীয় অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্রেণী সমূহৰ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) ১৯৯২-৯৩ বিত্তীয় বছৰটোত দিশপুৰ সমষ্টিৰ কোন কোন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তি দিয়া হৈছিল ? বিদ্যালয় সমূহৰ নাম, প্ৰতিখন বিদ্যালয়ৰ কিমান ছাত্ৰ-ছাত্ৰীক ? প্ৰতি জনক কিমানকৈ বৃত্তি টকা দিয়া হৈছিল জনাবনে ?

খ) দিশপুৰ সমষ্টিত ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ এই দুটা বছৰত আপোনাৰ বিভাগে ছাত্ৰ-ছাত্ৰীৰ বাবে কিমান টকা মোকলাই দিছে ?

গ) ১৯৯২-৯৩ বছৰত হুঁহৰা এম ই স্কুলৰ ছাত্ৰ-ছাত্ৰীক বৃত্তিৰ টকা দিয়া হ'লনে ? যদি নাই হোৱা টকাখিনি কলৈ গল জনাবনে ?

শ্ৰীগমেশ্বৰ পেগু (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) দিশপুৰ সমষ্টিত ১৯৯২-৯৩ বিত্তীয় বছৰটোত অনুসুচীত জাতি, অনুসুচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক প্ৰবেশিকা বৃত্তিৰ ধন মোকোলাই দিয়া বিদ্যালয় সমুহৰ নাম, ধনৰ পৰিমান, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু বৃত্তিৰ হাৰ তালিকা 'ক'—১'ত সন্নিবিষ্ট কৰা হ'ল ।

(See the Annexure—VII)

খ) দিশপুৰ সমষ্টিত অনুসুচীত জাতি, অনুসুচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ১৯৯২-৯৩ আৰু ৯৩-৯৪ বিত্তীয় বছৰ দুটাত যথাক্ৰমে ৯,১০,৯২৯'০০ টকা আৰু ৬,৭১,৪৫৯'০০ টকা মোকোলাই দিয়া হৈছে ।

গ) দিয়া হ'ল । ১৯৯২-৯৩ বিত্তীয় বছৰত হুঁহৰা এম ই স্কুলৰ অনুসুচীত জাতিৰ ৩১ জন ছাত্ৰ ছাত্ৰীৰ বাবে মুঠ ৩,৭২০,০০ টকা আৰু অনুসুচীত জনজাতিৰ ৩০ জন ছাত্ৰ-ছাত্ৰীৰ বাবে মুঠ ৩,৬০০'০০ টকা বিতৰন কৰা হৈছে ।

Sub. : Upgradation of Health Centres.

499/Shri Derhagra Musha asked :

Will the Minister of Health & Family Welfare be pleased to State :

a) Whether Government has proposed to upgrade some of the Health Centres and meetup necessary facilities to the Health Centres of the Tamulpur Constituency ?

b) If yes, which Health Centres will be upgraded and which Health Centres will be given necessary facilities according to norms ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) Yes.

b) There are proposals for upgradation of Kumarikata SD and Kawly Sub-Centre to PHC under Tamulpur Constituency Besides there are proposal for establishment of a PHC at Dongpar.

বিষয় : এ, এচ, টি, চি, নৈশ বাসের যাতায়াত।

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেন

৫০০/মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেনকি :

(ক) হাইলাকান্দি জেলার লালা ও হাইলাকান্দি এ এচ টি চি নৈশ বাস সপ্তাহে কত দিন যাতায়াত করে ?

(খ) রাজ্যে যে সব রাস্তার এ এচ টি চি বাস বহুদিন যাবত বন্ধ হয়ে আছে তার সংখ্যা কত ?

গ) ঐ সব রাস্তার এ এচ টি চি বাস বন্ধ হওয়ার কারণ কি ?

(ঘ) ঐ সব রাস্তার যাত্রীদের সুবিধার্থে সরকার এ এচ টি চি বাস চালানোর ব্যবস্থা করবেন কি ?

শ্রীশিবশম্ভু ওজা (পরিবহন বিভাগের মন্ত্রী) য়ে উত্তর দিয়েছেন :

(ক) এ এচ টি চির নৈশ বাস সপ্তাহে একদিন হাইলাকান্দি হইতে ও পরদিন লালা হইতে প্রত্যহ যাতায়াত করিতেছে।

(খ) পরিবহন নিগমে বহুদিন যাবত বন্ধ হয়ে থাকা বাসের সংখ্যা ১৫৮ খানা।

(গ) পরিবহন নিগমের আর্থিক অভাবের জন্যে টায়ার ও বাসের যন্ত্রপাতি না কেনার জন্যে ঐ রাস্তার বাস চলাচল বন্ধ আছে।

(ঘ) সচল বাসের সংখ্যা বৃদ্ধি হওয়ার পর বাস চালু করার ব্যবস্থা করা হবে।

বিষয় : চিকিৎসা সাহায্য।

শ্রীরামপ্যারে রবিদাসে সুধিছে :

৫০১। মাননীয় স্বাস্থ্য আরু পরিয়াল কল্যাণ বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ চনৰ ১০ মাৰ্চলৈকে স্বাস্থ্য বিভাগৰ পৰা চিকিৎসা সাহায্যলৈ অসমৰ বাহিৰত কিমানজন তৃতীয়ও চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী চিকিৎসা লাভ কৰিছে ? নাম সহ সদনত জনাবনে ?

খ) উক্ত সময়ছোৱাত আবেদনকৰা তৃতীয় ও চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কিমানখন আবেদন পত্ৰ ডিচপোজ নোহোৱাকৈ পেলাই থোৱা হৈছে ?

গ) স্বাস্থ্য বিভাগৰ গফিলতিৰ কাৰণে কৰ্মচাৰীসকলৰ হাবাশাস্তি হোৱা সত্যনে ? যদি সত্য হয়, বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হল নেকি ? যদি হ'ল, কি ? যদি নহয় কিয় ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) স্বাস্থ্য বিভাগৰ পৰা চিকিৎসা সাহায্যলৈ অসমৰ বাহিৰত চিকিৎসা সাহায্য লোৱা কৰ্মচাৰীৰ সংখ্যা হ'ল—

১৯৯১ চনত—৫০২ জন
১৯৯২ চনত—৬৫২ জন
১৯৯৩ চনত - ৭০৮ জন
১৯৯৪ চনত—১৯৫০ জন
১৯৯৫ চনৰ ১০ মাৰ্চলৈ—৬৫০ জন।

এনে কৰ্মচাৰী সকলৰ সংখ্যা সৱহ হোৱাৰ বাবে তালিকা প্ৰস্তুত কৰিবলৈ কিছু সময়ৰ প্ৰয়োজন হব।

খ) কোনো আবেদন পৰিথকা নাই।

গ) সত্য নহয়। প্ৰশ্ন নুঠে।

বিষয় : হাৰ্টিকালচাৰ স্কীম।

শ্ৰীবদ্ৰি নাৰায়ণ সিংহ জিজ্ঞাসা কৰছেন :

৫০২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ?

ক) ১৯৯১ ইংৰাজী হইতে অদ্য পৰ্য্যন্ত কাছাড় জেলা ডি, আৰ, ডি, এ প্ৰজেক্ট ডাইৰেক্টৰেৰ মাৰফতে কতটি হাৰ্টিকালচাৰ স্কীমে কত টাকা বিতৰণ কৰা হইয়াছে ?

খ) যদি হাৰ্টিকালচাৰ স্কীমে টাকা বিতৰন কৰা হইয়া থাকে, তাহইলে কোন কোন গ্রামে কোন কোন ব্যক্তিৰ নামে কোন কোন স্কীমে কতটি টাকা বিতৰন কৰা হইয়াছে ? উহাৰ সম্পূৰ্ণ বিবৰন মন্ত্রী মহোদয় জানাবেন কি ?

গ) যদি কোন হার্টিকালচারেল স্কীমের বিনিময়ে সরকারের তরফ হইতে কোন মঞ্জুর করা হয় নাই ও বিতরন করা হয় নাই তা হইল কেন? অদূর ভবিষ্যতে কৃষক সমাজকে হার্টিকালচারের জন্য ফলের গাছ অথবা টাকা দেওয়ায় কোন পরিকল্পনা সরকারের আছে কি ?

শ্রীগৌতম রায় (গ্রামোন্নয়ন বিভাগের রাজ্যিক মন্ত্রী) য়ে উত্তর দিয়েছেন ঃ

ক) (১) ১৯৯১-৯২ সনে ।

কাটিগড়া ব্লক — ৪.৯৯ লাখ ।

(২) ১৯৯২-৯৩

কাটিগড়া ব্লক — ৪·৯৯ লাখ ।

(৩) ক) ১৯৯৩-৯৪ সনে

বরখোলা ব্লক — ৮·০০ লাখ ।

খ) উদারবন্ধ ব্লক — ৭·৫০ লাখ ।

গ) সালচাপরা ব্লক— ৭·০০ লাখ ।

খ) বিশদ তথ্য এর সঙ্গে সংলগ্ন করা হইয়াছে ।

গ) সরকারের অনুমোদন নেওয়া হইয়াছে ।

Sub : P.H.C. of Ranibari and Mahisasan.

Shri Mission Ranjan Das, asked :

503. Will the Minister of Health & Family Welfare be pleased to state :

a) Whether the Government will consider for upgradation of present Medical Sub-Centres at Ranibari and Mahisasan in Karimganj District to Primary Health Centres and starting of construction by 1995-96 as per proposals put forwarded by the questioner where land and other infra-stractures are available if yes, state it in detail and if not State reasons thereof ?

Dr. Bhumidhar Barman (Minister of Health and Family Welfare) replied :

a) There is no proposal for upgradation of sub-centre at Ranibari and Mahisasan to Primary Health Centre in Karimganj District.

So, the question of construction of building for establishment of P.H.C: at Ranibari and Mahisasan does not arise.

বিষয় ঃ এইচ, আই, ভি, পজিটিভ

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৫০৪/মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে।

ক) অসমৰ বৰ্ত্তমানলৈকে HIV Positive কিমান জনক চিনাক্ত কৰণ কৰা হ'ল, জনাবনে ?

খ) এই HIV Positive ও আক্রান্ত ব্যক্তি কেইজনক বৰ্ত্তমান কত ৰখা হৈছে আৰু এতিয়ালৈকে কিমানজনৰ মৃত্যু হল জনাবনে ?

গ। এইড্‌ছ ৰোগৰ প্রতিৰোধৰ বাবে চৰকাৰে এতিয়ালৈকে কি ব্যবস্থা গ্রহন কৰিছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ১৭১ জন।

খ) HIV Positive ব্যক্তি সকলক নিজৰ নিজৰ কর্মস্থানত নাইবা নিজৰ ঘৰত স্বাভাৱিক জীৱন-যাপন কৰিবলৈ দিয়া হৈছে অসমত এতিয়ালৈকে পোৱা ৩ (তিনি) জন এইড্‌ছ ৰোগীৰ ২ (দুই) জনৰ মৃত্যু হৈছে।

গ) ১৯৯২ চনত স্বাস্থ্য সেৱা সঞ্চালকৰ কার্য্যালয়ত এটি এইড্‌ছ নিয়ন্ত্রণ কোষ লগতে তিনিওখন মেডিকেল কলেজত একোটাকৈ Z. B. T. C (Zonal blood testing Centre) ৭ (সাত) টা STD ক্লিনিক আৰু গুৱাহাটী মেডিকেল কলেজত Surveillance Centre খোলা হৈছে। মহেন্দ্র মোহন চৌধুৰী চিকিৎসালয়ত এটা HIV/AIDS পৰামর্শী কেন্দ্রও খোলা হৈছে। চিকিৎস্যক সকলক পর্য্যায়ক্রমে প্রশিক্ষন দি থকা হৈছে।

বিষয় ঃ আই, সি, ডি, এস পোগ্রাম।

শ্রীমধুসুদন তেওয়ারী, জিজ্ঞাসা করছেন ঃ

৫০৫/মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) পাথারকান্দি উন্নয়ন খণ্ডে আই, সি, ডি, এস প্রোগ্রাম চালু করার জন্য বার বার আবেদন করা সত্বেও আজ পর্য্যন্ত কোন ব্যবস্থা গ্রহণ না করার কারণ কি ?

খ) পাথারকান্দি সীমান্ত ও বন্যা কবলিত এলাকা উক্ত এলাকার চা শ্রমিক, বনবাসী, তপশীল ও অনুন্নত সম্প্রদায়ের লোকের বাস তাই উক্ত উন্নয়ন খণ্ডে (সমষ্টিতে) আই, সি, ডি, এস প্রোগ্রাম চালু করার ব্যবস্থা গ্রহণ করিবেন কি? এবং কখন?

শ্রী কুলবাহাদুর ছেত্রী (সমাজ কল্যান বিভাগব মন্ত্রী) য়ে উত্তব দিছে:

ক) পাথাবকান্দি উন্নয়ণ খণ্ড আই, চি, ডি, এস এলেকাব ভিতবত সোমাই লোৱাব বাবে কেন্দ্রীয় চবকাবলৈ প্রস্তাব প্রেবণ কবা হৈছে। আৰু ইতিমধ্যে কেন্দ্রীয় চবকাবে পাতিজাব কান্দি উন্নয়ণ খণ্ডত আই, সি, ডি, এস প্রকল্পব মঞ্জুবী দিছে। কিন্তু কবিমগঞ্জ জিলাত পাতিজাবকান্দি নামব ব্লক নাই। পাথাবকান্দি ব্লকহে আছে। ইয়াব স্পষ্টিকবণব বাবে কেন্দ্রীয় চবকাবব লগত যোগাযোগ কবা হৈছে।

খ) কেন্দ্রীয় চবকাবব পবা স্পষ্টিকবণ পোৱাব পিচত উক্ত এলেকাটোত আই, চি, ডি, এচ প্রগ্রাম চালু কবা হব।

বিষয়: পূর্ণাঙ্গ প্রাথমিক স্বাস্থ্যকেন্দ্রে উন্নতিকরণ

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসাকরছেন:

৫০৬/ মাননীয় স্বাস্থ্য আর পরিবার কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত বাইগ্রাম মিনি পি এইচ চি কে পূর্ণাঙ্গ প্রাথমিক স্বাস্থ্যকেন্দ্রে উন্নিত করার জন্য ১৯৯৫-৯৬ অর্থ বর্ষে বিভাগীয় কর্তৃপক্ষ কার্য্যকরী পদক্ষেপ নিয়েছেন কি? যদি হয় কি ভাবে, যদি না কেন?

ডা: ভূমিধব বর্মন (স্বাস্থ্য আক পরিয়াল কল্যান মন্ত্রী) য়ে উত্তব দিছে: এই ক্ষেত্রত কোনো আচনি বা প্রস্তাব বর্ত্তমানে নাই।

বিষয়: এচ, চি, কমপোনেণ্ট প্লেনব টকা।

শ্রীপবিমল শুক্লবৈদ্যই সুধিছে:

৫০৭। মাননীয় তৈয়াম জনজাতি, অনুসুচীত জাতি আক অন্যান্য পিছপবা শ্রেণীব কল্যান বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে:

ক) নৱসিংহপুৰ উন্নয়ণখণ্ড আৰু পালংঘাট উন্নয়ণ খণ্ডত ১৯৯৪-৯৫ বৰ্ষত এচ, চি কমপোনেণ্ট প্লেনৰ কিমান টকা গৈছে ?

খ) যদি টকা গৈছে তেনেহলে কেনে ধৰনৰ আঁচনি গ্ৰহন কৰা হৈছে ?

গ) আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত স্থানীয় বিধায়কৰ কিবা পৰামৰ্শ লোৱাৰ চৰকাৰী নিৰ্দেশ আছিল নেকি ?

ঘ) যদি চৰকাৰী নিৰ্দেশ আছিল, পৰামৰ্শ লোৱা হৈছিল নেকি?

শ্ৰীগমেশ্বৰ পেগু, (ভৈয়াম জনজাতি অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমানলৈ পোৱা তথ্য অনুসৰি ১৯৯৪-৯৫ বৰ্ষত এচ, চি কমপোনেণ্ট প্লেনৰ পৰা নৱসিংহপুৰ উন্নয়ন খণ্ডলৈ ৩২ লাখ ২৫ হাজাৰ ২ শ ৬০ টকা আৰু পালংঘাট উন্নয়ন খণ্ডলৈ ১২ লাখ ৮৮ হাজাৰ ৫ শ ৪৪ টকা গৈছে।

খ) তালিকা ১ ৰ মন্তব্য শিতানত দেখুওৱা হৈছে (See the Annexure-viii)

গ) তেনে কোনো চৰকাৰী নিৰ্দ্দেশ নাই। কিন্তু অনুসূচীত জাতি বাজ্যিক উপদেষ্টা পৰিষদৰ (State Advisory Council for S. C.) সভাৰ দুই এটা বিভাগৰ ক্ষেত্ৰত কিছু পৰামৰ্শ আছে।

ঘ) প্ৰশ্ন নুঠে।

Sub : Hospital at Pathsala

Dr. Krishna Kt. Lahkar, asked :

508. Will the Minister of Health be pleased to state :

a) Whether Pathsala Hospital in Barpeta District is 10 bedded or thirty bedded ?

b) How many beds are there at present ?

c) Is it not a fact that the hospital is 30 bedded in name only, there are beds no more than 10 ?

d) Whether Government is implementing all the machinary to raise the standard of 30 bedded hospital ?

e) Is there any proposal to raise the hospital to 100 bedded one ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) The Hospital at Pathsala is a 30 bedded hospital.

b) At present there are 10 beds.

c) Yes.

d) Yes.

e) There is no proposal at present to raise the hospital to 100 bedded one.

Sub. : Office of the ATDA.

Sri Parameswar Brahma, asked :

509. Will the Minister of WPT & BC be pleased to state :

a) Whether ATDA has of its own office ?

b) If not, how much rent is paid per annum for its office ?

c) Whether steps would be taken up for constructing own office for ATDA ?

Sri Gomeswar Pegu (Minister WPT & BC) replied :

a) No.

b) At. the rate of Rs. 9,900/-P.M. total amount of Rs. 1, 18, 800/- is paid for one year as house rent.

c) Subject to availability of land & funds it will be considered if ATDA can construct its own office building.

বিষয় : চিকিৎসা মহাবিদ্যালয়ত খালিপদ ।

শ্রীবামেশ্বৰ ধানোৱাৰে সুধিছে :

৫১০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চিকিৎসা মহাবিদ্যালয়ত কোন কোন বিভাগত কিমান অধ্যাপক, সহকাৰী অধ্যাপক ইত্যাদি পদ খালি হৈ আছে জনাবনে ? কেতিয়াৰ পৰা বিক্ত হৈ আছে ? (বিভাগ প্ৰতি জনাব)

খ) চিকিৎসা মহাবিদ্যালয়ত পদবোৰ কেনেকৈ আৰু কি ভিত্তিত পুৰণ কৰা হয় ?

গ) উক্ত খালি পদ পুৰণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্রী) য়ে উত্তৰ দিছে :

ক) অসম চিকিৎসা মহাবিদ্যালয়ত বৰ্ত্তমান বিভিন্ন বিভাগত ৫৬ টা অধ্যাপক, সহকাৰী অধ্যাপক আদিৰ পদ খালি হৈ আছে । প্ৰায়বোৰ পদ ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনৰ পৰা খালি হৈ আছে । কোন কোন বিভাগত কিমান পদ আৰু কেতিয়াৰ পৰা খালি হৈ আছে সংলগ্ন 'ক' কাকতত দেখুওৱা হৈছে (Annexure-I) (See the Annexure—IX)

খ) চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপকৰ পৰা ওপৰৰ পদবোৰ বাছনি কমিটিৰ অনুমোদন সাপেক্ষে পদোন্নতি দি পূৰণ কৰা হয়। ৰেজিষ্ট্রাৰ ডেমোনষ্ট্রেটৰ আদি পদবোৰ অসম লোক সেৱা আয়োগৰ চুপাৰিশ মতে প্ৰত্যক্ষ ভাবে নিযুক্তি দিয়া হয় ।

গ) মেডিকেল কাউন্সিল অৱ ইণ্ডিয়া (M.C.I.) ১৯৮৯ চনৰ চুপাৰিশ ক্ৰমে যোগ্য চিকিৎসকক পদোন্নতি দি সময়ে সময়ে উচ্চ পৰ্য্যায়ৰ পদবোৰ পূৰণ কৰি থকা হৈছে। আৰু অসম লোক সেৱা আয়োগৰ চুপাৰিশক্ৰমে নিম্ন পৰ্য্যায়ৰ পদবোৰ সময়ে সময়ে নিযুক্তি দি থকা হৈছে ।

Sub : Teaching staff of Silchar Medical College.

Shri Samarendra Nath Sen, asked :

511. Will the Minister of Health be pleased to state :

a) Is it a fact that many teaching staff of Silchar Medical College are performing their duties in Guwahati and Dibrugarh Medical Colleges but drawing salary from account of Silchar Medical College ?

b) If so, what are the reasons ?

Dr. Bhumidhar Barman (Minister, Health & F.W.) replied :

a) Yes, only 3 doctors.

b) In the interest of public service.

বিষয় ঃ বজাৰ ঘাটৰ ডাক ব্যৱস্থা

শ্রীভূপেন বায়ে সুধিছে :

৫১২ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) মানিকপুৰ আঞ্চলিক পঞ্চায়তৰ অন্তর্গত কিমানখন বজাৰ, হাট আদি ডাক দিয়া হয় ?

খ) উক্ত বজাৰ হাট সমুহ চলিত বছৰত ডাক দিয়া গৈছেনে ? যদি হৈছে নিবিদা আহ্বান কৰা হৈছিলনে ?

গ) প্রতিখন বজাৰ হাটৰ বিপৰীতে দাখিল দিয়া নিবিদাকাৰী ব্যক্তিৰ নাম আৰু ধনৰ পৰিমান অনুগ্রহ কৰি জনাবনে ?

ডাঃ ভূমিধৰ বর্মন (পঞ্চায়ত বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) ১৯৯৪-৯৫ চনৰ বাবে হাট ১৮ খন, পাৰঘাট ১২ খন আৰু মীনমহল ৯ খন ডাক দিয়া হয় ।

খ) হয় । মানিকপুৰ আঞ্চলিক পঞ্চায়তে যথা নিয়মে নিবিদা আহ্বান কৰিছিল ।

গ) নিবিদাকাৰী ব্যক্তিৰ নাম আৰু ধনৰ পৰিমানৰ তালিকা পৰিশিষ্ট 'খ'ত গাঠি দিয়া হ'ল । (See the Annexure—X)

বিষয় ঃ বৃদ্ধ পেঞ্চনৰ মঞ্জুৰী ।

শ্রীফণী ভূষন চৌধুৰীয়ে সুধিছে :

৫১৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) ১৯৯১ চনৰ জুলাই মাহৰ পৰা বর্ত্তমানলৈ বর্ত্তমানৰ চৰকাৰখনে নতুনকৈ কিমানজনক বৃদ্ধ পেঞ্চন মঞ্জুৰ কৰিলে ?

খ) উক্ত সময় ছোৱাত বঙাইগাওঁ মহকুমাত এজনকো নতুনকৈ বৃদ্ধ পেঞ্চন মঞ্জুৰ নকৰাটো সচাঁনে ?

গ) যদি সঁচা হয়, নতুনকৈ বৃদ্ধ পেঞ্চন মঞ্জুৰ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯১ চনৰ নবেম্বৰ মাহৰ পৰা গোতেই অসমত মুঠ ১০,৭৪২ জন মানুহক নতুনকৈ বৃদ্ধ পেঞ্চন মঞ্জুৰ কৰা হৈছে ।

খ) সচাঁ নহয় । বঙাইগাওঁ জিলাত মুঠ ৫০৭ জনক নতুনকৈ মঞ্জুৰী দিয়া হৈছে ।

গ) প্রশ্ন নুঠে ।

Subject : PHC Building Construction.

Shri Suren Swargiari asked:

514. Will the Minister of Health & Family Welfare be pleased to State :

a) Whether the Government is aware of the fact that the building construction of the newly established Dighaldanga PHC. under Joint Director, DHS. Nalbari has been completed ?

b) If completed - what action Government has been taken for the sanction of Staffs to the said P. H. C. ?

Dr. Bhumidhar Barman (Minister of Health & Family welfare) replied :

a) No. 92% of construction works of Dighaldanga PHC has been completed as per latest progress report.

b) The necessary post for Dighaldanga PHC has been created vide letter No. HLA 548/93/13 dt. 28.2.95.

বিষয় : প্রশিক্ষার্থীলৈ সাহায্য ।

শ্রীপানীৰাম বাভাই সুধিছে :

৫১৫। মাননীয় সমাজ কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) বৰমাত থকা V. T. R. C. ৰ প্রশিক্ষার্থী সকলে (১৯৯১-৯২ ইং চনৰে পৰা) পাব লগা সাহায্য মঞ্জুৰী নোপোৱাটো মন্ত্রী মহোদয় অৱগতনে ? যদি অৱগত কি ব্যৱস্থা লৈছে জনাবনে ?

খ) খাবুৰাত নির্ম্মান কৰা স্থায়ী কার্য্যালয়লৈ স্থানান্তৰ নকৰি ভাৰাঘৰত V. T. R. C. অফিচটো ৰখাৰ ৰহস্য জনাবনে ? বাইজে খাকৰালৈ নিয়াৰ বাবে আবেদন কৰাটো মন্ত্রী মহোদয় অৱগত নে ?

শ্রীকুলবাহাদুৰ ছেত্রী (সমাজ কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয়, ব্যৱস্থা লৈ থকা হৈছে ।

খ) ডি, টি, আৰ, চি ৰমাৰ অধ্যক্ষাক ঘৰটো চমজি লবলৈ নির্দ্দেশ দিয়া হৈছে ।

বিষয় ঃ বিদ্যালয় অনুদান।

শ্রীবদন বকৰাই সুধিছে

৫৬। মাননীয় অসম ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) গুৱাহাটী মহকুমা অনুসুচীত জাতি উন্নয়ণ বোৰ্ডৰ জৰিয়তে ১৯৯৪-৯৫ বিত্তীয় বৰ্ষত গুৱাহাটী গান্ধীনগৰ ছোৱালী হাইস্কুলে কিবা অনুদান পাইছেনেকি ?

খ) যদি পাইছে কিহৰ ভিত্তিত এই অনুদান পাইছে আৰু কিমান টকা অনুদান পাইছে ?

গ) অনুদানটো পাবলৈ বিদ্যালয় কতৃপক্ষই কৰা আবেদনত বিদ্যালয় খনত অনুসুচীত জাতিৰ কিমানজন ছাত্রী থকা দেখুৱাইছে ?

ঘ) বিদ্যালয়খনক কি কামৰ বাবে অনুদানটো দিয়া হৈছে ?

শ্রীচামেশ্বৰ প্রেগু (অসম ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) গুৱাহাটী মহকুমা অনুসুচীত জাতি উন্নয়ণ বোৰ্ডৰ সভাপতিৰ অনুমোদনৰ ভিত্তিত মুঠ ১,০০,০০০/- টকা (এক লাখ টকা) পাইছে।

গ) মুঠ ১৮০ জন ছাত্রীৰ ভিতৰত ৮০ গৰাকী অনুসুচীত জাতিৰ।

ঘ) গৃহ নির্মানৰ বাবে।

বিষয় ঃ চিকিৎসালয়ত পেয়িং কেবিনৰ ব্যৱস্থা

শ্রীসুৰ কুমাৰসেনে সুধিছে ঃ

৫৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ধৰুৱীত ২০০ (দুইশ) খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়ত সৰ্ব্বমুঠ পেয়িং কেবিন (পেয়িং কেবিন) ৰ সংখ্যা কিমান ?
(ব্যৱহাৰৰ সংখ্যা কিমান)

খ) উক্ত চিকিৎসালয়ত নতুনকৈ পেয়ি কেবিন (পেয়িং কেবিন) তৈয়াৰ কৰাৰ কেনো সিদ্ধান্ত লৈছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ধুবুৰী ২০০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয়ত সৰ্ব্বমুঠ ২০ খন পেয়িং কেবিনৰ ব্যৱস্থা আছে।

খ) উক্ত চিকিৎসালয়ত নতুনকৈ পেয়িং কেবিন বঢ়োৱাৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ ডাক্তৰৰ সংখ্যা

মোঃ মহিবুল হকে সুধিছে ঃ

৫১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ধুবুৰী জিলাত সৰ্ব্বমুঠ কোন কোন চিকিৎসাবিভাগৰ কিমানজনকৈ ডাক্তৰ থাকিব লাগে ?

খ) ইয়াৰে কোন কোন বিভাগত কিমানজনকৈ আছে আৰু কিমানজনকৈ কম আছে ?

গ) যদি কম আছে কিয় কম আছে আৰু কিমানদিনৰ পৰা কম আছে, কাৰণসমূহ বিতংকৈ দৰ্শাবনে ?

ঘ) ডাক্তৰৰ খালীধকা আসনসমূহ পুৰণকৰাৰ চৰকাৰৰ দায়বদ্ধতা আছেনে ?

ঙ) যদি আছে, ধুবুৰীজিলাবাসীৰ চিকিৎসা সেৱাৰ ক্ষেত্রত চৰকাৰে কি কি ব্যৱস্থা লৈছে, এটা প্রতিবেদন দাখিল কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য ও পৰিয়াল কল্যান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ধুবুৰী জিলাত মঞ্জুৰীকৃত মুঠ পদৰ সংখ্যা যেনে ঃ

এল'পেথিক চিকিৎসক—১৩০ টা
আয়ুৰ্বেদিক চিকিৎসক— ১৭ টা
হোমিওপেথিক চিকিৎসক— ২ টা
দন্ত চিকিৎসক — ৩ টা

খ) ১) এল'পেথিক চিকিৎসক মুঠ ১৩০ জনৰ ভিতৰত বৰ্ত্তমান ৮৯ জন আছে (৪১ জন কম আছে)

২) আয়ুৰ্বেদিক চিকিৎসক মুঠ ১৭ জনৰ ভিতৰত বৰ্ত্তমান ১৬ জন আছে। (১ জন কম আছে)

৩) হোমিও পেথিক চিকিৎসক মুঠ ২ জন আছে। (কম নাই)

৪। দন্তচিকিৎসক মুঠ ৩ জনৰ ভিতৰত ২ জন আছে। (১ জন কম আছে)

গ) চিকিৎসক সকলৰ পদোন্নতিৰ কাৰণে আৰু প্রয়োজন সাপেক্ষে চিকিৎসক

সকলক স্থানান্তৰকৰণৰ বাবে বিভিন্ন সময়ৰ পৰা উপৰোক্ত পদসমূহ খালী হৈ আছে।

ঘ) আছে।

ঙ) পুঁজি সাপেক্ষে চিকিৎসালয় সমূহত ঔষধ যোগান আৰু খালী হৈ থকা পদসমূহত ডাক্তৰ, নাৰ্চ, ফাৰ্মাচিষ্ট আদিৰ নিযুক্তিৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ কেন্সাৰ ৰোগৰ চিকিৎসা।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী য়ে সুধিছে ঃ

৫১৯। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত কেন্সাৰ ৰোগ চিকিৎসা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়তে প্ৰথমে আৰম্ভ কৰা হৈছিল, কথাটো সত্যনে ?

খ) বৰ্ত্তমানেও উক্ত মহাবিদ্যালয়ত মাত্ৰ এটা অতি পুৰণি কোবেল্ট ৬০ মেচিনৰ দ্বাৰা কেন্সাৰৰ চিকিৎসা চলাই থকা হৈছে নেকি, আৰু এই মেচিনৰ কোবেল্টৰ চোৰ্চ যথেষ্ট ক্ষয় (ডিকে) হোৱাত ৰোগী সকলে আশানুৰূপ আৰোগ্য লাভ কৰিব নোৱাৰাটো সত্যনে ? চৰকাৰৰ মন্তব্য কি ?

গ) উক্ত মেচিনটো কেতিয়া বহুৱা হৈছিল আৰু ইয়াৰ আয়ুস অৰ্থাৎ কাৰ্য্যক্ষম হৈ থকাৰ ম্যাদ কিমান আছিল ?

ঘ) ১৯৯২ চনত এটা থেৰ্ট্রন ৭৮০ কেন্সাৰ ৰোগৰ চিকিৎসাৰ বাবে অনা উন্নত মেচিন এটা মহাবিদ্যালয়খনলৈ আনটো সচাঁ নেকি, যদি সচাঁ মেচিনটো কাৰ্য্যক্ষম (ইনচটেলেচন) কৰি তোলা হোৱা নাই কিয় ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়, সত্য।

খ) এটা কোবাল্ট ৬০ মেচিনৰ দ্বাৰা চিকিৎসা চলাই থকা হৈছে। কিন্তু ৰোগী সকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে অতি সোনকালে আৰু এটা কোবাল্ট ৬০ মেচিন বহুৱাবলৈ ইতিমধ্যে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰিছে।

গ) বৰ্ত্তমান ব্যৱহাৰ কৰি থকা মেচিনটো ১৯৬৭ চনত বহুৱা হৈছিল। ইয়াৰ কাৰ্য্যক্ষমতাৰ ম্যাদ প্ৰায় শেষ হৈ আছিছে।

ঘ) সচাঁ। এই মেচিনটো অতি সোনকালে বহুৱাই কাৰ্য্যক্ষম কৰি তোলা হব। ইয়াৰ বাবে যাৱতীয় সকলো ব্যৱস্থা প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে।

Statement By Chief Minister

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা কালিৰ প্রশ্ন এটাত মাননীয় সদস্যই কৈছিল মুখ্যমন্ত্রীৰ পেডত চিঠি গৈছে আৰু লগতে অন্যান্য কথাও কৈছিল। মই সেইটো চালো, সেইটো সত্য নহয়।

*শ্রীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, সেই চিঠিখন মুখ্যমন্ত্রীৰ নামত মুখ্যমন্ত্রীৰ কার্য্যালয়ৰ পৰা গৈছে। মোৰ লগত তাৰ কপি আছে। মই কৈছো সেইখন মই আনি দিম।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সেইখন আনিলে ভাল পাম।

*ডাঃ জয়নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ অর্ডাৰ, আজি সদনত মাননীয় মন্ত্রী এজনে কৈছে যে আমি চাকৰিয়ালক প্রিক মতে দৰমহা দিব পৰা নাই। কিন্তু মাননীয় वित्त বিভাগৰ মন্ত্রী মহোদয়ে সিদিনা কৈছিল চৰকাৰে চাকৰিয়ালসকলক নিয়মিত ভাৱে দৰমহা দি আছে। কিন্তু মাননীয় মন্ত্রী এজনে দিব পৰা নাই বুলি কৈছে। এতিয়া वित्त মন্ত্রীয়ে ইয়াৰ এটা ক্লেৰিফিকেশ্যন" দিব লাগে।

*শ্রীজ্ঞানকান্ত গগৈ (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো কৈছে যদিও আচলতে চৰকাৰে দৰমহা দি আছে আৰু তেওঁলোকেও দৰমহা পাব। ষিটো দিয়া হৈছে পাব চিডিৰ প্রশ্ন মুখে। (সদনত হুলস্থুল হয়)

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) মাননীয় অধ্যক্ষ ডাঙৰীয়া, ষিটো মাননীয় মন্ত্রী বৰ্মণ ডাঙৰীয়াই কৈছে সেইটো সচা আৰু মাননীয় মন্ত্রী গগৈ দেৱে কোৱাটোও সচা। পঞ্চায়তৰ চাকৰীয়াল বিলাক চৰকাৰী চাকৰীয়াল নাছিল। পঞ্চায়তৰ কর্ম্মচাৰীক দা-দৰমহা নিদিয়াকৈ চলি আছিল। যেতিয়া পঞ্চায়ত এখন নতুনকৈ কৰা হল তেতিয়া তৃতীয় শ্রেনী আৰু চতুর্থ শ্রেনীৰ কর্ম্মচাৰী সকলক দা-দৰমহা পঞ্চায়তে দিব লগা হল। বিৰোধী দলৰ সদস্য সকলে পঞ্চায়তক লৈ নানা ধৰণৰ আলোচনা হৈছিল। আমি নির্ব্বাচনৰ সময়তে এইটো 'ইচু' কৰিছিলো পঞ্চায়ত কর্ম্মচাৰী সকলক দৰমহা দিম। আমি চৰকাৰ গঠন কৰাৰ পিচত পঞ্চায়ত ৪৫৬৫ টা চাকৰি 'প্রভিনচিয়েলাইজ' কৰিছে আৰু ২৪০৬ খন নতুন পঞ্চায়ত কৰা হৈছে। তাৰ কর্ম্মচাৰী সকলে সময়মতে দৰমহা পোৱা নাই যদিও ৩ মাহ ৬ মাহৰ মুৰে মুৰে দৰমহা পাই আছে

★Speech not corrected

ডঃ জয়নাথ শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রীয়ে যি দৰমহা দিয়াৰ কথা কৈছে 'থাৰ্ড গ্ৰেড, ফৰ্থ গ্ৰেড' কোনেৱে দৰমহা পোৱা নাই।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কৈছো এইটো - থাৰ্ড গ্ৰেড, ফৰ্থ গ্ৰেড' সকলোৱে ৩ মাহ ৬ মাহৰ পিচত চেংশ্যান হলে দৰমহা পায়। ২৪-৬ খনী নতুনকৈ গঠন কৰা পঞ্চায়তৰ কৰ্মচাৰীক দৰমহা দিব পৰা নাই। সেই চাকৰিবিলাক চৰকাৰী কৰণ কৰিলে দিব পৰা হব।

Mr. Speaker : I have received as many as 8 Zero Hour notices for 31-3-95 in the name of the following Hon'ble Members :—

1. Shri Prafulla Kumar Mahanta
   Shri Samidul Alam Choudhury
2. Shri Gahin Chandra Das
3. Shri Hitendra Nath Goswami
4. Dr. Kamala Kalita
5. Shri Hitesh Deka
6. Shri Hitesh Deka
7. Shri Samarendra Nath Sen
   Shri Mission Ranjan Das
8. Shri Mission Ranjan Das

As per Rules, I have selected only 3 Zero Hour notices for raising before the House today :

1. I now call upon the Hon. Member, Shri Hitesh Deka to raise his Zero Hour motion which was published in 'Ajir Sangbad' dated 30-3-95 under the caption

Discussion During zero Hour

*শ্রীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ সংবাদ বাতৰি কাকতত প্রকাশিত 'আজিৰ সংবাদ' কৰ্মচাৰীৰ আন্দোলন' শীৰ্ষক বাতৰিটোৰ প্রতি মই সদনৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। গুৱাহাটী নগৰৰ মাজ-মজিয়াত থকা এই কাকতখনৰ কৰ্মচাৰী সকলে কিয় দৰমহা পোৱা নাই। ভালেমান দিন ধৰি যি সকল কৰ্মচাৰীয়ে দৰমহা পোৱা নাই এই ক্ষেত্রত বাতৰি কাকত খনৰ কৰ্মচাৰী সকল ইতিমধ্যে মাননীয় শ্রম বিভাগৰ মন্ত্রী আৰু শ্রম আয়োক্তক বিষয়টো

★ Speech not corrected

দৃষ্টিগোচৰ কৰা স্বত্বেও কোনো এটা সু-ব্যৱস্থা লোৱা হোৱা নাই। সেই কাৰণে এই কৰ্ম্মী সকলে যাতে নীতি মতে আৰু নিয়মীয়া ভাবে দা-দৰমহা পাই তাৰ কাৰণে ব্যৱস্থা লব লাগে আৰু এই সম্পৰ্কত মই বিষয়টো সদনৰ দৃষ্টিগোচৰ কৰি মাননীয় মন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

* শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ সংবাদ' বাতৰি কাকত 'আজিৰ সংবাদ' কৰ্ম্মচাৰীৰ আন্দোলন' শীৰ্ষক বাতৰিটোৰ 'ভিৰ আৰাৰ'ৰ প্ৰশ্ন আহিছে। এই বাতৰি কাকতৰ কৰ্ম্মচাৰী সকলে প্ৰতিষ্ঠানটোত কাম কৰি আহিছে আৰু কাকতখনে কম দিনৰ ভিতৰতে বহল প্ৰচাৰৰ সুবিধা পাইছে আৰু সেই কাকতখনৰ কৰ্মচাৰী সকলে ৩/৪ মাহ ধৰি দৰমহা পোৱা নাই বুলি কৈছে। তেওঁলোকে আন্দোলনৰ কাৰ্য্যসূচী লৈছে বুলি কৈছে আৰু তেখেতে শ্ৰম বিভাগৰ আয়ুক্ত আৰু শ্ৰম মন্ত্ৰীক লগ ধৰাৰ কথা কৈছে। শ্ৰম বিভাগৰ এটা নিয়ম আছে যেতিয়া শ্ৰমীক সকলে আন্দোলন কৰিব লগা হয় তাৰ আগতে শ্ৰম বিভাগৰ কাৰ্য্যালয় আছে তাত 'লেবাৰ অফিচাৰ' বা 'এচিষ্টেন্ট লেবাৰ কমিশ্নাৰ' আছে তাত শ্ৰমিক সকলে জনাব লাগে। যদি তেওঁলোকক এই বিষয়ে উক্ত বিষয়া সকলক জনাইছে তেতিয়াহলে তেওঁলোকে কন্সিলেশ্যন' কৰিব লাগে। মই জানিব পাৰিছো তাত 'কন্সিলেশ্যন' চলি আছে। এই সম্পৰ্কে মই খবৰ কৰি প্ৰয়োজনীয় ব্যৱস্থা লম।

* শ্ৰীহিতেশ ডেকা : অধ্যক্ষ মহোদয়, এই বাতৰি কাকতখনৰ ৫০ জন কৰ্ম্মচাৰীয়ে আজি ৩/৪ মাহে দৰমহা পোৱা নাই আৰু সেইটো নিশ্চয় মন্ত্ৰী মহোদয়ে জানে। তাৰোপৰি তেওঁলোকক নিয়মিত ভাবে নিযুক্তি পত্ৰও দিয়া নাই। তেওঁলোকে এই কথাবিলাক শ্ৰম আয়ুক্ত আৰু শ্ৰম মন্ত্ৰীক জনাইছে। আজি গুৱাহাটীৰ পৰা প্ৰচাৰিত বাতৰি কাকত এখনৰ কৰ্ম্মচাৰী সকলৰেই অৱস্থা যদি এনে হয় তেনেহলে বাকীবোৰ ঠাইৰ অৱস্থা কি হব ? সেইকাৰণে বাতৰি কাকতৰ কৰ্ম্মী সকলৰ ওপৰত যাতে শোষণ নীতি বন্ধ কৰিব পাৰি আৰু গনতান্ত্ৰিক অধিকাৰ সংলো ক্ষেত্ৰতে সাব্যস্ত হয় তাৰ কাৰণে শ্ৰম মন্ত্ৰী মহোদয়ে আমাক আশ্বাস দিব লগে আৰু এই বিষয়টোৰ সম্পৰ্কে অহা ১৯ তাৰিখৰ ভিতৰত এই সদনত এখন প্ৰতিবেদন দাখিল কৰিব নেকি ?

* শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোঁৱেই যে এই বিষয়টো লেবাৰ কমিছনাৰ আৰু এচিষ্টেন্ট লেবাৰ কমিছনাৰ লেভেলত কনচি-

★Speech not corrected

লিয়েচন চলি আছে। গতিকে তেওঁলোকৰ পৰা প্ৰতিবেদন আনি সদনত দিব পৰা হব। কিন্তু এইটো যিহেতু এটা ব্যক্তিগত প্ৰতিস্থান গতিকে ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্ট মতে চলিব লাগিব। এই ক্ষেত্ৰত চৰকাৰ প্ৰত্যক্ষ ভাৱে দায়ী নহয়।

(Mr. Speaker vacated the chair and Mr. Dy. Speaker occupied the chair)

Mr. Deputy speaker: I now call upon the Hon'ble Member Shri Hitendra Nath Goswami to raise his zero Hour motion which was published in 'Asom Sangbad dated 27-3-95 under the Caption 'পূৱ অসম দুগ্ধ উৎপাদক সমবায় সংঘৰ অচলাবস্থা।"

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী :- মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ক এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে ১৯৮১ চনত পূৱ অসম দুগ্ধ উৎপাদক সমবায় সংঘ নামে উজনি অসমৰ ১০ খন জিলাক সামৰি এখন সমবায় সমিতি গঠন কৰা হৈছিল আৰু তাৰ মূল উদ্দেশ্য আছিল ৩০ হাজাৰ গো পালকক দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত সহায় কৰা। ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ আই, ডি, ডি, পি আৰু অসম চৰকাৰৰ সহযোগত ৩ কোটি ২৭ লাখ টকা ব্যয়ত যিটো দুগ্ধ উন্নয়ন প্ৰকল্প কৰা হৈছিল সেইটো ১৯৮১-৮২ চনৰ পৰা আজিলৈকে কাম সম্পূৰ্ণ নহল আৰু এতিয়া প্ৰকল্পটো একেবাৰে স্থবিৰ হৈ পৰাত তাত ইতিমধ্যে খৰছ হোৱা টকা খিনিও সম্পূৰ্ণ অথলে যোৱাৰ উপক্ৰম হৈছে। তাৰ বাহিৰেও টিয়কৰ ওচৰত ১ কোটি ৫০ লাখ টকা খৰচ কৰি যিটো ফিড মিলৰ কাম আৰম্ভ কৰা হৈছিল সেইটোও আজিলৈকে সম্পূৰ্ণ হৈ নুঠিল আৰু এইটো এতিয়া সম্পূৰ্ণভাবে ধ্বংস হৈ যোৱাৰ উপক্ৰম হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা ৩১ আগষ্ট তাৰিখে মুখ্য মন্ত্ৰী, সমবায় মন্ত্ৰী, পশুপালন বিভাগৰ মন্ত্ৰী আৰু অন্যান্য বিষয়াৰ উপস্থিতিত কৰ্ম্মচাৰী সকলৰ এটা আলোচনা হৈছিল আৰু সেই আলোচনাত বৰ্ত্তমানে অৰ্থ সংকটত পৰি অসম্পূৰ্ণ হৈ থকা সংঘৰ কামকাজখিনি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰে প্ৰয়োজনীয় অৰ্থৰ যোগান ধৰি আধৰুৱা হৈ থকা গো দানা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা, সংঘই স্বতন্ত্ৰভাৱে গাখীৰৰ

ব্যৱসায় কৰা. কৰ্ম্মচাৰীৰ বকেয়া বেতনৰ ধন পৰিশোধ কৰা আদি সভাৰ অন্যতম সিদ্ধান্ত। কিন্তু যোৱা আগষ্ট মাহলৈ এই সিদ্ধান্তবোৰ লোৱা স্বত্বেও কৰ্ম্মচাৰী সকলে আজিলৈকে দৰমহা পোৱা নাই আৰু দুগ্ধ উন্নয়ন প্ৰকল্পটোৰ মূল কাম কাজ সম্পূৰ্ণ ৰূপে বাধাগ্ৰস্ত হৈ আছে গতিকে এই গোটেইখিনি কথা মই সদনৰ দৃষ্টিগোচৰ কৰিলো। এইটো ১৯৯২ চন পশুপালন বিভাগৰ অধীনত থকালৈকে কাম হৈ আছিল যদিও ১৯৯২ চনৰ পৰা এইটো ভেটেৰিনেৰীৰ অধীনলৈ অহাৰ পিচৰ পৰা কোনো কাম হোৱা নাই। এতিয়া এটা কথা হৈছে — The State Government has received fund from the Central Government under Integrated Dairy Development project by showing the Union as beneficiary.....

উপাধ্যক্ষ মহোদয়, মই আজি এই কথাখিনি এইকাৰণেই উৎথাপন কৰিছো যে আমাৰ পশ্চিম অসমত যিটো দুগ্ধ উন্নয়ন চচাইটি আছে সেইটো ভালদৰে চলি আছে। কিন্তু উজনি অসমৰ দুগ্ধ উন্নয়ন প্ৰকল্পটোৰ কাম কিয় আজিলৈকে সম্পূৰ্ণ কৰা হোৱা নাই। গতিকে এই প্ৰকল্পটোৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণে চৰকাৰে এটা স্পষ্ট নীতি হাতত লব লাগে। এই ক্ষেত্ৰত আৰু এটা কথা হ'ল এই সম্পৰ্কত মুখ্য মন্ত্ৰী মহোদয়ে ৮০ লাখ টকা বিলিজ কৰাৰ কাৰণে অৰ্ডাৰ দিছিল। সেই অৰ্ডাৰৰ নম্বৰটো হ'ল — ভি, এফ, ডি ৪০০৯৪। কিন্তু আজিলৈকে সেই টকাখিনি বিলিজ কৰা হোৱা নাই গতিকে চৰকাৰে এই ৩০ হাজাৰ গো-পালকৰ কথা চিন্তা কৰি এটা স্পষ্ট নীতি লব বুলি আৰু এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীৰ পৰা আশ্বাস পাম বুলি বিষয়টো সদনত দৃষ্টিগোচৰ কৰিছো।

*শ্ৰীনগেন নেওগ (সমবায় মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেইটো আমাৰ দৃষ্টিগোচৰ হৈছে। 'অসম সংবাদ' কাকতত যিটো বাতৰি প্ৰকাশ হৈছে সেই কথাখিনিৰ সত্যতা মই অস্বীকাৰ নকৰো। ১৯৮১-৮২ চনতে অসমত দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ আৰু গাখীৰৰ ক্ষেত্ৰত অসমক স্বাবলম্বী কৰিবলৈ সমগ্ৰ অসমতে তিনিখন দুগ্ধ উৎপাদন সমবায় সংঘ গঠন কৰা হৈছিল। ইয়াৰে এখন কাছাৰ আৰু কৰিমগঞ্জক লৈ এখন পশ্চিম অসমত আৰু এখন উজনি অসমক লৈ যোৰহাটত কৰা হৈছিল। যোৰহাটত স্থাপন কৰা এই সমবায় সমিতি আৰু

★Speech not corrected

কাছাৰৰ সমবায় সমিতি দুখনে আশাকৰা মতে কাম কৰিব পৰা নাই। এই দুয়োখনতে আৰম্ভনীৰে পৰাই কিছুমান বেমেজালি চলি আছে। বিশেষকৈ এই প্ৰকল্পটো আৰম্ভ কৰিবৰ বাবে চৰকাৰৰ পৰা যিখিনি টকা দিয়া হৈছিল সেই টকাখিনি খৰচ কৰি প্ৰকল্পটোৰ কাম সম্পূৰ্ণ কৰাৰ আগতে অপ্ৰয়োজনীয় ভাবে কিছুমান মানুহ নিযুক্তি দিয়া হ'ল আৰু এই টকা ডাইভাৰ্ট কৰি তেওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা কৰা হ'ল। মই জনামতে পূৰ অসম দুগ্ধ উৎপাদন সমবায় সংঘত ৬০ জনমান কৰ্ম্মচাৰী নিযুক্তি দিয়া হ'ল কিন্তু তাত এতিয়ালৈকে আমি আশা কৰা মতে উৎপাদন হোৱা নাই। মোৰ হাতত থকা তথ্য মতে তাত প্ৰতিদিনে ১৫০ লিটাৰ গাখীৰ উৎপাদন হয়।

উপাধ্যক্ষ মহোদয়, প্ৰকল্পটো ডাইভাৰ্ট কৰি কৰ্মচাৰী সকলক দৰমহা দিয়া হ'ল যাৰ কাৰণে প্ৰকল্পটো সম্পূৰ্ণ হৈ নুঠিল। মই জনামতে ৬০ জন কৰ্ম্মচাৰী আছে। সেই ৬০ জন কৰ্ম্মচাৰীৰে উৎপাদন আৰম্ভ কৰিব পৰা হোৱা নাই। আমাৰ তথ্যমতে তেওঁলোকে ১৫০ লিটাৰ গাখীৰ সংগ্ৰহ কৰিব পাৰে। সেই ৬০ জন কৰ্ম্মচাৰীয়ে কাম কৰিলে লাভ কেনেকৈ হব।

*শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, কংগ্ৰেছৰ দিনত গাখীৰ নোলোৱা হ'ল নেকি ?

*শ্ৰীনগেন নেওঁগ (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, অ মাৰ দিনত গাখীৰ নোহোৱা নহয়। ১৯৮১-৮২ চনতে এই প্ৰকল্পটো আৰম্ভ কৰিছিল। এতিয়া ১৫ বছৰ হৈছে। এই ১৫ বছৰে গাখীৰ উৎপাদন এই সমবায়ৰ জৰিয়তে কৰিব পৰা নাই। সমবায়খনৰ উদ্দেশ্য হৈছে এই সংঘৰ যোগেদি গাখীৰ যোগাৰ কৰিব আৰু শুলভ মূল্যত গ্ৰাহকক বিতৰণ কৰিব। লগতে মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰিছে যে দুগ্ধ উন্নয়ন বিভাগে গাফিলতি কৰাৰ কথাটো আমি স্বীকাৰ কৰো। দুগ্ধ উন্নয়ন বিভাগে গাখীৰ দিব লাগে কিন্তু চৰকাৰে টকা দিব পৰা নাই। কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কক্ষত সভা হৈছিল। তাত সকলো আছিল। আৰু সিদ্ধান্ত হৈছিল দুগ্ধ উন্নয়ন বিভাগক টকা বিলিজ কৰি দিব লাগে। কিন্তু দিয়া নাই সেয়ে অসুবিধা হৈছে। আমি সমবায় বিভাগৰ পৰা টকা বিচাৰি পি এণ্ড ডি লৈ লিখেছো। টকা পালে ব্যৱস্থা লোৱা

★Speech not corrected

হব। টিয়কৰ কেটেল ফার্ম সম্পূর্ণ হোৱা নাই। চৰকাৰৰ পৰা টকা পালে সম্পূর্ণ হব। (ভইচ : টকাৰ নাটনি হৈছে নেকি) হয় নাটনি হৈছে।

*শ্রীচন্দ্রমোহন পাটোৱাৰী : উপাধ্যক্ষ মহোদয়, টকাৰ নাটনি হৈছে যদি বিত্তমন্ত্রী মহোদয়ক কৈছেনে নাই। বিত্তমন্ত্রী মহোদয়ে তেখেতক দিল খোলাকৈ দিছে নে নাই।

*শ্রীনগেন নেওঁগ (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে জানে যে বিত্ত মন্ত্রীয়ে টকা দিব।

*শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মই কব বিচাৰিছো মাননীয় বিত্তমন্ত্রী মহোদয়ে দিল খোলালৈ টকা দিছে নে নাই সেইটোহে কব বিচাৰিছো।

*শ্রীনগেন নেওঁগ (মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক কব খোজো যে আপুনি যি ধৰণে ভাৱে সেই ধৰণে নহয়। বিত্ত মন্ত্রী ডাঙৰীয়া আৰু মোৰ মাজত এটা ভাল মিতিৰালি আছে।

*শ্রীচন্দ্রমোহন পাটোৱাৰী : উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্রী মহোদয়ৰ লগত মন্ত্রী মহোদয়ৰ বেয়া সম্পর্ক বুলি মই কোৱা নাই। পইচাখিনি দিল খোলা ভাৱে দিছেনে নাই তাকেহে কৈছো।

*শ্রীনগেন নেওঁগ (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, ইতিমধ্যে পি এণ্ড ডি লৈ লিখিছো। টকা পালে ব্যৱস্থা লোৱা হব।

*শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, পূৰ্ব অসম দুগ্ধ উৎপাদন সমবায় সমিতিখন কার্য্যকৰী কৰা যি প্রস্তাৱ আছিল তাত ৩৫০ কোটি টকা খৰচ কৰিছে। আজিলৈ হোৱা নাই। অৱশ্যে বহু সমস্যা আছে। সেই কথাটো জানো। কিন্তু আমাৰ কথা হৈছে প্রকল্পটো হব লাগে। প্রকল্পটো সম্পূর্ণ নৌহতেই ৬৪ জন কর্ম্মচাৰী দিছে। যত মাত্র ১৫০ লিটাৰ গাখীৰহে উৎপাদন হয়। তাৰোপৰি চেয়াৰমেনজন সম্পর্কেও বহুতো খেলিমেলি আছে সেইটোও চাব লাগে। ৰাজনৈতিক হেচাও আছে। গতিকে এইবিলাকৰ অৱসান ঘটাব লাগিব। গোটেই কথাখিনি তদন্ত কৰি আমূল পৰিবর্ত্তন আনিব লাগিব। লাইভষ্টক এণ্ড ডাইৰী ডেভালোপমেণ্ট উৎপাদন কৰি আছে। তাত এনিমেল হাচবেণ্ডৰী বিভাগৰ সম্পর্ক আছে। সমবায় বিভাগে শিৱসাগৰ জিলাত এতিয়ালৈ

★Speech not corrected

একো উন্নয়ন কৰিব পৰা নাই। এইটো সম্পূর্ণ ভাৱে তদন্ত কৰি তাৰ বাবে কোন দায়ী তেওঁলোকৰ ওপৰত ব্যৱস্থা লব লাগে পূৰ অসম দুগ্ধ উৎপাদন সমবায় সংঘৰ কৰ্ম্মচাৰী সকলৰ দৰমহাৰ উত্থাপন কৰিছে। এই সম্পৰ্কত সমবায় বিভাগে ফাইনেন্সলৈ লিখিছে। এই সম্পৰ্কত যোৱা ২ মাৰ্চ তাৰিখে উত্তৰ দিছে। সেই উত্তৰত জনাইছে। I am directed to state that due to reorientation of plan proposal it is not possible to accommodate the proposal from our side for the present. সমবায় বিভাগে পইচা নিদিলে ৬৪ জন কৰ্ম্মচাৰীৰ দৰমহাৰ ক্ষেত্ৰত কি কৰিব। যোৱা ১৫ মাহেও তেওলোকে দৰমহা পোৱা নাই। এইটোৰ কি ব্যৱস্থা কৰিছে। কমকৈ হলেও তেওঁলোকক দৰমহা দিব পৰা যায় নেকি এইটো মই জানিব বিচাৰিছো।

* শ্ৰীনগেন নেওঁগ (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, কথা হৈছে তাত যিসকল কৰ্ম্মচাৰী আছে তেওঁলোকক দৰমহা দিয়াৰ দায়িত্ব চৰকাৰৰ নাই। পূৰ অসম দুগ্ধ সমবায় সংঘৰ তৰফৰ পৰা কৰ্ম্মচাৰী সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰা হয়। তথাপিও আমি তেখেতসকলক দৰমহা দিবলৈ চেষ্টা কৰিছো। এই সম্পৰ্কত পি এণ্ড ডিৰ লগটো যোগাযোগ কৰিছো। মাননীয় মুখ্য মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ৰ লগতো যোগাযোগ কৰিছো যাতে কৰ্ম্মচাৰী সকলক দৰমহা দিব পৰা যায়। মাননীয় সদস্য গৰাকীয়ে ভেটেৰেনাৰী বিভাগৰ লগত আছিল বুলি কৈছে সেইটো সচা নহয়। ১৯৮১-৮২ চনত সমবায় বিভাগে প্ৰকল্পটো আৰম্ভ কৰিছিল। এতিয়ালৈ সমবায় বিভাগৰ হাতত আছে। যদি ডাইৰী ডেভালাপমেণ্ট ডিপাৰ্টমেণ্টে প্ৰকল্পটো যদি লব খোজে আমি ডেওঁলোকক দিম। আমাৰ আপত্তি নাই।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, পলট্ৰি ডেভালেপমেণ্টত আনিব পাৰিলে ভাল হয়। যিহেতু সেইটো ১৯৯২ চনৰ পৰা হৈছে। এইটো মই ৰাজনৈতিক দৃষ্টিভংগীৰ কথা কব খোজা নাই। মুঠতে প্ৰকল্পটো হব লাগে।

* শ্ৰীনগেন নেওঁগ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, মই ৰাজনৈতিক কথা নকও। আসাম পলট্ৰি ডেভালেপমেণ্ট আৰু লাইভষ্টক ডায়েৰী ডেভালেপমেণ্টৰ আণ্ডাৰলৈ আনিব নোৱাৰি। প্ৰয়োজন হলে ডায়েৰী ডেভালেপমেণ্টলৈ আনিব পাৰি।

* শ্ৰীনগেন শৰ্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ অপাৰেচন ফলাড ২ ৰ কেন্দ্ৰীয় চৰকাৰে যি টকা দিব লাগে সেই টকা বন্ধ হৈ আছে। তাত ৰাজ্যিক চৰকাৰেও চেয়াৰ দিব লাগে। অসম চৰকাৰে আগৰ চেয়াৰ নিদিয়া

*Speech not corrected

কাৰণে লগতে কেন্দ্ৰীয় চৰকাৰৰ আগৰ টকাৰ ইউটিলাইজেচন চার্টিফিকেট নিদিয়া কাৰণে কেন্দ্ৰীয় চৰকাৰে দিবলগীয়া টকা বন্ধ হৈ আছে। উপাধ্যক্ষ মহোদয়, মই এইটো জানো মই নিজে মন্ত্ৰী আছিলো। ১৯৮২ চনৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা পাইছে সেইখিনি টকা মেচিনাৰী কিনাত ধৰিছে। কৰ্ম্মচাৰীৰ নামত নহবিলে। ভাৰত চৰকাৰৰ অপাৰেচন ফলাড-২ এতিয়া শেষ হ'ল। ভাৰত চৰকাৰৰ অপাৰেচন ফলাড-৩ আৰম্ভ হৈছে। উপাধ্যক্ষ মহোদয়, এতিয়া ফলাড-৩ অধীনত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা অনাৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰীনগেন নেওঁগ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, এইটো ডায়েৰী ডেভালোপমেণ্টৰ কথা তেওঁলোকে ইউটিলাইজেচন চার্টিফিকেত দিলে টকাখিনি আনিব পৰা যাব।

* ডঃ জয়নাথ শৰ্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, টকা হিচাবে চৰকাৰৰ কিমান চেয়াৰ আছে আৰু এডমিনিষ্ট্ৰেতিভ কণ্ট্ৰল কিমান আছে।

* শ্ৰীনগেন নেওগ (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত গোটেই তথ্য, মোৰ হাতত নাই। এই নটিচখন আজি মই ৮-৩০ বজাত পাইছো। আৰু সেইমতে উত্তৰ দি আছো।

Mr. Deputy Speaker : I now call upon the Hon'ble Members Shri Samarendranath Sen and Shri Mission Ranjan Das to raise their zero Hour Motion in regard to the News item published in 'Samay Prabaha' dated 30-3-95 under the caption "বকেয়া করের পাহাড়, ছমাস ধরে বেতন নেই শিলচরের পুরকর্ম্মীদের"

Shri Samarendranath Sen : Sir, the motion was raised because the matter is very important one. Sir, it was published in the 'Samay Prabaha' dated 30th March, 1995 under the caption "বকেয়া করের পাহাড়, ছমাস ধরে বেতন নেই শিলচরের পুরকর্ম্মীদের" Deputy Speaker Sir, the employees of Silchar Municipal Board are not getting their salaries since last two months because there is huge amount of Tax arrears in Government Departments to be payable to Silchar Municipal Board. Sir, I am ready to read out the names of

★Speech not corrected

Government Departments which are yet to deposit their arrear amount of taxes :-

1. Police Super Office, - Rs. 7,35,455/-
2. Deputy Commissioner's - Office Rs. 6,15,188/-
3. Modern Food Industries - Rs. 4,00,000/-
4. PWD (Bldg) - Rs. 2,80,000/-
5. PWD (Roads) - Rs. 80,000/-
6. Flood Control - Rs. 1,83,000/-
7. Tourist Centre - Rs. 1,15,000/-
8. Dist. Elementary Edn. Officer Rs.90,000/-
9. A.S.T.C. - Rs. 50,000/-
10. Irrigation - Rs. 50,000/-
11. CM & HO's Office - Rs. 80,000/-
12. Silchar Medical College - Rs. 40,000/-
13. District Industries Centre - Rs. 30,000/-
14. District Library - Rs. 18,000/-
15. Forest Deptt. - Rs. 12,000/-

Sir, all these are Government Departments.

Sir, about Rs. 30 lacs are due from the Government Departments only. There are so many private parties also who are yet to deposit their taxes to Silchar Municipal Board, And as such the employees of Silchar Municipal Board are not getting their salaries since two months. Many of them are struggling very badly so far my information goes. So Sir, I would request the Government that the Executive Officer, Silchar Municipal Board be specially instructed to take immediate action to realise the amount of Taxes from the Govt. Departments so that the employees of the Municipalty can be given their salaries in due time. As you know Sir, there is no elected body in Silchar Municipal Board and in absence of it the Executive Officer is looking after the affairs of Municipal Board. But Sir, since he is

a Government officer he is afraid of taking any action against the Government Departments which are yet to clear-up the outstanding amount of taxes to be paid to Municipal Board.

Sir, last elections of Silchar Municipal Board were held in 1978. And after that there was no election at all. Sir, the Executive officer is very much afraid of taking any steps for collection of taxes because of various reasons. Even he cannot realise amount of taxes from the private parties, because of interferance from political parties. (No, I would not like to mention the name of the political parties.) Another very important matter Sir, as there is no Rule in Silchar Municipal Board the concerned Executive officer has auctioned a very valuable market of Silchar which is called New Market Silchar to only one particular party

"বকেয়া করের পাহাড়, ছমাস ধরে বেতন নেই শিলচরের পুরকর্মীদের। "..... " শিলচরের যে সব দপ্তর পুর সভাকে বকেয়া কর মিটিয়ে দিছে না সেগুলি হলো জেলাশাসকের দপ্তর, পুলিশ সুপারের দপ্তর, জেলা ও দায়রা জজের কার্য্যালয়, পর্যটন দপ্তর, মর্ডাণ ফুড, ইণ্ডাষ্টি, পূর্ত বিভাগ, বন্যা নিয়ন্ত্রণ বিভাগ, শিলচর মেডিকেল কলেজ, রাজ্য পরিবহণ নিগম ইত্যাদি এরমধ্যে সবসেয়ে বেশী বকেয়া রয়েছে পুলিশ সুপারের দপ্তরের এর পরিমাণ ৭ লক্ষ ৩৫ হাজার ৪৫৫ টাকা। দ্বিতীয় স্থানে রয়েছে জেলা শাসকের দপ্তর। টাকার পরিমাণ ৬ লক্ষ ২৫ হাজার ১৮৮ টাকা। অন্যান্য দপ্তরের বকেয়া করের পরিমাণ হচ্ছে—মর্ডাণ ফুড, ইণ্ডাস্ট্রী ৪ লক্ষ টাকা, পুর্ত (গৃহ নির্মান) ২ লক্ষ ৮০ হাজার। পুর্ত (সড়ক) ৮০ হাজার, বন্যা নিয়ন্ত্রণ দপ্তর ১ লক্ষ ৮৩ হাজার, জেলা ও দায়রা জজের দপ্তর ১ লক্ষ ৮০ হাজার, পর্যটন কেন্দ্র ১ লক্ষ ১৫ হাজার, জেলা প্রাথমিক শিক্ষা অফিসারের কার্য্যালয় ৯০ হাজার, রাজ্য পরিবহণ নিগম ৫০ হাজার, সেচ বিভাগ ৫০ হাজার, মুখ্য স্বাস্থ্য অফিসারের কার্য্যালয় ৮০ হাজার, শিলচর মেডিকেল কলেজ ৪০ হাজার, জেলা শিল্প কেন্দ্র ৩০ হাজার, জেলা গ্রন্থাগার ভবন ১৮ হাজার, বন বিভাগ ১২ হাজার। এছাড়া ছোট অংকের আরোকিছু টাকা অনাদায়ী হয়ে আছে বেসরকারী ব্যাক্তি ও প্রতিষ্ঠান সমূহের কাছে।

So, Sir first of all I request the Hon'ble Minister, Municipal Administration Deptt. to take necessary steps immediately directing the Execvtive officer, Silchar Municipal Board to realise the arrear Tax amount which are due to be collected from the Government Departments. I would also request the Hon'ble Minister that the market which was auctioned to a single party by the Municipal Board that should be ordered to be re-auctioned. Sir, I would also like to request the Hon'ble Chief Minister to take necessary steps for holding Silchar Municipal Elections so that the elected Body can take the responsibility of giving salaries etc. to its employees.

Sir, to tide-over the present financial position, I would request the Municipal Administration Minister to give at least some fund for the Silchar M. B for the present. But Sir, it is known to me what will be the reply of our MAD. Minister. He will say that the Silchar Municiapl Board is over burdened, which is functioning with surplus staff. Even in the Municipal office at Silchar there is no sitting accommodation for its own staff. Even if he thinks that Silchar M. B. is having surplus staff their salaries should be given in time since each of them are working properly according to their status. So, the employees should not be deprived of getting their salaries. Sir, to concluds, I would once again request the Hon'ble Minister to ask his Executive officer at Silchar M. B. to take early steps to realise the taxes from the various departments.

Shri Devanand Konwar, Minister (Municipal Administration) : Hon'ble Speaker Sir, our attention has been drawn in a news-paper item published in 'Sa nay Prabaha' dated 30-3-95 under the Caption—"বকেয়া কর আদায়, তুমাস ধরে বেতন নেই শিলচরের পুরকর্মীদের" It is a fact that various Government Departments have to pay their arrear dues amounting to about Rs. 30 lacs and the Hon'ble Member has mentioned

quite a number of Departments but he has not mentioned all. Here I would like to give an idea. There is an Executive Officer for Silchar Municipal Board who has been supervised by the Deputy Commissioner, Cachar, Silchar. If I give a data the picture will be clear. The Deputy Commissioner Office itself is a defaulter one. To that extent I would like to mention that in Silchar—"শিলচর পুরসভার আয় ও ব্যয়ের মধ্যে বিরাট অসংগতির কথা তুলে ধরে তিনি বলেন, শিলচর পুরসভার বার্ষিক ব্যয় সেখানে এক কোটী পচার্ত্তর লক্ষ টাকা সেখানে আয় হচ্ছে পয়ষট্টি থেকে আষট্টি লক্ষ টাকা।"

This is the clear picture. Let me complete my answer. I am telling you one more thing. Hon'ble Member had admitted that this is over-crowding. It is the Municipal Board who was responsible for payment of salaries to the staff. But this is extremely overstaffed. .....In Assamese..... The picture is clear. Their monthly expenditure is Rs. 1,17,0000/—. I think there is no much appointment on the part of the management and the employees of the Silchar Municipal Board themeselves are to collect arrear taxes. So, this has been a recurring problem and their employees are not getting their pay for the last two months only. But there are Municipal Boards in other parts of State also. Traditionally it has been seen that our Municipal Boards and Town Committees are not in a position to make payment even. The collection of taxes are very much less. They can impove their collections. It is a huge amount and more than lakhs of rupees which is in arrear from the Govt. banks. Under the Municipal provisions and powers, the Executive Officers are to take action. I do not think action in the right earnest. I received a communication in this regard yesterday. In that respect we are taking some action. In this month we are re-lising money by the Board amounting to Rs. 9 lakhs. So, they will be able to tide over some of these things. The Board is making all out efforts to

realise money both from Govt and non-Govt. tax-payers. In this way, the situation can be overcome. I would like to draw the personal attention of the Hon'ble members that I have taken up the matter seriously and I shall try to do the needful at the earliest possible time. Thanking you.

শ্রীধ্রুবকুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পৌৰ নিগমৰ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ধুবুৰী পৌৰ নিগমৰ ৬০ লাখ টকা পুলিচ চুপাৰিণ্টেদেণ্টৰ অফিচত দিপজিত হৈ আছে। সেই টকাখিনি বিলিজ কৰাৰ ব্যৱস্থা অতি সোনকালে কৰিব নেকি ?

Shri Debananda Konwar (Minister, MAD) : I am well aware of the situation in Dhubri Municipal Board, which is in great financial crisis. The problem in respect of collection of taxes in Dhubri Municipal Board from various Govt. Departments and various offices located within Municipal Board is the same. There are huge amounts are to be collected. We have instructed the Executive Officer in Dhubri also to make serious attempt to collect arrear taxes both from individual Government offices as well as individual non-Govt. tax-payers and one more thing that similarly we also gave Rs. 7 lakhs this month to the Dhubri Municipal Board and we are making serious attempt also. This is exactly the time the Municipal Bd. should, make collection thereby they will be able to complete the minimum requirement for payment of salaries to the staff out of it. With regard to the holding of elections of Municipal Bodies, there was a time earlier that there was a strike in Silchar Municipal Board and that election to the Silchar Municipal Board was already arranged and it was to be delayed due to law and order situation in Silchar Municipal Board. But we are requesting the Election Commission to make all preparations for holding elections of urban local bodies and it will be announced so that the Silchar Municipal Board and Dhubri Municipal Board and other Municipal Boards

will go for elections. They are making all necessary preparations. I hope, in a couple of months the Municipal Boards would go for elections. I hope, with the installation of the elected body, the financial crisis will be overcomed or the financial difficulty alleviated. We have also formed 19 Municipal Bodies in Assam but our experience with respect to their resource mobilisation is not very happy. It is not a fact that with the installation of the elected bodies financial resources of the municipal bodies or Town Committees will significantly be appreciable. As a matter of fact we have to take some revolutionary measures keeping in mind the development process of the Board. Now, liberalisation policy, unless we take some development policy or new orientation to the new concept of opinion and thinking.....

* শ্রীজয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে তেখেতৰ উত্তৰত এটা কথা স্পষ্ট কৰি দিছে যে শিলচৰ মিউনিচিপাল বোৰ্ডৰ কেইবাটাও চৰকাৰী প্ৰতিষ্ঠান ডিফলদাৰ হৈ আছে। ধিক তেনেকৈ মঙ্গলদৈ, কৰিমগঞ্জ, আৰু গুৱাহাটী মিউনিচিপালিটি কৰ্পোৰেচনৰ প্ৰতিষ্ঠান বিলাকো মেজৰ ডিফলদাৰ হৈছে। চাৰলৈ গলে গোটেইবিলাকে ডিফলদাৰ হৈছে। ১২-৭-৯৩ তাৰিখে মিউনিচিপাল বোৰ্ডৰ কৰ্ম্মচাৰীসকলৰ লগত চৰকাৰৰ এখন স্মাৰক পত্ৰত চহী হৈছিল। সেইমৰ্ম্মে আজিলৈকে একো একচন নহল। এখন সহাৰ লগত হোৱা চুক্তিমতে প্ৰত্যেকটো দফা কাৰ্য্যকৰী নকৰাকৈ আপোনালোকে কি কাৰণত ভুল পথ বা বিপথে লৈ গৈছে।

* শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মিউনিচিপাল বোৰ্ডৰ বিষয়ে যিমিনি কথা-বতৰা চলি আছে সেইখিনিকে মই শূন্য কালতে আনিম আনিম বুলি ভাবিছিলো যদিও এতিয়াই কবলৈ সুবিধাকণ পাই কৈছো যে গুৱাহাটীৰ বিভিন্ন ঠাইত পানী নাই। সাধ্য বাতৰিত ওলাইছে যে মিউনিচিপালিটিয়ে পানী যোগান ধবাৰ ওপৰিও অসম পুলিচ আৰু কংগ্ৰেছ সেৱা দলে অকলে পানী যোগান ধৰিব নোৱাৰে।

*Speech not corrected

* শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শর্ম্মা ডাঙৰীয়াই কৈছে যে শিলচৰ, ধুবুৰী, মঙ্গলদৈ বা ডিব্রুগড়ুতে নহয় মিউনিচিপাল বিভাগৰ ওপৰিও অন্যান্য বিভাগ আছে। এ, এচ, ই বি, ৰ কথাও পাটোৱাৰী ডাঙৰীয়াই উল্লেখ কৰিছে for the last two or three years it has been accomulating এইবিলাক কাৰণতে হৈ আছে। Government Departments is to pay Psychologically this amount of energy bill. মই দেখিছো এৰাৰ এষ্টেণ্ড কৰাৰ সময়ত একে মাহতে ৭ লাখ টকা খৰছ কৰিছে। ষ'ত নেকি মিউনিচিপালিটিৰ ১½ লাখ টকাও কালেকচন কৰা নহয়। কিছুমানে টেক্স ফেয়াৰ টকা দিব নোৱাৰিও পাৰে। ৰৰঞ্চ অন্য ধৰণৰ কিছুমান এষ্টেমৰ কথা কৰ বিচাৰিছো আমাৰ মাননীয় সদস্য সকলে জানে যে মিউনিচিপালিটিত কিমান টেক্স কালেকচন হয়। টেক্সৰ কাৰণে বজাৰ তৈয়াৰ কৰিব লাগিব। হাটখোৱাক চৰকাৰে যথেষ্ট লোণ দিয়ে। বজাৰত যিখিনি টেক্স কালেকচন হয় তাৰে শতকৰা ৭০ ভাগ হাতখোৱাই পায়। বাকী শতকৰা ৩০ ভাগ চৰকাৰে পায়। ইনটলবিলাক সময়মতে লব নোৱাৰে কাৰণে এসময়ত প্রাইচ স্কেল বহুত বাঢ়ি যায়। মাননীয় সদস্য শর্ম্মা ডাঙৰীয়াই কৈছে যে ২ বছৰৰ আগেয়ে ষ্ট্রাইক কৰিছিল। যিগৰ চুক্তিত সাক্ষৰ কৰিছিল সেই চুক্তিখনৰ প্রত্যেকটো দফা পালন কৰিব পৰা নাই। মই ভাবিছিলো তেওঁলোকক কামৰ কাৰণে এককালীনভাৱে ১ কোটি টকা বা ১½ কোটি টকা দিয়া হব। চুক্তিখনৰ মতে আমি সম্পূৰ্ণকৈ পালন নকৰা নহয়। যোৱা ফেব্রুৱাৰী মাহত মিউনিচিপালিটিক বহুত টকা দিয়া হৈছে। তাৰে বেতিনিউ ডিপোজিটত ৪ কোটি টকা আছিল। সেই ৪ কোটি টকাৰ পৰা ১ কোটি টকা গুৱাহাটী মিউনিচিপালিটি কৰ্পোৰেচনক দিয়া হল। বাকী ৩ কোটি টকা এই মাহৰ ভিতৰতে দিয়া হব। টকা ড্র কৰা আছে। চুক্তিখনৰ মতে আমি কাম নকৰা নহয় আৰু গাফিলতিও কৰা নাই। হয়তু পুজিৰ অভাৱৰ কাৰণেই কৰিব পৰা নাই। পুজি টনকিয়াল হলে এককালীন ভাৱে দিম বুলি ভাবিছো। তেওলোক অসত্য কথা কৈ বিপথে পৰিচালিত কৰা নাই। মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই কৈছে যে বাইজৰ ওচৰত পানী যোগান ধৰিব পৰা নাই। গুৱাহাটীত কেইবাটাও কথা আছে তাৰে ভিতৰত বাইজক খুৱাৰৰ কাৰণে যোগান ধৰা পানীৰ চোৱচটো হৈছে ব্রহ্মপুত্র নদীৰ পৰা। ব্রহ্মপুত্রৰ পৰা পানী আনি শোধন কৰাই পানীৰ

*Speech not corrected

যোগান ধৰা হয়। আৰু কিছুমান সমস্যাৰ কথা মাননীয় সদস্য সকলে জানে বিভিন্ন অঞ্চলত কুৱা আছে কিন্তু পানী নাই। হেঙ্গৰাবাৰীত এটা প্ৰকল্প চলি আছে এইটো প্ৰায় শতকৰা ৮০ ভাগ কাম হৈ আছে। সেই প্ৰকল্পটোৰে বেছি অঞ্চল আগুৰিব নোৱাৰে। এফালে জুনাবেঙ্গী বোডৰ পৰা হেঙ্গৰাবাৰীলৈকে গুৱাহাটী মিউনিচিপালিটি ডেভলপমেণ্ট এৰিয়া সাঙুৰি লোৱা হব। মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই কৈছে যে বাইজে পানী নাপায়, এইখিনিতে মই কব বিচাৰিছো যে গুৱাহাটীত ডাঙৰ ডাঙৰ কিছুমান হোটেল, গেষ্ট হাউচ, অফিচ প্ৰকল্প, দীপ টিউবেল বনাইছে। বেলতলাৰ ওচৰত এখন ডাঙৰ হোটেল আছে। তাত দীপ টিউবেল বহুবাইছে। সেইটো বহুওৱাৰ কাৰণে কাষৰ যিবিলাক মানুহ আছে অন্ততঃ ৫০০ এবিয়াৰ মানুহে কুৱা বা দম কলৰ পানী নাপায়। চায়েন টিফিক বেচিচত আছে বুলি কয় for example, in Ahmedabad the water level is going down by 50 feet every year. And it has been reported that in Gujrat the water is 600 feet below from the Surface. But, I am very optimistic about it. There are ways to tide over the financial stringancy in the Municipal Boards, by collecting municipal taxes. It is not that they will spent the entire amount. Another thing, utility certificate in respect of repairing a flood damage. But they can replace the fund after they can took it out of it. That is the only answer. They will have to go for collecting taxes. So, what I feel the Executive officers under the Act can go for collection. They can really collect because we have sent in the other departments.

মাননীয় উপাধ্যক্ষ মহোদয়, আহমেদাবাদ, গুজৰাটত ৱাটাৰ টেবুল ইমান তললৈ গৈছে যে তাত ৩০০ ফুট তললৈ খান্দিলেও যে পানী ওলাব তাত সন্দেহ হয়। In Ahmedabad and Gujrat water cable is going down every year by 50 feet. In Gujrat one has to dig up to 600 ft. below. অৱশ্যে অসমৰ ক্ষেত্ৰত ইমানখিনি হোৱা নাই যদিও ক্ৰমে ক্ৰমে অসমৰ বিভিন্ন ঠাইত ৱাটাৰ টেবুলটো কিছু তললৈ নামি আহিছে। Every year water level is going down.

★Speech not corrected

* শ্রীহিতেন্দ্র নাথ গোস্বামী : গুজবাট আহমেদাবাদৰ কথাটো বেলেগ সেইবিলাক ঠাই এনেয়ো ড্রট হৈ থাকে, কিন্তু আমাৰ ইয়াতটো তেনে নহয়, ইয়াত যিটো অভাব পানীৰ ক্ষেত্ৰত সৃষ্টি হৈছে সেইটো আমাৰ নিজৰ ভুলৰ কাৰণেই হৈছে সেই বিষয়ে মন্ত্ৰী ডাঙৰীয়াই চিন্তা কৰি চাইছেনে ?

* Shri Debananda Konwar (Minister) : I am tring to inform the Hon'bel members the fact. অৱশ্যে গুজৰাটৰ যিটো পৰিবেশ সেইটো অসমৰ ক্ষেত্ৰত নহয় তথাপিতো অসমৰ বিভিন্ন ঠাইৰ লগতে আনকি গুৱাহাটিৰ কোনো কোনো ঠাইত ১২০ ফুটমান তললৈ খান্দিব লগীয়া হৈছে, Ultimately you will have to die for want of water.

* শ্রীহিতেন্দ্র নাথ গোস্বামী : অসমৰ কথাটো সুকীয়া বিশেষকৈ গুৱাহাটি চহৰত ব্ৰহ্মপুত্ৰ আছে আৰু ইয়াৰ টপগ্ৰাফী গুজৰাটৰ নিচিনা নহয় তথাপিতো গুৱাহাটি চহৰৰ বাইজে খোৱা পানীৰ ক্ষেত্ৰত কিয় হাহাকাৰ কৰিব লগীয়া হৈছে।

* Shri Debananda Konwar (Minister) : The Brahmaputra is one of the biggest river of the world. ব্ৰহ্মপুত্ৰখন আছে কিন্তু যি ঠাইৰ পৰা ব্ৰহ্মপুত্ৰৰ পানী চাক কৰি গুৱাহাটি চহৰত ইমান দিনে পানী যোগান দিয়া হৈছিল এতিয়া সেই ৰিয়া বিলাকো চিলটেড হৈ গৈছে গতিকে এতিয়া আকৌ বেলেগ ঠাইত পাইপ বহুৱাব প্ৰয়োজন হব আৰু তেতিয়া আমাক প্ৰায় ৫০ লাখ ১ কোটিমান টকাৰ প্ৰয়োজন হব।

* শ্রীনগেন শৰ্মা : কিয় ফোটিং কৰিয়োটো পানী যোগান দিয়াৰ ব্যৱস্থা কৰিব পাৰি। আজিৰ দিনত মানুহে চন্দ্ৰলৈ গৈছে মন্ত্ৰী ডাঙৰীয়াই মাত্ৰ ৫০ লাখ টকাৰ কাৰণে কিয় নতুনকৈ বেলেগ ঠাইত ব্ৰহ্মপুত্ৰৰ পানী চাক কৰাৰ ব্যৱস্থা কৰি বাইজৰ অপৰিহাৰ্য্য পানী টোপা যোগান ধৰাত কিয় ইমান অৱহেলা ?

* Shri Debananda Konwar (Minister) : You know the total resources of the state, knowing fully well.

* শ্রীনকুল দাস : অসমৰ অন্যান্য ঠাইৰ কথা মই বিশেষ নকও কিন্তু আমাৰ মঙ্গলদৈতে জীবন নিৰ্বাহৰ আটাইতকৈ প্ৰয়োজনীয় এই খোৱা পানী টোপাৰ পৰা বঞ্চিত হব লগা হৈছে। এই সম্পৰ্কত বহুদিন ধৰি আবেদন-নিবেদন কৰি

★ Speech not corrected

থকা হৈছে কিন্তু বাইজে খোৱাপানী টোপা নোপোৱাৰ কাৰণে অতিষ্ঠ হৈ পৰিছে। গতিকে, উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ভাওৰীয়াক অনুৰোধ কৰিছো যাতে এইবাৰ খোৱাপানী যোগান ব্যৱস্থা অব্যাহত বখাৰ ব্যৱস্থা কৰে।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : ৰেভিনিউ চোচৰ কথা কৈছে কিন্তু ৰেভিনিউ কলেকশ্যনৰ ক্ষেত্ৰত যথেষ্ট খেলিমেলি দেখা যায় কিয়নো পৌৰ নিগমৰ ষিটো ৰেভিনিউ চোচ সেইটো প্ৰধানকৈ বজাৰ বিলাকৰ চেট্‌লমেণ্টৰ পৰা আহে কিন্তু বেচিভাগ ক্ষেত্ৰত দেখা যায় এক্সটেনশান দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ইণ্টাৰফিয়াৰ কৰে ফলত চেট্‌লমেণ্ট দিয়া বজাৰ ইত্যাদিৰ পৰা যেনে ধৰণে ৰেভিনিউ আহিব লাগিছিল সেই ধৰণে ৰেভিনিউ আনিং নহয়। তাৰোপৰি হায়েষ্ট বিদাৰক চেট্‌লমেণ্ট নিদি ৰাজনৈতিক দৃষ্টি-ভংগী লোৱাৰ কাৰণে বহু ঠাইত অসুবিধা হৈছে। গতিকে কেবিনেটত এটা সিদ্ধান্ত কৰিব নোৱাৰি নেকি যাতে পৌৰ প্ৰশাসনৰ বজাৰ ইত্যাদি আৰু ৰেভিনিউ কলেকশ্যনৰ ষিবিলাক চোচ সেইবিলাক টেপ কৰাৰ বেলিকা যাতে চৰকাৰৰ ফালৰ পৰা ইণ্টাৰফিয়াৰ কৰিব নোৱাৰে আৰু পৌৰ প্ৰশাসনে নিজেই বাইজৰ আৱশ্যকীয় ব্যৱস্থাখিনি নিজেই কৰি লব পাৰে। এই ক্ষেত্ৰত মই নিজেই ভুক্তভুগী, আমাৰ যোৰহাটৰ পৌৰনিগমত তেনেধৰণৰ ইণ্টাৰফেৰেন্স হৈ থকাৰ কাৰণে বহু ক্ষেত্ৰত কাম কাজ বিলাকত বেমেজালি হৈ থাকে, ফলত অগ্ৰসৰ হোৱাত বাধাৰ সৃষ্টি হৈ আছে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে এই কথাবিলাক ৰাজনৈতিক ভাবে চোৱা নহয়, এই ক্ষেত্ৰত বহুত সমালোচনা কৰিছে। সদ্যহতে গুৱাহাটী মিউনিচিপেলিটিত এক্সটেনশ্যান বন্ধ কৰা হৈছে। গুৱাহাটি চহৰৰ বিভিন্ন অঞ্চলৰ কভাৰেজ কৰি খোৱাপানী যাতে থিকমতে যোগান ধৰিব পৰা হয় তাৰ কাৰণে ৮০ কোটি টকা দিয়া হৈছে আৰু আশা কৰিছো এই বছৰৰ ভিতৰতে গুৱাহাটিৰ সকলো অঞ্চলতে পানী যোগান দিব পৰা হব।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় উপাধক্ষ্য মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে সেইটো হলে যথেষ্ট ভাল হব কিন্তু কথাটো হৈছে যি কেইটা পানী যোগান আচনি ইতিমধ্য লোৱা হ'ল যেনে কামাখ্যা, জুমাৰেঙ্গী

★Speech not corrected

বোডত লোৱা আচঁনি আৰু ৪ টা মান আচঁনি, ইতিমধ্যে উদ্ঘাটন কৰা হ'ল কিন্তু সেই আচঁনি বিলাকৰ পৰা কার্য্যতঃ বিশেষ ফলপ্রসূ হোৱা নাই। সেই আচঁনি কেইটাৰ পৰা বাইজে পানী পোৱা নাই। গতিকে গুৱাহাটি চহৰৰ বিভিন্ন অঞ্চলত যি কেইটা পানী যোগানৰ আচঁনি লৈছে সেই আচঁনি বিলাক কেৱল লোৱাহে হৈছে কিন্তু তাৰ পৰা বাইজে সুফল পোৱা নাই, গতিকে আগৰ কেইটা কার্য্যক্ষম নকৰাকৈ আকৌ নতুনকৈ পানী যোগানৰ আচঁনি ললে তাৰ পৰা বাইজৰ কি উপকাৰ হব সেইটো সহজে অনুমান কৰিব পাৰি। গুৱাহাটি চহৰতে আমবাৰী ফাঁশিলত আৰু দুর্গাসৰোবৰত ২ বছৰ আগতে উদ্বোধন কৰা হৈছিল কিন্তু সেই আচঁনিৰ পৰা বাইজে পানীধাৰ নাপালে। গতিকে ইতিমধ্যে যি কেইটা পানী যোগানৰ আঁচনি আগতে লোৱা হৈছিল আৰু অলপতে ললে সেইবিলাক আঁচনি অতি সোনকালে কার্য্যক্ষম কৰি তুলিব লাগে যাতে বাইজে খোৱাপানী টোপাৰ পৰা বঞ্চিত নহয়। তাৰ পাচত বেভিনিউ কলেকশ্যনৰ ক্ষেত্রত যথেষ্ট খেলিমেলি আৰু অনিয়ম হৈ থকা পৰিলক্ষিত হৈছে। পৌৰনিগমে যিখিনি টকা বেভিনিউ কলেকশ্যন কৰে, প্রায় ৯০ লাখ টকা, সেইখিনি নিগমৰ বিষয়া কর্ম্মচাৰীক দিওতেই শেষ হৈ যায়। গতিকেই বেভিনিউ কলেকশ্যনত যিবিলাক খেলিমেলি আৰু অনিয়ম বহু দিনৰে পৰা চলি আছে সেইবিলাক বন্ধ কৰিব নোৱাৰিলে আৰু ইণ্টাৰফেৰেন্স বিলাক কমাব নোৱাৰিলে আৰু বিভাৰৰ যিটো চিচটেম হায়ষ্ট বিডাৰক নিদি তলৰ বিডাৰক দিয়া, ৰাজনৈতিক হেঁচা ইত্যাদি বন্ধ কৰিব নোৱাৰিলে এই যিবিলাক সমস্যা আমি দেখি আহিছো সেইবিলাকৰ সমাধান নহব। বাইজে টেক্স দিয়াত আপত্তি নকৰে কিন্তু বাইজক যদি নিম্নতম সুবিধা খিনিবো আগবঢ়াব নোৱাৰে তেতিয়াহলে তেওঁলোকৰ টেক্স দিবলৈ কি আগ্রহ থাকিব? সেইকাৰণেই বোধহয় বিধানসভাৰ পাছত গুৱাহাটি মহানগৰৰ জনসাধাৰণে টেক্স দিয়াটো বন্ধ কৰিব। গতিকে বাইজক নিম্নতম সুবিধা খিনি আগবঢ়াব লাগে। মাননীয় মুখ্য মন্ত্রী মহোদয়ে এই ক্ষেত্রত যথাযথ ব্যবস্থা লবনে?

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী): উপাধ্যক্ষ মহোদয়, তেখেতে যিটো প্লেনিংৰ কথা কৈছে মই অস্বীকাৰ নকৰো। আমাৰ প্লেন বিলাক যথেষ্ট ত্রুটি পূর্ণ হৈছে। আমাৰ প্লেন বিলাক এনেকৈ কৰা হয়, যিটো ভবিষ্যতৰ কাৰণে চিন্তা নকৰে। আমি যদি প্লেন বিলাক পঢ়ি চাও তেতিয়াহলে দেখা যাব যে এই প্লেন

*Speech not corrected

বিলাকে সমস্যা সমাধান কবিব পবা নাই। আজি গুবাহাটী মহানগবীত যি গতিত জন সংখ্যা বাঢ়িছে। সিমিত ভাবে, প্রায় ৮/৯ লাখ মানুহ আছে। গতিকে আমাব আবণ্টন হৈছিল মাত্র তিনি লাখ টকা এই তিনি লাখব ঠাইত ১০ লাখ টকা হক লাগে। আমাব আচনি বিলাক আগব পবা ডিফেকটিভ। জলবিঞ্চনব ক্ষেত্রতো ব্রেকডাউন হৈছে। বাবিষা পানী দিব পাবে খবালী দিব নোবাবে। আনহাতে এখন প্লেন কবোতে তিনি বছব সময় লাগে। গতিকে প্লেন কবোতে ৫ বছবব আছত কি হব জন সংখ্যা কিমান বৃদ্ধি হব ইয়াব প্রতি লক্ষ্য বাখি প্লেন কবিব লাগে। আমাক দুবদৃষ্টি নথকা ক বলে আমি আব খাইছো। প্লেন কবোতে পাবিলে ৫০ বছব পাচলৈয়ো চিন্তা কবিব লাগে যদি এইটো কবা নহয় আমাব সমস্যা সমাধান নহব। আমাব ইঞ্জিনিয়াব সকলে প্লেন কবোতে ৫০ বছবব পাচব কথাতো চিন্তা কবিব লাগিব। নতুন দিল্লীত প্লেন কবোতে ৬০ বছবলৈ চিন্তা কবে গতিকে তাত ৫০ বছব পাছতো একো নহয়।

শ্রীচন্দ্র মোহন পাটোবাবী : উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে যিবিলাক কথা কৈছে তাত আমাব পূর্ণ সমর্থন আছে।

* শ্রীহিতেশ্বর শইকীয়া (মুখ্য মন্ত্রী) : উপাধ্যক্ষ মহোদয়, কেইজনমান মাননীয় সদস্যই বেভিনিউ কালেকচনব কথা কৈছে। মই বিত্ত বিভাগক কৈছো যে প্রতি বিভাগব পবা এটা পাবচেনটেজ ইয়াবলি কাটিব লাগে। গুবাহাটীব কথাও মই কৈছো। গুবাহাটীত এবন আচনী কবি আছে। এইখন সম্পূর্ণ হলে মানুহে পানী পাব।

* শ্রীচন্দ্র মোহন পাটোবাবী : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়, পানী পাব বুলি বোবাত ভাল পাইছে। গুবাহাটীত পানী সাংঘাতিক নাটনি হৈছে। আন আন ঠাইত টিউবেলব ব্যবস্থা আছে। গতিকে মুখ্য মন্ত্রী মহোদয়ে এই ক্ষেত্রত ডিকলী টাইম বান্ধি দিলে ভাল পাম। আগতেও দুবাব পানী যোগান দিয়া হব বুলি কৈছিল যদিও দিয়া হোবা নাই। সেইদবে পল্টন বজাব অঞ্চলব পবা প্রাইভেট বাচব কাউণ্টাব আতবোবা হব বুলি আগতে কেইবাবাবো কৈছিল কিন্তু এতিয়াও আতবোবা হোবা নাই। ফলত মানুহ খোজ কাটিব নোবাবা অবস্থা হৈছে আক পবিবেশ নষ্ট হৈছে। আগতেও থানাপাবাব ফালে নিয়া হব বুলি কৈছিল। গতিকে প্রাইভেট বাচ কাউণ্টাবব মালিক সকলব সুবিধাব

*Speech not corrected

কথা বিবেচনা নকবি বাচষ্টেণ্ড বিলাক সোনকালে চিফট কবিবনে নকবে তাব এটা ডেফিনিট উত্তব দিব লাগে।

* শ্রীহিতেশ্বব শইকীয়া : (মূখ্য মন্ত্রী) : অধক্ষ্য মহোদয়, প্রাইভেট বাচব এটা ষ্টেণ্ড জর্জ ফিল্ডব কাষত আৰম্ভ কবা হৈছে। দ্বিতীয়তে পল্টন বজাবত যিবিলাক ষ্টেণ্ড আছে সেই প্রাইভেট বাচব ষ্টেণ্ড বিলাক আতবাই নিবলৈ কোৱা হৈছে এই ষ্টেণ্ড বিলাক থকা কাবণে চবকাবী বাচবো লোকচান হৈছে এনেকুৱা এটা পবিবেশ সৃষ্টি হয় ভদ্রভাবে ভাত যাত্রী যাব নোৱাবে চোলা ফাটি যায়।

* শ্রীঅতুল ববা : মূখ্য মন্ত্রী মহোদয়ে যিবিলাক কথা কৈছে শুনি ভাল পাইছো কিন্তু কথা হৈছে পৌবনিগম নির্ব্বাচন হোৱাব পাচত ইয়াব গুৰুত্ব কমি যাবনেকি ? ইলেকচন ২৫/২৭ এপ্রিলত হোৱা কথা আছিল হব নেকি ?

* শ্রীহিতেশ্বব শইকীয়া : (মূখ্য মন্ত্রী) : নির্ব্বাচন হবই। পঞ্চায়ত আইন মতে এতিয়া নির্ব্বাচনটো আমাব হাতত নাই। স্বতন্ত্র হৈ গৈছে অলইণ্ডিয়া ইলেকচনব নিচিনাকৈ।

*শ্রীঅতুল ববা : এক্সটেনচন দিলে, আপোনাব হাতত থাকিব নেকি ?

*শ্রীহিতেশ্বব শইকীয়া (মুখ্য মন্ত্রী) : এক্সটেনচনব কথা নাই। নতুন এপইণ্টমেণ্ট হৈছে। তেওঁলোকে নির্ব্বাচন পাতিব আৰু ডেট ঠিক কবিব।

*শ্রীনগেন শর্ম্মা : অধ্যক্ষ মহোদয়, বাচব আস্থান বিলাৰ্ক উঠাই নিবলৈ কিছু সময় লব। তেখেত গৃহ বিভাগব দায়িত্বত আছে। গতিকে বাস্তাত যাতে এখনো গাড়ী নাৰাখে তাব বাবে ট্রেফিক পুলিচক নির্দ্দেশ দিব নেকি ?

* শ্রীহিতেশ্বব শইকীয়া (মূখ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, এই সম্পর্কে ডি, চিক কৈছো যাতে বাস্তাত প্রাইভেট বাচ নাৰাখে এইটো চোৱা চিতা কবিব লাগে।

* ডঃ জয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, কংগ্রেছ সভাপতি জনে এটা প্রশ্নব উত্তব পোৱা নাই তেখেত অবহেলিত হৈ আছে।

* শ্রীদেৱানন্দ কোৱব : (মন্ত্রী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য নকুল দাস ভাণ্ডবীয়াই যিটো প্রশ্ন কবিছে তাব উত্তবত মই কও যে মঙ্গলদৈত যিটো পানী যোগানব ব্যবস্থা আছে সেইটো মিউনিচিপালটিয়ে নকবে সেইতো পি, এই, চি বিভাগে কবে আৰু মিউনিচিপালটিলৈ হস্তান্তবিত হোৱা নাই। তেওলোকব

★Speech not corrected

তেনেধৰণৰ মেচিনাৰী নাই। ইতিমধ্যে মঙ্গলদৈত পানী যোগান ধৰা বাবে এটা যেলেগ ব্যৱস্থা কৰাৰ বাবে এটা প্লেন লোৱা হৈছে। মঙ্গলদৈ ক্ষেত্ৰত প্ৰাৰম্ভিক প্ৰস্তাৱ লোৱা হৈছে পানী যোগানৰ বাবে যিটো পুষণা আচনি আছিল সেইটোৰ পৰা এইটো বিপদ হৈছে। কেপাচিটিও কম। এতিয়া সেইটোকে চলাই থাকক। পৌৰনিগমৰ এলেকা কোতাৰ এটা প্লেন কৰি ইতিমধ্যে এটা ব্লুপ্ৰিণ্ট তৈয়াৰ কৰিব দিয়া হৈছে।

* শ্ৰীমতী ৰূপম কুমাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় পৌৰ নিগম বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, ১৯৯২ চনতে মৰিয়নী টাউনত এটা পানীযোগান আচনিৰ উদ্বোধন কৰা হৈছিল। মন্ত্ৰী মহোদয়ে আজিৰ সদনত কবনেকি যে, আজিৰ দিনলৈকে এই আচনিৰ কাম কিমান দূৰ আগবাঢ়িছে। তাৰোপৰি এই আচনিৰ বাবে যি টকা ধাৰ্য্য কৰা হৈছিল কিমান টকা চেংচন কৰা হৈছিল আৰু এই আচনিৰ কাম কিমান চনত সম্পূৰ্ণ কৰিব জনাবনে?

* শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী, পৌৰ প্ৰশাসন) : উপাধ্যক্ষ মহোদয়, মৰিয়নীত পানী যোগান ধৰাৰ বাবে এটা আচনি আছে, এই আচনিৰ ক্ষেত্ৰত হুদকোৰ পৰা ৰিণ লৈ কৰিবলৈ বিচৰা হৈছে। মৰিয়নীত ইতিমধ্যে ২/৩ টা দিপটিউবওৱেল বহোৱা হৈছে। দিপটিউবওৱেল বহোৱাৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। এতিয়া তাৰ ট্ৰিটমেণ্ট প্লেনটো তৈয়াৰ কৰিব লাগিব আৰু তাৰ পিচত ডিষ্ট্ৰিবিউচনৰ লাইন দি পানীযোগান ধৰিব পৰা হব। আমি হুদকোৰ পৰা ৰিণ পোৱা নাছিলো। তাৰোপৰি আমাৰ চৰকাৰৰ ফালৰ পৰা যি ৩০ শতাংশ টকা দিব লাগে সেই টকাটোও আগতে পোৱা নাছিলো। এতিয়া আমি সেই টকা আমাৰ চৰকাৰৰ ফালৰ পৰা পাইছো। গতিকে হুদকোৰ ৰিণ পালে ট্ৰেটমেণ্ট প্লেণ্ট তৈয়াৰ কৰি আচনিৰ কাম কৰিব পাৰিম। ইতিমধ্যে ৩ টা দিপটিউবওৱেল বহোৱা হৈছে। এইখিনি কাম কৰোতে আমাৰ আৰু ২ বছৰ সময় লাগিব।

* শ্ৰীমতী ৰূপম কুমাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৩ টা দিপটিউবওৱেল বহোৱাৰ কথা কৈছে। কিন্তু এই জনাত ৩/৪ মাহৰ আগতে কাম আৰম্ভ হৈছিল যদিও শিলহে পেলাইছিল, বিভাগত খবৰ কৰিলে কয় যে, মন্ত্ৰী মহোদয়ে টকা বিলিঞ্চ দিয়া নাই। ১৯৯২ চনতে লোৱা আচনি আজিলৈকে

* Speech not corrected

কার্য্যকরী হোৱা নাই। আজিৰ সদনত মন্ত্রী মহোদয়ে এটা আশ্বাস দিবলগে।

*শ্রীদেৱানন্দ কোঁৱৰ (মন্ত্রী, পৌৰ প্রশাসন) : উপাধ্যক্ষ মহোদয়, এইটো এটা চেংচন আছিল। দিপটিউবওৱেলৰ কাম সম্পূর্ণ হৈছে। আমি টকা বিলিজ দিয়া নাই কাৰণ ইঞ্জিনিং বিভাগৰ পৰা টকা পোৱা নাই। ফেব্রুৱাৰী মাহতহে অৰ্দাৰ পাইছো মাৰ্চ মাহতহে টকা বিলিজ কৰা হব। ঠিকাদাৰ সকলক পেমেণ্ট কৰা হৈছে কিন্তু কোন হেদৰ টকা তেওঁলোকে নাজানে। আমি হুদকোৰ পৰা প্রথম ইনষ্টলমেণ্টটো পোৱা নাই পালেই খৰটকীয়ৈ কাম কৰিব পাৰিম।

Mr. Deputy Speaker: Minister Panchayat will reply to the Zero Hour Notice presented by Dr. Kamala Kalita.

Statement by Minister

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) : ষ্টেটমেণ্ট লগত গাঠি দিয়া হৈছে—

"পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ প্রাদেশীকৰণৰ পাচত চৰকাৰে লোৱা ব্যৱস্থাবলী" প্রশ্নৰ সম্বন্ধত পঞ্চায়ত বিভাগৰ মন্ত্রী শ্রীভূমিধৰ বৰ্মনে ৩০ মাৰ্চ তাৰিখে বিধান সভাত দিয়া বিবৃতি (নকল)

২৪।৩।৯৫ তাৰিখে বিধান সভাৰ কাৰ্য্যাবলীৰ Zero hour ত পঞ্চায়ত কৰ্ম্মচাৰীক প্রাদেশীকৰণৰ পাচত চৰকাৰে লোৱা ব্যৱস্থাবলী সম্বন্ধে উত্থাপিত প্রশ্নৰ সম্বন্ধত তলৰ কথাখিনি মাননীয় সদনক জনোৱা হ'ল।

পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ চাকৰি প্রাদেশিকী কৰণ ২।১০।৯১ ৰ পৰা কৰা হয়, আৰু প্রাদেশিকীকৰণ হবৰ ৩½ বছৰ হৈছে। ৫ (পাঁচ) বছৰ নহয়। এইটো সঁচা যে চাকৰি প্রাদেশিকীকৰণ হোৱাৰ আগতে পঞ্চায়ত কৰ্ম্মচাৰীসকলে সময়মতে দৰমহা পোৱাত কিছু অসুবিধাৰ সম্মুখীন হৈছিল। বিভিন্ন সময়ত পঞ্চায়ত সমূহত বিত্তীয় অবস্থা আশানুৰূপ ভাবে টনকীয়াল নোহোৱা হেতুকে তেনে অবস্থাৰ সৃষ্টি হৈছিল। কিন্তু পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ চাকৰী প্রাদেশিকীকৰণ হোৱাৰ পাচৰ পৰা অৰ্থাৎ ২।১০।৯১ ৰ পৰা পঞ্চায়ত কৰ্ম্মীসকলে তেওঁলোকৰ পাবলগীয়া দৰমহা তলত দিয়া ধৰণে বছৰে বছৰে পাই আহিছে। কিন্তু ২।১০।৯১ ৰ

*Speech not corrected

পৰা এতিয়ালৈকে এক বুজন পৰিমানৰ ধন ইতিমধ্যে আদায় দিয়া হৈছে।

(ক) ১৯৯১-৯২ (২১।৯১ ৰ পৰা) ৩,৪৮,৩৫,০০০.০০ টকা
(খ) ১৯৯২-৯৩— ১০,৩৯,৬০,০০০.০০ "
(গ) ১৯৯৩-৯৪— ১২,৬৯,০০,০০০.০০ "
(ঘ) ১৯৯৪-৯৫— ১২,২৮,০০,০০০.০০ "

চলিত ১৯৯৪-৯৫ চনতেই পৰিপূৰক দাবী মঞ্জুৰীৰ দ্বাৰা ১,১৮,২২,০০০.০০ টকা ও দিবলৈ ব্যৱস্থা কৰা হৈছে। উপৰুক্ত ধনৰ সৰমুঠ পৰিমান ৪০,০৩,১৭,০০০.০০ টকা। ইয়াৰ পৰা দেখা যায় যে চাকৰী চৰকাৰীকৰণ হোৱাৰ পাচত পঞ্চায়ত কৰ্মচাৰী-সকলৰ দৰমহা বাবদ ৰাতিৰ কাকতত প্ৰকাশ কৰাৰ দৰে তেনে অসুবিধা হোৱা নাই আৰু এই কৰ্মচাৰী সকলৰ প্ৰতি চৰকাৰ যথেষ্ট সহানুভূতিশীল কাৰণে প্ৰায় ৩ বছৰৰ ভিতৰতে চৰকাৰৰ বৰ্ত্তমান দ্বিতীয় পৰিস্থিতিৰ অৱস্থা স্বত্বেও প্ৰায় ৪০ কোটি টকা দিয়া হৈছে। চৰকাৰৰ এনে কাৰ্য্য পঞ্চায়ত কৰ্মচাৰীসকলৰ প্ৰতি ৰাতিৰ কাকতত প্ৰকাশৰ দৰে চৰম অৱহেলা আৰু অবিচাৰৰ পৰিচায়ক নহয়। চৰকাৰে সময়ে সময়ে পঞ্চায়ত কৰ্মচাৰী সকলৰ প্ৰতিনিধি বৰ্গৰ লগত আলোচনা কৰি তেওঁলোকৰ বিভিন্ন অসুবিধা দূৰ কৰিবলৈ যাৱতীয় ব্যৱস্থা লৈ আহিছে।

৩৮ (আঠত্ৰিশ) জন পঞ্চায়ত কৰ্মচাৰীক তেওঁলোকৰ যোগ্যতা বিবেচনা কৰি গাওঁপাঞ্চায়তৰ সচিব হিচাবে পদোন্নতি দি নিযুক্তি দিয়া হৈছে।

* ড: জয়নাথ শৰ্মা : উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই সদনৰ মৰ্য্যাদা সহকাৰে উত্তৰ দিলে ভাল হয়। আপোনালোকে গাওঁ পঞ্চায়তৰ সচিব সকলৰ নিযুক্তি বুলি কোৱা নাই এনগেজমেণ্ট বুলিহে কৈছে। তেওঁলোকক সময়মতে দৰমহা দিয়া নাই। মাষ্টাৰ কলৰ লেবাৰেও ১২ শ টকা দৰমহা পায় আৰু এই পঞ্চায়তৰ সচিব সকলক ৯ শ টকা দৰমহা দিয়া হৈছে। এইটো ফিক্স পে কৰি দিছে। সচা কথাটো বুলিলে কি হয়? চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলকো পইচা দিয়া হোৱা নাই।

* শ্ৰীনগেন শৰ্মা : উপাধ্যক্ষ মহোদয়, ইতিমধ্যে অসম চৰকাৰে ঘোষণা কৰিছে যে, শ্ৰমিক সকলৰ মজুৰি বৃদ্ধি কৰা হৈছে আৰু চাকুলাৰ ওলাইছে। কিন্তু এতিয়াও কিয় ৯ শ টকা দি থকা হৈছে?

★Speech not corrected

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : উপাধ্যক্ষ মহোদয়, মই অলপ আগতে কৈছো যে, যিখিনি পুৰণা কৰ্ম্মচাৰী আছে তেওঁলোকক দিয়া হৈছে আৰু ১৯৯১ চনতে যি নতুন ৪০৬ খন পঞ্চায়ত হল তাৰ কৰ্ম্মচাৰী সকলেহে দৰমহা পোৱা নাই। টকা চেংচন কৰিব পৰা নাই। এইখিনিতে এটা কথা কওঁ যে, দৰমহা আমি প্লেন আৰু নন প্লেন দুটা হেদৰ পৰা দিয়া হয়। নন প্লেনত আমি দিও আৰু প্লেনৰ টকা বিলাক সময়মতে নাই, হাহাঁকাৰ হয়। সেই একে ধৰণে শিক্ষক সকলেও দৰমহা পোৱা নাই। ইউ, জি, টি প্লেনত পৰে বাবে তেওঁলোকৰ দৰমহা পোৱাত পলম হয়।

* শ্রীনগেন শর্মা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী মহোদয়ে ইতিমধ্যে যি ৯ শ টকাটো দিয়া হৈছে বুলি কৈছে তাৰ কাৰণে আমি ভাল পাইছো। শ্রমিক আইন মতে ৫০ টকা বঢ়াইছেনে নাই জনাবনে ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : এইটো চাবলৈ দিয়া হৈছে।

Mr. Dy. Speaker : Now, Item No. 2. Hon'ble Member Shri Dhruba Kumar Sen to call attention of the Minister of State Education under Rule 54.

Call Attention Notice

* শ্রীধ্রুব কুমাৰ সেন : মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাবলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ২২ মাৰ্চ তাৰিখৰ 'সময় প্রবাহ' কাকতত প্রকাশিত 'ধুবড়ীৰ শিক্ষকৰা বেতন পাছেনা' শীর্ষক বাতৰিটোৰ প্রতি দৃষ্টি আকর্ষণ কৰিছো।

Mr. Dy. Speaker : Hon'ble Minister of State Education to reply.

* শ্রীগৌতম বৰা, (বাজ্যিক মন্ত্রী, শিক্ষা) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীধ্রুব কুমাৰ সেনে উত্থাপন কৰা ২২ মাৰ্চৰ 'সময় প্রবাহ'ত প্রকাশিত বাতৰিটো 'ধুবড়ীৰ শিক্ষকৰা বেতন পাছেনা' মোৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটোত ১০০ জন শিক্ষকৰ বিটেনচন হোৱা নাই বুলি কোৱা হৈছে। আমি কিছু সংখ্যক শিক্ষকক বিটেনচন দিছো। এই সংক্রান্তত মই কব খোজো যে সঞ্চালকৰ কার্য্যালয়ৰ

পৰা ক্ষেত্ৰ বিষয়া সকললৈ নির্দেশ দিয়া হৈছে যে কোন কোন স্কুলত কোন কোন শিক্ষকে কেতিয়াৰ পৰা কাম কৰি আছে, যি সকলৰ বিটেনচন যোৱা নাই সেই সকলৰ তথ্যপাতি সোনকালে সঞ্চালকলৈ পঠাবলৈ কোৱা হৈছে। এই বাতৰিত উল্লেখিত ১০০ জন শিক্ষকৰ ভিতৰত ৪১ জনৰ ক্ষেত্ৰত সঞ্চালকে ক্ষেত্ৰ বিষয়াৰ পৰা তথ্য পাতি পাইছে আৰু এইখিনিৰ বাবে বিটেনচন মুকলি কৰি দিয়া হৈছে। বাকী সকলৰ ক্ষেত্ৰত ক্ষেত্ৰ বিষয়াৰ পৰা তথ্য পাতি আহি নোপোৱাৰ কাৰণে বিটেনচন যোৱা নাই। ধুবুৰীৰ পৰা কেৱল এজন শিক্ষকৰহে তথ্য পোৱা হৈছে-সেইখন স্কুল হৈছে - সুভাষ নগৰ এল, পি স্কুল। ধুবুৰীৰ ৭ জনৰ ভিতৰত বাকী ৬ জনৰ তথ্য পোৱা নাই, ক্ষেত্ৰ বিষয়াক ততাতৈয়াকৈ এই সকলৰ ক্ষেত্ৰত তথ্যপাতি সঞ্চালকক দিবলৈ নির্দেশ দিয়া হৈছে। এই তথ্য আহি পালেই ব্যৱস্থা লোৱা হব। বাতৰিটোৰ শেষৰ অংশত প্ৰকাশ পাইছে যে ধুবুৰীৰ যি অঞ্চল বি, এ, চি এলেকাত পৰিছে সেই অঞ্চলৰ ৭ খন উচ্চ ইংৰাজী বিদ্যালয়ৰ প্লেনৰ শিক্ষক সকলে দৰমহা পোৱা নাই। প্লেনৰ শিক্ষক সকলে দৰমহা নোপোৱা কথাটো সচা। আমাৰ কিছু সংখ্যক প্লেনৰ শিক্ষকে দৰমহা পোৱা নাই—বাজেটত থকা 'চৰ্টফল'ৰ কাৰণে। চেকেণ্ডেৰী এডুকেচনৰ বাজেটত এইটো হৈছে। মই এই ক্ষেত্ৰত কব খোজো যে এই শিক্ষক সকলেও অহা এপ্ৰিল মাহৰ পৰা দৰমহা পাব।

*শ্ৰীধ্ৰুব কুমাৰ সেন : উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বি, এ, চি এলেকাত ৭ খন স্কুল থকা বুলি কৈছে যদিও তাত ৯ খন এনে স্কুল আছে। মই মন্ত্ৰীমহোদয়ৰ পৰা আৰু এটা কথা জানিব খুজিছো সেইটো হৈছে গোটেই অসমৰ এম, ই স্কুলত থকা হিন্দি শিক্ষক সকলেও যোৱা ১২-১৩ মাহ ধৰি দৰমহা পোৱা নাই। বঙাইগাৱতো এনে হৈছে। গোটেই অসমত যিবোৰ স্কুলৰ শিক্ষক সকলে মাহৰ দৰমহা পোৱা নাই সেই শিক্ষক সকলক সোনকালে দৰমহা দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

*শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় উপাধ্যক্ষ মহোদয়, ধুবুৰী সংক্ৰান্তত যিখিনি কথা উত্থাপন কৰা হৈছে ইয়াৰ পৰিপ্ৰেক্ষিতত বাজ্যিক শিক্ষামন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে এই ক্ষেত্ৰত মই কিছু বিসঙ্গতি দেখিছো। কাৰণ ধুবুৰীত আজি এনে ১২ জন শিক্ষকে দৰমহা নোপোৱাকৈ আছে। এই সংক্ৰান্তৰ সকলো নথিপত্ৰ মই নিজে সঞ্চালকৰ হাতত তেখেতৰ কার্য্যালয়ত জমা দিছিলো কিন্তু

*Speech not corrected

মূল কথাটো হৈছে ক্ষেত্র বিষয়াৰ পৰা তথ্যপাতি অহা নাই। কিন্তু আমি যদি ক্ষেত্র বিষয়াক সাধো তওঁ কয় তেওঁলোকে সকলো ঠিকেই দি আছে কেৱল ওপৰতহে গণ্ডগোল হৈছে। মোৰ কথা হৈছে যদি সঞ্চালকে ক্ষেত্র বিষয়াৰ পৰা তথ্যপাতি বিচাৰিছে আৰু ক্ষেত্র বিষয়াই পঠোৱা নাই তেন্তে সচিব বা সঞ্চালকে ক্ষেত্র বিষয়াৰ ওপৰত একো ব্যৱস্থা লোৱা নাই কিয়? আজি গোটেই অসমত বিটেনচন নোপোৱাৰ বাবে ৬০০ জন শিক্ষকে যোৱা ২৪ মাহৰ দৰমহা পোৱা নাই। ইয়াৰ কাৰণে জগৰীয়া কোন? ক্ষেত্র বিষয়া সকল নে চৰকাৰৰ উৰ্দ্ধতন বিষয়া সকল? দোষী বিষয়া সকলৰ ওপৰত ব্যৱস্থা লোৱা হোৱা নাই কিয়?

*শ্রীগৌতম বৰা (বাজিক মন্ত্রী, শিক্ষা): মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো সচা -অসমৰ বহুতো নন-প্লেনৰ শিক্ষকে দৰমহা পোৱা নাই আমি এই এপ্রিল মাহৰ ভিতৰতে এই শিক্ষক সকলক (হাইস্কুলৰ) দৰমহা দিয়াৰ ব্যৱস্থা হাতত লৈছো। বিভিন্ন সময়ত বিভিন্ন স্কুলৰ শিক্ষকে দৰমহা নোপোৱাৰ বিভিন্ন কাৰণ আছে। শ্রীআবেদিন ডাঙৰীয়াই কৈছে যে তেখেতে ১২ জন শিক্ষকৰ তালিকা দাখিল কৰিছে কিন্তু বাতৰিত প্রকাশ পাইছে ৭ জন শিক্ষকৰ কথা। মই আগতেই কৈছো যে ধুবুৰীৰ পৰা মাত্র এখন স্কুলৰ তথ্য পোৱা হৈছে আৰু বাকীখিনিৰ তথ্য দিবলৈ কোৱা হৈছে। এই তথ্য পালেই বিটেনচন দিয়া হব। ২৪ মাহৰ দৰমহা নোপোৱাৰ যিটো কথা কৈছে— এই ক্ষেত্রত মই কও যে এই শিক্ষক সকলক ১৯৮৭ চনত নিযুক্তি দিয়া হৈছিল মাহে ৪৭০ টকা লাম-চাম দৰমহাত। ইয়াৰ পিচত এই শিক্ষক সকলক জিলা শিক্ষা বিষয়াই বেগুলাৰ কৰে। ইয়াৰ তথ্যপাতি সঞ্চালকৰ অফিচত নথকাৰ কাৰণে বিটেনচন দিয়াত অসুবিধা হৈছে। ইয়াৰ তথ্যপাতি পালেই সঞ্চালকৰ অফিচৰ পৰা বিটেনচন যাব।

*শ্রীদেৱান জয়নাল আবেদিন: উপাধ্যক্ষ মহোদয়, এইটো ১৯৮৭ চনৰ কথা। জিলা শিক্ষা বিষয়াই কিয় এই শিক্ষক সকলৰ ক্ষেত্রত তথ্যপাতি পঠোৱা নাই? ধুবুৰী অফিচত কোনোবা শিক্ষকে লাগিমেলি তথ্যপাতি সঞ্চালকৰ অফিচত কাৰোবাক কিছু দি নিজৰ পদৰ বিটেনচন নিছে। এতিয়া প্রশ্ন হৈছে কোনোবা এজনে নিজে লাগি ভাগি নিজৰ বিটেনচন নিব আৰু যি লাগিৰ ভাগিৰ নোৱাৰে দিশপুৰলৈ আহিব নোৱাৰে তেওঁ বিটেনচন নেপায়—এইটো ভাল কথা হোৱা

* Speech not corrected

নাই। চৰকাৰে এই ক্ষেত্ৰত এক স্পষ্ট নীতি লব লাগে—যাতে কোনো শিক্ষক বিটেনচনৰ কাৰণে দিশপুৰলৈ, সঞ্চালকৰ অফিচলৈ আহিব নালাগে। সকলো বিটেনচন সময়মতে ইয়াৰ পৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে শিক্ষকৰ বিটেনচনৰ সম্পৰ্কত যিটো কথা কৈছে—১৯৮৭ চনত নিযুক্তি দিয়াৰ কাৰণেই এই বিটেনচন সমস্যাৰ সৃষ্টি হোৱা নাই। বৰ্ত্তমান চৰকাৰৰ দিনটো যিবোৰ শিক্ষকক নিযুক্তি দিয়া হৈছে তাৰ মাজতো এই সমস্যাই দেখা দিছে। চৰকাৰে নিয়োগ আৰু বিটেনচন ক্ষেত্ৰত এটা স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে। কোনোবা এজনে লাগি ভাগি, কাৰোবাক কিবা দি নিজৰ বিটেনচন কৰি নিব, আহিব নোৱাৰা জনৰ নহব—এইটো হব নালাগে। বিটেনচনৰ ক্ষেত্ৰত শিক্ষক সকল সঞ্চালকৰ অফিচলৈ অহা কথাটো বন্ধ কৰিব লাগে। চৰকাৰে নিজা বৰীয়াকৈ পলিচি গ্ৰহণ কৰি এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিটেনচন আৰু এলটমেণ্টৰ কথাটো মই এতিয়াহে শুনিছো। মই ১৯৭২ চনৰ পৰা ৭৫ চনলৈ শিক্ষামন্ত্ৰী আছিলো তেতিয়া এইবোৰ নাছিল। এতিয়াহে ডি পি. আইৰ অফিচৰ পৰা বিটেনচন এলটমেণ্ট কৰাই লৈ যোৱাৰ প্ৰথা হৈছে। এই প্ৰথা বন্ধ কৰিব লাগিব। মই এনেকুৱাও কথা শুনিছো যে একোখন এম.ই স্কুলত ১৫/১৬ জনকৈ শিক্ষক আছে অথচ তাত বহিবলৈকে চকী মেজ নাই। মই এনে এজন শিক্ষকক লগ পাইছিলো তেখেতে ঘৰৰ পৰা চকী আনি বহিছে। এইটো কালচাৰ আগতেই আৰম্ভ হৈছে আৰু এতিয়াও চলি আছে। এইটো বন্ধ কৰাৰ বাবে আমি ব্যৱস্থা কৰিছা। আমি শিক্ষক নিযুক্তি বন্ধ কৰি দিয়াৰ পিচতো কিছুমান ডি, আইয়ে চহী জাল কৰি আৰু নানা ধৰণেৰে মেনিপুলেট কৰি নিযুক্তি দি আছে। আমি স্পষ্ট ভাৱে নিযুক্তি বন্ধ কৰাৰ পিচতো তেওঁলোকে নিযুক্তি দি আছে এইটো বন্ধ কৰাৰ বাবে মই ব্যৱস্থা লম।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ব্যৱস্থা লম বুলি কোৱাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু লগতে তেখেতক আৰু এটা কথা কৈ থব বিচাৰিছো, যিহেতু তেখেতে সদায় শিক্ষা বিভাগ চাই থাকিব নোৱাৰে। আমাৰ ড্ৰপ পষ্ট্ৰৰ বিপৰীতে থকা কিছুমান শিক্ষক ডিপ্ৰাইভ হৈ আছে। ১৯৭৫ চনত প্ৰভিঞ্চিয়েলাইজ হোৱাৰ পিচৰ পৰা বিভিন্ন স্কুলত, হাইস্কুলত

★Speech not corrected

প্রায় ৭৪ জন আৰু এম, ই স্কুলত প্রায় ৩ হাজাৰতকৈ বেছি মানুহ ডিপ্রাইভ হৈ আছে। এওঁলোকে ৮/৯ বছৰ কাম কৰি থকাৰ পিচতো কোনোবাই পষ্টটো কিনি লৈ যাব এইটো বৰ বেয়া কথা। এই বিলাক বন্ধ কৰি ড্রপ পষ্টত কাম কৰি থকা শিক্ষক সকলক আইনগত ভাবে বা নিয়মিত ভাবে নিযুক্তি দিয়াৰ ব্যৱস্থা মুখ্যমন্ত্রী মহোদয় কৰিব নেকি।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : উপাধ্যক্ষ মহোদয়, এইবিলাক অনিয়ম হোৱাৰ কাৰণে আমি দুবছৰৰ বাবে নিযুক্তি বন্ধ কৰি ৰখিছো এই বিলাক নিয়মিত কৰণৰ বাবে। এই ক্ষেত্রত এডুকেচন কমিচনেও কিছুমান পৰামৰ্শ দিছে; সেইখিনি কাৰ্য্যকৰী কৰা হ'ব। আগতে হাইস্কুলৰ ক্ষেত্রত লোকেল কমিটিয়ে নিযুক্তি দিছিল তেতিয়া এই খেলিমেলি বিলাক নাছিল। এতিয়া এইবিলাক নোহোৱাৰ কাৰণে বিপদ হৈছে। আমি সকলো শিক্ষক নিযুক্তিৰ ক্ষেত্রত লোকেল কমিটি কৰিব পাৰিলে ভাল হ'ব।

*শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : উপাধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তিৰ ক্ষেত্রত এল, পি এম, ই হাইস্কুল সকলো ক্ষেত্রতে মেনেজিং কমিটিক দিয়া উচিত আৰু এটা কথা মোৰ সমষ্টিতে বহুত স্কুল পাহাৰত আছে। এই স্কুলৰ পদৰ বিপৰীতে শিক্ষকে নিযুক্তি লৈ পিচত সেই পদটো নামনিৰ স্কুললৈ বদলি কৰি লৈ আহে আৰু তাৰ ফলত পাহাৰৰ স্কুলত ভলা লাগি থাকে। এই পদ বদলি কৰা ব্যৱস্থাটো নাকচ কৰাৰ বাবে মুখ্যমন্ত্রী মহোদয়ে ব্যৱস্থা লব লাগে।

*শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তিৰ ক্ষেত্রত মেনেজিং কমিটিৰ দ্বাৰা নিযুক্তি দিয়া আগৰ যিটো পদ্ধতি আছিল সেইটো কৰিব লাগে আৰু এই ক্ষেত্রত আমাৰ ৰাজনীতিবিদ সকলো সতৰ্ক হ'ব লাগে। কোনো এম, এল, এ, মিনিষ্টাৰিক এই কমিটিবিলাকত সভাপতি কৰি দিব নালাগে যদি দৰকাৰ হয় মেম্বাৰ কৰি দিব পাৰে। আৰু ৰাজনৈতিক হস্তক্ষেপ কৰিব নালাগে।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : উপাধ্যক্ষ মহোদয়, পাহাৰৰ স্কুলৰ পদ বদলি কৰি লৈ অহা কথাটো হয়। আমি এই বিলাক বন্ধ কৰাৰ বাবে চেষ্টা কৰি আছো। মই এনেকুৱাও কথা শুনিছো যে শিক্ষয়িত্রী সকলক মেটাৰনিটি লিভত' থাকিলৈ বাধ্য কৰোৱা হয়। তেতিয়া তেওঁলোকৰ নিজৰ মানুহ ভৰাব পাৰিব। আকৌ কিছুমান শিক্ষকে বেলেগক মাহে চাৰি শ টকাৰ ঠিকাত কাম কৰিবলৈ দিছে। এই বিলাক বন্ধ হ'ব লাগিব। মই ইতিমধ্যে এই বিলাকৰ চেনচাচ কৰিবলৈ দিছো।

★ Speech not corrected

*শ্রীথানেশ্বৰ বড়ো : উপাধ্যক্ষ মহোদয়, মই এটা কথা কৈ থওঁ, যে হাইস্কুল বা এম, ই স্কুল খুলিবলৈ যি দৰে পৰিচিনৰ প্ৰয়োজন, এস পি স্কুলৰ কাৰণে পৰিচিনৰ প্ৰয়োজন নহয়। এল, পি স্কুল খোলাৰ ক্ষেত্ৰতো পৰিচিনৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হয়।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : উপাধ্যক্ষ মহোদয়, এইটো কৰা হব।

*শ্রীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, মই ড্ৰপ পোষ্টৰ সন্দৰ্ভত একো উত্তৰ পাপালো। আমাৰ হাইস্কুল বিলাকত ৭৪ জনে ড্ৰপ পোষ্টত আৰু এম, ই স্কুল বিলাকত ৩ হেজাৰতকৈ অধিক লোকে কাম কৰি আছে। এই মানুহখিনিক ডিপ্ৰাইভ কৰি যাতে বেলেগ নিযুক্তি হব নোৱাৰে আৰু ৰাজনৈতিক হস্তক্ষেপ যাতে বন্ধ হয় এইটো চাব লাগে। শিক্ষা বিভাগৰ দ্বাৰা চাব ডিভিজনেল এডভাইচৰী কমিটি কৰা বুলি কোৱা হৈছিল। এই বিলাকতো মুখ্যমন্ত্রী মহোদয়ে দৃষ্টি দিব লাগে।

*শ্রীঅতুল বৰা : উপাধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তি ক্ষেত্ৰত মণ্ডল কংগ্রেছেও আজিকালি হস্তক্ষেপ কৰা দেখা যায়। এইটো বৰ বেয়া কথা। মন্ত্রী এম, এল এই হস্তক্ষেপ কৰে বেলেগ কথা। কিন্তু মণ্ডল কংগ্রেছে হস্তক্ষেপ কৰাটো বৰ বেয়া দেখি। এইটো বন্ধ কৰিব লাগে।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : উপাধ্যক্ষ মহোদয়, এইবিলাক পৰম্পৰা আগৰ পৰা চলি আছে। আমি কৰা নাই। তেওঁবিলাকে শাসনত আহিয়েই কলেজ বিলাকৰ কমিটি বিলাক ভংগ কৰি পেলাইছিল। মই বেছিকৈ কবলৈ নাযাওঁ। আমি এই পৰম্পৰা ভংগ কৰিবলৈ চেষ্টা কৰিছো।

*শ্রীবিনোদ গোৱালা : উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে কৈছে যে এই পৰম্পৰা বিলাক আগৰ অৰ্থাৎ এ, জ্বি, পিৰ দিনৰ পৰাই চলি আহিছে। এতিয়া তেখেত এজন ইমান অভিজ্ঞতা সম্পন্ন মুখ্যমন্ত্রী হোৱা স্বত্তেও এই বিলাক কিয় চলি থাকিবলৈ দিছে। এই বিলাক ভংগ কৰাৰ ব্যৱস্থা নকৰে কিয় ?

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : উপাধ্যক্ষ মহোদয়, এগৰাকি কথা ইতিমধ্যে কোৱা হৈছে।

Mr. Deputy Speaker : Hon'ble Member Shri Munin Mahanta to draw the attention of the Minister Revenue by raising the matter under Rule 301 of the Rules of Procedure and

*Speech not corrected

Conduct of Business in Assam Legislative Assembly to the news item appearing in "Dainik Asom" dated 6th March, 1995 relating to "পবিতৰাৰ সীমামুৰীয়া মাটিলৈ বিবাদ ঃ জিলা প্ৰশাসনৰ বিৰুদ্ধে অভিযোগ।"

MATTER UNDER RULE. 301

Shri Alauddin Sarkar : Sir, being authorised by the Hon'ble Member, I would like to draw the attention of the Minister, Revenue by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in "Dainik Asom" dated 6th March, 1995 relating to"

কার্য্যসূচী নং ৩

